Assam Legislative Assembly Debates



OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 8

The 27th September, 1995

Price- Rs. 40.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, September 27, 1995

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now Starred Question No. 141 Hon'ble member Shri Jatin Mali, Hon'ble Minister R.D. is to reply.

বিষয় ঃ- ডি, আৰ, ডি, এ, পৰিচালনা সমিতি।

শ্রীযতীন মালীয়ে সুধিছে ,

* ১৪১। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডি, আৰ, ডি, এ, পৰিচালনা সমিতি গঠন কৰোতে কিবা নিয়ম-কানুন মানি চলিব লগাটো সচাঁনে ?

(খ) যদি সচাঁ, কি নিয়মৰ আধাৰত ডি, আৰ, ডি, এ, পৰিচালনা সমিতি (জিলা পর্য্যায়ত) অসম চৰকাৰে গঠন কৰি আছে?

(গ) কেন্দ্রীয় চৰকাৰৰ ডি, আৰ, ডি, এ, কোড মতে অসমত ডি, আৰ, ডি, এ, পৰিচালনা সমিতি জিলা ভিত্তিত গঠন কৰিছেনে, যদি নিয়ম মতে কৰা নাই তেন্তে তেনেবোৰ অচিৰেই ভঙ্গ কৰি ডি, আৰ, ডি,এ, কোড মতে নতুনকৈ গঠন কৰিবনে ?

(ঘ) কামৰূপ ডি, আৰ, ডি, এ, পৰিচালনা সমিতিখনত সদস্য কোন আছে জনাবনে ?

শ্রীনগেন নেওগ (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সচাঁ।

(খ) I.R.D.P Manual মতে।

(গ) কৰা হৈছে।

(ঘ) কামৰূপ ডি, আৰ, ডি, এৰ পৰিচালনা সমিতি খনত তলত উল্লেখিত সদস্য সকল আছে।

1. Deputy Commissioner, Kamrup Chairman.
2. All Members of Parliament of the District - Member.
3. All M.L. As of the District - Member.
4. Head of the Central Co-Operative Bank. - Member.
5. Chairman, Pragjyotish Gaonlia Bank. - Member.
6. Chariman of Mahkuma Parishads(Guwahati, Rangia and Pragjyotishpur) or their representative-Member.
7. Lead Bank Officer - Member.
8. Nabard Representative of the District. - Member.
9. General Manager, District Industries Centre, Kamrup - Member.
12. Representative of Khadi & Village Industries Board. - Member.
11. District Officer-in-charge of Family Welfare Programme - Member.
12. District Employment officer. - Member.
13. Project Director, ITDP, Guwahati. - Member.
14. Regional/District Officer, Scheduled Caste Finance Corporation. - Member.
15. Asstt. Project Officer, Women Development. - Member.

16. One women worker/organiser with actual experience of organising rural poor. - Member.
17. Two representatives of weaker section one of whom may be drawn from S.Cs and S.Ts - Member.
18. One representative of rural women preferable a beneficiary. - Member.
19. Representative of District Milk Union. - Member.
20. Project Director, District Rural Development Agency. - Member Secretary.

* **শ্রীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাব নেকি যে কামৰূপ জিলা ডি, আৰ, ডি, এত যি কেইজন সদস্য দিয়া হৈছে তেখেত সকলৰ নাম বিলাক কব নেকি?

* **শ্রীনগেন নেওগ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডি,আৰ,ডি, এ কামৰূপৰ যি সকল সদস্য আছে তেখেত সকলৰ লিষ্ট খনে মই পঢ়ি দিছো।

* **শ্রীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত এইখন ডি, আৰ, ডি, এৰ মেনুয়েল আছে, ইয়াৰ ১৮ পৃষ্ঠাটো মন্ত্রীমহোদয়ে চাব লাগে। মেনুৱেলৰ মতে যিমান সদস্য থাকিব লাগে তাতকৈ অধিক সদস্য কামৰূপ ডি, আৰ, ডি, এত আছে। মই জনাব বিচাৰিছো যে মন্ত্রী মহোদয়ে গাইড লাইনৰ মতে কৰিছো বুলি কৈছে কিন্তু সেই মতে কৰা হোৱা নাই। যিমান সদস্য কামৰূপৰ ডি, আৰ, ডি, এত হব লাগে সেই মতে হোৱা নাই। সেই বিষয়ে কব নেকি?

* **শ্রীনগেন নেওগ (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো বর্ত্তমান কামৰূপ ডি, আৰ, ডি, এত যি সকল সদস্য আছে তেখেতসকলৰ তালিকাখন গাই দিছো যিমান সদস্য থাকিব লাগে তাতকৈ বেছি নাই।

* **ডাঃ কমলা কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রীয়ে সঠিক উত্তৰ দিয়া নাই। যি সকল লোকে 'ৰিপ্রেজেণ্ট' কৰিছে সেইসকল লোকৰ নাম বিছাৰিছো। তেখেতে কৈছে যে 'ৰিপ্রেজেণ্টটিটিভ' অৱ অমুক, ৰিপ্রেজেণ্টটিটিভ অব' তমুক। আমি জানো যে কামৰূপ জিলাত ৮ জন ডিফিটেড কেন্ডিডেত মেম্বাৰ হৈ আছে। এইটো কেনেকৈ হল।

*** Speech not corrected**

* **শ্রীনগেন নেওগ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীমালী আৰু কলিতা ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে তাৰ উত্তৰত মই কব খুজিছো যে কামৰূপ জিলাৰ ডি, আৰ, ডি, এৰ তেখেতসকলে যি খন তালিকাৰ কথা কৈছিলে সেইখন আগতে আছিল। সেইখন তালিতা এতিয়া নাই।

* **ডাঃ কমলা কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান তালিকাখন যদি নতুনকৈ গঠন কৰিছে কোন তাৰিখে গঠন কৰিছে সেইটো জনাব লাগে?

শ্রীনগেন নেওগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই নতুন কমিটিখন যোৱা ১৫ চেপ্তেম্বৰ তাৰিখে গঠন কৰা হৈছে।

* **শ্রীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রীয়ে আমাৰ প্ৰশ্ন পোৱাৰ পিচত কামৰূপ জিলাকে আৰম্ভ কৰি সমগ্ৰ ৰাজ্যখনতে মেনুয়েল ভিত্তিত কমিটি গঠন কৰাৰ কাম আৰম্ভ কৰিছে। সেই চিন্তা যে মন্ত্রীৰ মনত খেলাইছে তাৰ কাৰণে তেখেতক ধন্যবাদ দিছো।

শ্রীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৰিমগঞ্জ জিলাটো সেই একে ধৰণে কৰা হব নেকি?

শ্রীকালী ৰঞ্জন দেৱ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জিলাটো কৰা হব নেকি?

শ্রীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জিলাটো কৰিব লাগে।

* **শ্রীনগেন নেওগ** (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ চেপ্তেম্বৰত সকলো জিলাৰে গভার্নিং বডী ভঙ্গ কৰি নতুনকৈ গঠন কৰা হৈছে।

শ্রীকালী ৰঞ্জন দেৱ ঃ মাননীয় অধ্যক্ষ মহোদয়, 'এজ পাৰ মেনুয়েল' কৰিছেনে নাই?

শ্রীনগেন নেওগ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মেনুয়েল মতে গঠন কৰা হৈছে।

Mr. Speaker : Now Starred Question No. 142. Honourable Member Shri Khiren Borgayary as authorised by the Questioner Smti. Pramila Rani Brahma.

Re : D.R. D.A. Scheme.

Smti . Pramila Rani Brahma asked :

* 142. Will the Minister of Rural Development be pleased to state :

(a) Whether it is a fact that the DC's are sole authority to select the schemes of his own to be executed by E.A.S. fund without the

---

*** Speech not corrected**

approval of Governing Body of respective D.R.D.A ?

(b) It not then what is the process and procedure for approval of the scheme, please state?

(c) If yes, why and how the DC's are empowered?

Shri Nagen Neog (Minister of Rural Development) replied:

(a) Yes.

(b) Does not arise.

(c) As per EAS guidelines of Govt. of India.

* **Shri Khiren Borgayary :** Whether the Minister is aware that last year in 1994 an amount of Rs. 450 Lakhs were sanctions for E.A.S. schemes but the schemes were selected without consulting the local MLA's?

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জানে নেকি ১৯৯৪ চনত ই, এ, এচ এডিশ্বনেল ফান্ড যি ৮০ লাখ টকা আহিছিল ডি, চি, য়ে স্থানীয় বিধায়কৰ লগত আলোচনা নকৰাকৈ স্কীম লৈছে নেকি জনাব নে ?

* **শ্রীনগেন নেওগ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ই, এ, এচ, স্থানীয় বিধায়ক সকলৰ লগত যে ডি, চি, য়ে আলোচনা কৰিব লাগে তেনে কোনো নিয়ম নাই।

* **ডাঃ কমলা কলিতা ঃ** অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এৰ বিভিন্ন ধৰণৰ জীপ গাড়ী, এম্বেছাদৰ আদি আছে, সেই গাড়ী সমূহ ডি, চি, ৰ কব্জাত ৰাখিছে। কিমান খন গাড়ী ডি, চি,য়ে ৰাখিছে জনাব নেকি ?

* **শ্রীনগেন নেওগ (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এৰ যথেষ্ট গাড়ী আছে, এই গাড়ী সমূহ ডি, আৰ, ডি, এ, ৰ কামত ব্যৱহাৰ হয়। ডি, চি, য়ে প্রশাসনৰ কামৰ কাৰণে কেতিয়াবা নিব পাৰে, চিৰস্থায়ী হিচাবে নিয়া নাই । সময়ত ঘূৰাই পোৱা হয়।

* **শ্রীনগেন শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, গাড়ী বিলাক ডি, আৰ, ডি, এৰ কামত ব্যৱহাৰ হয় বুলি কৈছে। নলবাৰী জিলাৰ বি, ডি, অৰ গাড়ী আছিল, দুবছৰ আগতে ডি. চি. য়ে নিচে, আজিলৈ ঘুৰাই দিয়া নাই, ব্যৱস্থা লব নেকি ?

* **শ্রীনগেন নেওগ (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ হাতত তথ্য নাই, যদি

কথাটো হয় তেনেহলে নিশ্চয় ব্যৱস্থা লোৱা হব।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ই, এ,এচ,ৰ গাড়ী আছে, ডি, চি, য়ে স্কীম দিব। যোৱা মার্চ মাহৰ অধিবেশনত মুখ্য মন্ত্রী মহোদয়ে সদনত প্রতিশ্রুতি দিছিল যে ই, এ, এচ,ৰ যি আচঁনি আছে সেই বিলাক স্থানীয় বিধায়কৰ লগত আলোচনা কৰি কার্য্যকৰী কৰা হব। মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ সেই প্রতিশ্রুতি নাথাকিল। মুখ্যমন্ত্রী মহোদয়ে এই বিষয়ে জনাব লাগে।

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিখিনি গাইড লাইন ই, এ, এচ,ক দিয়া হৈছিল সেই মতে তেওঁলোকে কাম কৰিব। ডি, চি,কো কোৱা হৈছে যে বিভাগীয় মন্ত্রী আৰু স্থানীয় বিধায়ক সকলৰ লগতো এই বিষয়ে আলোচনা কৰিব পাৰে।

(Starred Questions No. 143 was deferred)

Mr. Speaker : Now Starred Question No. 144. Honourable member Shri Thaneswar Boro. Honourable Minister Shri Nagen Neog is to reply.

Re : Newly Constituted Councils.

Shri Thaneswar Boro asked.

* 144. Will the Minister of Rural Development be pleased to state :

(a) Whether Rural Development Fund will be placed under the disposal of the newly constituted Tribal Autonomous Councils. like Bodoland Council, Rabha Hasong Council, etc.?

(b) If so, how to determine the share the Rural Development Fund in the case of a Legislative Assembly Constituency of which a part falls within the Tribl∂ Autonomous Council and the other part falls outside Council as the demarcation of the Council Area has not completed and the Council Body has not yet been constituted with elected representative?

Shri Nagen Neog (Minister, Rural Development) replied :

(a) For current financial year no such provision has been made.

(b) Does not arise.

*** Speech not corrected**

শ্রীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এ,ৰ ফাণ্ড কাউন্সিল এলেকাত কেতিয়াৰ পৰা প্রযোজ্য কৰিব জনাব নে ?

Shri Nagen Neog (Minister): It is under process.

শ্রীযতীন মালী ঃ অধ্যক্ষ মহোদয়, যদি ব্লকৰ ভিতৰত সেই এলেকা থাকে ডি, আৰ, ডি, এ, ফাণ্ড দিয়া সম্পর্কে কেনেকৈ নির্দ্ধাৰণ কৰিব।

শ্রীনগেন নেওগ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই সম্পর্কে সিদ্ধান্ত লোৱা হোৱা নাই।

শ্রীনগেন শর্ম্মা ঃ অধ্যক্ষ মহোদয়, উত্তৰ কাছাৰ আৰু কার্বি আংলং জিলাত ডি, আৰ, ডি, এ,ৰ ফাণ্ড দিয়াৰ ব্যৱস্থা আছে, নে নাই ?

শ্রীনগেন নেওগ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, হয় আছে।

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক এলেকা কাউন্সিলৰ অর্ন্তভূক্ত নহয় সেই বিলাকৰ কাৰণে কি ব্যৱস্থা লব, বিশেষকৈ দেউৰী আৰু সোনোৱাল জনগোষ্ঠী থকা এলেকা সমূহৰ কাৰণে ?

* শ্রীনগেন নেওঁগ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, হিল ডিষ্ট্রিক কেইখন বাদ দি সমগ্র অসমতে পঞ্চায়ত ব্যৱস্থা আছে। সেই অনুসৰি অসমত বসবাস কৰা সকলো শ্রেণীৰ জনসাধাৰণ লোকে পঞ্চায়তৰ যোগেদি ডি, আৰ, ডি, এ, ৰ সা-সুবিধা পাই আছে। এইটো এতিয়ালৈ প্রশ্ন অহা নাই।

* **Shri Parameswar Brahma :** Sir, the Minister has replied that no provision has been made in the current year. But as per the understanding DRDA fund is to be given to the Autonomous Council, becuase we wanted maximum autonomy both financial and political. We wanted to remove Gaon Panchayat and Anchalik Panchayat and also wanted that the Panchayati Raj Act should be withdrawn on which a discussion also took place in the House. Will the Govt. take immediate steps to divert all the money from DRDA to BAC ?

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, আমি যি বি, এ, চি, কাউন্সিল কৰিছো তাত পর্য্যায়ক্রমে কৰা হব। পঞ্চায়ত এক্ট মতে ফুল টার্ম ৰাখিব লাগে। বি, এ, চিটো ফুল টার্ম কৰাৰ লগে লগে ইতিমধ্যে পিচ পৰা কাম বিলাক কৰিবলৈ চেষ্টা কৰা হৈছে। দ্বিতীয়তে ট্রাইবেল চাব প্লেনতো কৰা হৈছে।

* শ্রীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, ট্রাইবেল চাব প্লেনৰ যি টকা আছে মিচিং

স্বায়ত্ব শাসন, বড়ো স্বায়ত্ব শাসন আদিলৈ ডাইভার্ট কৰা হয় নেকি, যদি হয় কেনেকৈ কৰা হয় ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, জনসংখ্যাৰ ভিত্তিত ভাগ কৰা হয়।

Mr. Speaker : Now starred Question No. 145 Hon'ble member Shri Samarendra Nath Sen. Hon'ble Misnister R.D. is to reply.

Re : Completion of Schemes of M.W.S.

Shri Samarendra Nath Sen asked :

* 145. Will the Minister of Rural Development be pleased to state :

(a) Whether all the Schemes of M.W.S. taken up by D.R.D.A. Cachar in 1994-95 are completed and whether bills were paid?

(b) Whether there are serious allegation of corruption and misappropriation of money as published in Dainik Sonar Cachar" dated 19th August, 1995?

(c) If so, what step the Government would take?

(d) Is it a fact that J.R.Y. Schemes namely construction of Durgapally Road under Silchar Development Block under 20% share of D.R.D.A. are not shown in the action plan passed in D.R.D.A. meeting held on 25th August, 1994 but shown as completed in the Governing Body meeting held on 3rd May. 1995?

(e) If so, what are the reasons?

Shri Nagen Neog (Minister, Rural Development) replied :

(a) No.

(b) In the news item certain allegations have been brought out against DRDA, Cachar.

(c) Govt. will enquire into the allegations.

*** Speech not corrected**

(d) Yes.

(e) It was taken up after the Governing body meeting of August '94 with the approval of Chairman DRDA. It was subsequently placed before G.B. meeting in May '95.

Shri Samarendra Nath Sen : May I know from the Minister whether the allegations were enquired into and actions taken?

Shri Gautam Roy (Minister of State) : Yes, allegations were enquired into and the result of the enquiry will be looked into, and placed in the next session of the House.

Shri Samarendra Nath Sen : Sir, in reply to question (d) the Minister has said 'Yes'. How it could happen Sir?

Shri Gautam Roy (Minister of State) : The fact is that during my last visit to Silchar about 1200 people met me at circuit House and I asked them to meet the local MLA. They told me that they have not seen the face of the local MLA for many days. I then instructed the D. C to start the work.

* শ্রীশ্বহীদুল আলম চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দিছে সেই মতে হাইলাকান্দিত ১৯৯৪-৯৫ চনত কিমান টকা ধার্য্য কৰা হৈছিল সেই বিষয়ে জনাবনে ?

* শ্রীগৌতম বৰা (বাজ্যিক গ্রামোন্নয়ন মন্ত্রী) ঃ মাননীয় সদস্য গৰাকী এসময়ত নিজেই মন্ত্রী আছিল তেখেতে কথা বিলাক ভাল ধৰণে বুজিব লাগে।

শ্রীশ্বহীদুল আলম চৌধুৰী ঃ মই প্রশ্ন কৰিছো এটা মন্ত্রী ডাঙৰীয়াই এইয়া উত্তৰ দিছে নেকি ?

Shri Samarendra Nath Sen : Mr. Speaker Sir, I wanted to know as regards Silchar Development Block but the Honourable Minister answared about Udarbond Development Block.

Mr. Speaker : Thank you very much.

Now Starred Question No. 146, Questioner Shri Karendra Basumatary. Hon'ble Minister R. D is to reply.

*** Speech not corrected**

Re : Employment Assurance Scheme.

Shri Karendra Basumatary asked :

* 146. Will the Minister of Rural Development be pleased to state :

(a) Whether Government will consider for inclusion of Employment Assurance Scheme (EAS) for Bhergaon Development Block in Darrang since it has been excuted from EAS?

(b) Why the above Block has been deprived from getting opportunities of EAS by the Ministry of Rural Areas and Employment?

Shri Nagen Neog (Minister, Rural Development) replied :

(a) State Governyment will take up with the Governnment of India.

(b) Question does not relate to State Government.

*** Shri Karendra Basumatary :** Mr. Speaker Sir, I would like to konw from the Honourable Minister concerned whether share money of Rs. 1 crore from Kahirabari Block would be given to my Bhergaong Block. Sir, as you are aware, the Bhergaon Block is a composite block . Since 1992 to 1994, the verious schemes meant for Bhergaon Block have been implemented from Khairabari Block directly. Sir the financial allocation from the Centre has been given this year for implementation of scheme.

Sir, it is very much unfortunate that my Bhergaon Block which consists of 18 Numbers of Gaon Panchayats has been deprived of getting the benefit of EAS Block. It has totally violated the norms and guidelines of the Centre.

Sir, I would like to know from the Honourable Minister whether my Bhergaon Block would be sanctioned another additional of Rs. one crore to implement EAS simultaneously because Khairabari GP which

*** Speech not corrected**

consists of only Six Numbers of GPs has been allotted Rs. 1 crore. My Tribal Block should be provided with fund towards share money from Khairabari Block.

* শ্রীনগেন নেওগ (গ্রামোন্নয়ন মন্ত্রী) ঃ ভেৰ গাওঁ-ব্লকটো নতুনকৈ কৰা হৈছে, আগতে যিটো ব্লকৰ লগত আছিল তাত ই, এ, এচ,স্কীমত যি খিনি টকা পাইছিল কিন্তু ১৯৯৪-৯৫ চনত সেই টকা বন্ধ কৰা হৈছে কিয়নো এই সময় চোৱাৰ ভিতৰত নতুনকৈ ৭৩ টা ব্লক পাইছো। নতুনকৈ হোৱা আটাইবিলাক ব্লক ই,এ, এচ, স্কীমত ইনষ্টল হোৱা নাই। এই সম্পৰ্কত হাইকোৰ্টে নিৰ্দ্দেশ দিছে - not to spend EAS Fund in Khairabari Block. গতিকে হাইকোৰ্টৰ পৰা নিৰ্দ্দেশ নোপোৱা পৰ্য্যন্ত এই বিষয়ে সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত কিছু দিন বাট চালে ভাল হব।

* শ্রীকৰেন্দ্র বসুমতাৰী ঃ হাইকোৰ্টে মাত্র এমাহৰ আগতেহে জনাইছে কিন্তু যেতিয়া কেচ কৰা নাছিল তেতিয়া কি কৰিছিল। গতিকে ভেৰগাও উন্নয়ন ব্লকত এডিশ্যনেল ফাণ্ড দিব নে নিদিয়ে ? আমি জনাত তাত ১ কোটি টকা দিছে গতিকে হাইকোৰ্টৰ কেচটো ভেকেট কৰাৰ ব্যৱস্থা কৰিব লাগে। এই সম্পৰ্কত কন্দপান চাহাব আৰু বাইদেউয়ো দিপ্রাইভ্ হৈছে। গতিকে হাইকোৰ্টৰ অর্ডাৰটো ইনজাংকশ্যন কৰিব লাগে আৰু ভেৰগাও উন্নয়ন ব্লকত এডিশ্যনেল ফাণ্ডটো দিব লাগে।

* শ্রীনগেন নেওঁগ (গ্রামোন্নয়ন মন্ত্রী) ঃ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই যিটো দিপ্রাইড্ কৰা হৈছে বুলি জনাইছে প্রকৃততে সেইটো নহয়, আমি কাকো দিপ্রাইড্ কৰিব বিচৰা নাই। ই, এ, এচ, স্কীমত উন্নয়ন ব্লক সমূহ ইনক্লুড্ ক্ষেত্ৰত যিটো চিলেকশ্যন কৰা হয় সেইটো ৰাজ্যিক চৰকাৰে নকৰে। ১৯৯২-৯৩ চনত ই, এ, এচত লোৱা নাই। মাননীয় মুখ্যমন্ত্রী মহোদয়ে ইতিমধ্যে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে যাতে বাকী থকা উন্নয়ন ব্লক কেইটা ই, এ, এচ স্কীমত ইনক্লুড্ কৰা হয় আৰু আমি আশা কৰিছো সেই কেইটাও লোৱা হব।

* **Shri Karendra Basumatary :** Mr. Speaker Sir, I would like to conden the statement of the Honourable Minister made in on the floor of the House in view of the fact that his statement is quite politically motivated. Sir, I would like to know the steps taken by the Honourable Minister with regard to EAS Block as it is unfortunate that my Block was deprived of EAS only because of my being an opposition member. Sir, I want clarification from Honourable Minister in this regard.

* শ্রীনগেন নেওঁগ (গ্রামোন্নয়ন মন্ত্রী) ঃ মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে এইটো পলিটিকেলি মটিভেটেড নহয়। মই আগতেই কৈছো যে ই, এ, এচত ইনক্লুড কৰাত কেন্দ্রীয়

*** Speech not corrected**

চৰকাৰেহে চিলেক্ট কৰে। মই জনাবলৈ পাই সুখী হৈছো যে এইবাৰ সৰ্বভাৰতৰ ভিতৰত অসমতে আটাইতকৈ বেচি ব্লক ইনক্লুড কৰা হৈছে। মাননীয় মুখ্য মন্ত্রী মহোদয়ে আটাইকেইটা এম, এল, এ সমষ্টি ইনক্লুড কৰাৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছে।

* **শ্রীআলাউদ্দীন সৰকাৰ ঃ** যোৱা বিধান সভাতে জনাইছিল যে আগমণী ব্লকটো ইনক্লুড কৰা হব কিন্তু এতিয়ালৈকে নকৰিলে, গতিকে যিবিলাক উন্নয়ন ব্লক ই, এ, এচত ইনক্লুড হোৱা নাই সেইবিলাকত শতকৰা ২০ ভাগ বঢ়াই দিব লাগে আৰু ইনক্লুড হোৱা বিলাকত কমাই দিব লাগে।

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ই, এ, এচ, ব্লক দিয়া হয় অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ অঞ্চলৰ কাৰণে। প্রথম যেতিয়া ১৯৯২-৯৩ চনত এই আঁচনি আৰম্ভ কৰিছিল তেতিয়া গোটেই ভাৰতবর্ষত সেই সূত্র মতে যিমান ব্লক লৈছিল তাৰ ভিতৰত অসমত সর্বাধিক ৬৯ টা ব্লক লৈছিল। মই পিছত প্রধান মন্ত্রীক লগ ধৰি অসমত এচ চি, এচ টিৰ বাহিৰেও যে বহুত দুখীয়া মানুহ আছে, যিবিলাক ব্রহ্মপুত্রকে ধৰি বিভিন্ন নদীৰ পাৰত বাস কৰে সেই বিষয়ে অৱগত কৰোৱাই এই ব্লকবিলাকো ই, এ, এচ আঁচনিৰ অধীনলৈ আনিবলৈ অনুবোধ কৰিছিলো। আৰু সেই মর্মে কেন্দ্রীয় চৰকাৰৰ এটা দল আহি অসমৰ বিভিন্ন অঞ্চল পৰিদর্শণ কৰি অসমৰ নদীৰ পাৰত বাস কৰা দুখীয়া লোকসকলৰ উন্নয়নৰ বাবে অসমত ৭৩ টা ব্লক ই, এ, এচ-ৰ অধীনত সামৰি লয়। এইখিনি বৃদ্ধি কৰা হৈছে ইবোছন, বানপানী আৰু পোভার্টিৰ সূত্র মতে, ১৯৯৩-৯৪ চনতো গোটেই ভাৰতবর্ষৰ ভিতৰত সর্বাধিক ব্লক হৈছে। অসমত মুঠ ১২৬ টা বিধান সভা সমষ্টিৰ ভিতৰত ১১৫ টা সমষ্টিৰ ব্লক ইয়াত সামৰি লোৱা হৈছে। শ্রীবসুমতাৰী ডাঙৰীয়াই কোৱাৰ দৰে আমি একো ৰাজনীতি কৰা নাই। ব্লক বাছনিৰ ক্ষেত্রত আমাৰ একো ইনটেনছন নাই। আমাৰ আৰু যি কেইটা সমষ্টিত এতিয়া বাকী আছে সেইবিলাকত ই এ এচ ব্লক লোৱাৰ বাবে আমি চেষ্টা কৰি আছো। দ্বিতীয়তে শ্রী ডাঙৰীয়াই আগমণী ব্লকৰ কথা কৈছে। আগমণী ব্লক ই, এ, এচ অধীনত নপৰিলেও ইণ্টাৰনেচনেল বজাৰত হোৱা বাবে বাকী ব্লক বিলাকতকৈ অধিক টকা খৰচ কৰিব পাৰে। আগমণি ব্লকে অধিক টকা পাই আহিছে।

* **শ্রীনজমূল হ'ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ডি আৰ ডি এৰ বিভাগৰ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমৰ ভিতৰত দক্ষিণ শালমাৰা ব্লক হ'ল আটাইতকৈ বেছি পিছ পৰা আৰু বানপানীৰ উপদ্রপ আঞ্চল। কিন্তু তথাপি এই ব্লকটো কিয় ই এ এচৰ অধীনত সামৰি লোৱা নহ'ল। দক্ষিণ শালমাৰাক সামৰি লোৱাৰ ব্যৱস্থা কৰিব নে ?

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ শালমাৰা ব্লক ই, এ, এচৰ অধীনত পৰা নাই যদিও তাত প্রতি বছৰে বানপানীয়ে ৰাস্তা-ঘাট, সা-সম্পত্তি নষ্ট কৰা বাবে অধিক টকা খ ৰছ কৰা হৈ আহিছে। আমি দক্ষিণ শালমাৰাত অধিক টকা খৰচ কৰি আহিছো।

*** Speech not corrected**

* **শ্রীঅতুল বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী ডাঙৰীয়াই কৈছে যে কেন্দ্রীয় চৰকাৰে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি বসতিপূর্ণ এলেকাবিলাকৰ ব্লকবিলাক ই এ এচৰ অধীনত লোৱাৰ কথা কৈছে। কিন্তু চন্দ্রপুৰ এচ টি এৰিয়া হোৱা স্বত্বেও কিয় অন্তর্ভূক্ত কৰা নহ'ল। গতিকে মই ভাবো কেন্দ্রীয় চৰকাৰৰ বাচনি কৰাৰ ক্ষেত্রত নিশ্চয় আসোঁৱাহ আছে। চন্দ্রপুৰক অন্তভূর্ক্ত নকৰাত আপোনালোকে প্রতিবাদ নকৰিলে কিয়? আমাৰ বহুতো সদস্যই ই, এ, এচ, ব্লকৰ বাবে দাবী কৰিছে। মই সদস্যসকলক অনুৰোধ কৰিছো তেখেতসকলে যাতে ই, এ, এচ ব্লকৰ বাবে দাবী নকৰে। কাৰণ কেন্দ্রীয় চৰকাৰে এই আঁচনিৰ দ্বাৰা গাওঁৰ যুৱকসকলক দুর্নীতিৰ প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে।

মাননীয় অধ্যক্ষ ঃ সেই বিলাক কোৱাটো ঠিক নহয়।

* **শ্রীজীউ বাম বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, (সদনত একেলগে ২/৩ জন সদস্যই কবলৈ আৰম্ভ কৰে) মোৰ সমষ্টিত এটা নতুন ব্লক আছে। এই ব্লকটো সদায় বঞ্চিত হৈ আহিছে। এতিয়া তাত আন্দোলন কৰিবলৈ ওলাইছে। অধ্যক্ষ মহোদয়, মই ভাবো ব্লক নির্বাচনৰ ক্ষেত্রত একো ৰাজনীতি কৰা হোৱা নাই। এইটো ৰাজনীতি কৰাৰ কথা হব নোৱাৰে। আমাৰ মাননীয় মুখ্য মন্ত্রীয়ে আকৌ ১৪২ টা ব্লক এই আঁচনিৰ অধীনত লোৱাৰ বাবে চেষ্টা কৰি আছে বুলি কৈছে। সেয়েহে তেখেতক মই ধন্যবাদ জনাইছো। মোৰ সমষ্টিৰ খৈৰাবাৰী ব্লকটো অতি পিচপৰা ব্লক। মই আশা ৰাখিছো এই অঞ্চলৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিব।

* **শ্রীনগেন শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী মহোদয়ে যিটো কথা কৈছে যে অসমৰ কাৰণে বিশেষকৈ নদীৰ পাৰত থকা লোকসকলৰ উন্নয়নৰ বাবে ই, এ, এচৰ অধীনত সামৰি লোৱা হৈছে। মোৰ সমষ্টিত নদীৰ পাৰত দুটা ব্লক আছে। নোনা নদীৰ বানপানীয়ে প্রতি বছৰে সেই লোকসকলক সর্বস্বান্ত কৰি আছে। আকৌ পাগলদিয়া নদীৰ পাৰৰ লোকসকল বানপানীৰ উৎপাতত নলবাৰী জিলা এৰি গুচি যাব লগীয়া হৈছে। তেনে ক্ষেত্রত কি কাৰণে এই ব্লক দুটা বঞ্চিত হব লগা হ'ল?

* **শ্রীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ব্লক এই আঁচনিৰ অধীনত সামৰি লোৱা হোৱা নাই সেই ব্লকবিলাক অন্তর্ভূক্ত কৰাৰ ব্যৱস্থা কৰিব নে?

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্রীশর্মা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সঁচা। আমি অন্তর্ভুক্ত কৰিবলৈ চেষ্টা কৰি আছো। কেন্দ্রীয় চৰকাৰে গোটেই ভাৰতবর্ষতে ২ হাজাৰ ব্লকৰ ভিতৰত অসমত সর্বাধিক লৈছে। আমি নিশ্চয় পর্যায়ক্রমে অন্তর্ভূক্ত কৰাৰ ব্যৱস্থা কৰিব পাৰিম। বৰা ডাঙৰীয়াই যি দুর্নীতিৰ কথা কৈছে সেইটো সচাঁ নহয়। এইখন হ'ল নিশ্চিত নিয়োগ আঁচনি। এই আঁচনিৰ অধীনত গাওঁৰ দৰিদ্র সীমা ৰেখাৰ তলত বাস কৰা খেতিয়ক

*** Speech not corrected**

সকলক ১০০ দিনৰ কাম দিয়া হয়। গাওঁৰ খেতিয়কসকল খেতি চপোৱাৰ পিছত প্ৰায় ১০০ দিন মান এনেয়ে বহি থাকিব লগীয়া হয়। সেই বাবে খেতিয়ক সকলৰ উপাৰ্জন বৃদ্ধিৰ বাবে এই আঁচনি লোৱা হৈছে। এই আঁচনিৰ বাবে গ্ৰামোন্নয়নৰ যোগেদি টকা দিয়া হয় আৰু সেই কাৰণে গাওঁত কমিটি কৰা হৈছে। গাওঁবিলাকত কাম হোৱা নাই বুলি কব নোৱাৰে। যথেষ্ঠ কাম হৈছে। এই আঁচনিৰ অধীনত বাস্তা পকী কৰা হৈছে, ষ্টেডিয়াম কৰা হৈছে, মিনি ষ্টেডিয়াম কৰা হৈছে, স্কুল ঘৰ পকী কৰা হৈছে। এইবিলাক কাম হোৱা নাই বুলি কব নোৱাৰে। নিশ্চয় কাম হৈছে। এই আঁচনিৰ ফলত দৰিদ্ৰ কৃষকৰ উপাৰ্জনৰ পথ মুকলি কৰা হৈছে।

Mr. Speaker : Now Starred Question No. 147. Questioner Shri Dhruba Kumar Sen. Hon'ble Minister P.H.E is to reply

বিষয় ঃ দুৰাহাটীত খোৱা পানীৰ আঁচনি।

শ্ৰীধ্ৰুৱ কুমাৰ সেনে সুধিছে ঃ

*১৪৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী কাৰ্য্যবাহী অভিযন্তা জনস্বাস্থ্য কাৰিকৰী বিভাগ (১ নং) (Ex-Engineer PHE- (I)) অধীনত ধুবুৰী সমষ্টিৰ দুৰাহাটীত যিটো খোৱা পানী দিয়াৰ কাৰণে আঁচনি আছে সেই আচঁনিটোৰ পৰা নিয়মিত পানী যোগান দিয়া হয় নে ?

(খ) যদি দিয়া নহয়, দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দুৰাহাটী খোৱা পানী যোগান আঁচনিটোৰ পৰা বৰ্ত্তমানে নিয়মিত ভাৱে পানী যোগান ধৰি থকা হৈছে।

(খ) প্ৰশ্ন নুঠে।

* **শ্ৰীধ্ৰুৱ কুমাৰ সেন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে বৰ্ত্তমানে নিয়মিত ভাৱে পানী যোগান ধৰি থকা হৈছে। কিন্তু মই জনাত মোৰ ধুবুৰী সমষ্টিত ৩ টা পি, এইচ, ইৰ স্কীম আছিল। তাৰে এটাত নিয়মিত ভাৱে পানী যোগান দি থকা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ে দিটেইলচ কব নেকি ?

* **শ্ৰীদিনেশ প্ৰসাদ গোৱালা** (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি ২৪ জুলাইৰ পৰা ১৪ আগষ্টলৈকে বন্ধ আছিল। যোৱা ১৫ আগষ্টৰ পিচতহে সেই আঁচনিত নিয়মিতভাৱে পানী যোগান ধৰা হৈছে।

*** Speech not corrected**

* **শ্রীধ্রুৱ কুমাৰ সেন ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেপ্তেম্বৰ মাহৰ ১০-১২ তাৰিখে সেই ঠাইলৈ মই নিজেই গৈছিলো। এমাহৰ ভিতৰত ৭-৮ দিন মানহে পানী যোগন ধৰে। বাকী কেইদিন কিয় বন্ধ হৈ থাকে বুলি সোধাত কলে যে দিজেল নাই, কাৰেণ্ট নাই। মোৰ সমষ্টি ধুবুৰীৰ ধৰ্ম্মশালাত ৰুবেল স্কীমৰ যোগেদি নিয়মিতভাবে পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্রীদিনেশ প্রসাদ গোৱালা** (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কিছুদিন নিয়মিতভাৱে পানী যোগান ধৰা কামটো বন্ধ আছিল। এতিয়া ফাংচন কৰিবলৈ দিয়া হৈছে।

* **শ্রীচিত্তেন্দ্র নাথ মজুমদার ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনস্বাস্থ্য কারিগরী বিভাগের মন্ত্রী মহোদয় আমার এক লিখিত প্রশ্নের উত্তরে জানিয়েছেন যে আমার নির্বাচনী চক্রে যে সব পাইপ ওয়াটার স্কীম আছে তার বেশীর ভাগ স্কীমেই সপ্তাহে মাত্র একদিন বা তিনিদিন করে পানীয় জল সরবরাহ করা হয়। মন্ত্রী মহোদয় এই সব স্কীমের লিষ্ট দিয়েছেন। আমার প্রশ্ন হলো যে গ্রামে যে সব স্কীম করা হয়েছে তা থেকে গ্রামের যারা গরীব লোক তারাই জল পেয়েথাকে। তাদের জল ধরে রাখবার জন্য কোন কেন্টেনারও নেই। এমনাবস্থায় সপ্তাহে একদিন বা তিনদিন জল সরবরাহ করলে এদের কোন উপকার হবে না। এবংদূরে যারা থাকে তারা অনেক সময় কোন জল পায় না। সুতরাং ভবিষ্যতে এসব স্কীম থেকে প্রতিদিন জল সরবরাহ করার জন্য বিশেষ ব্যবস্থা করবেন কি?

* **শ্রীদিনেশ প্রসাদ গোৱালা** (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, পাইপৰ যোগেদি পানী যোগন ধৰা স্কীমটো কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক পানী যোগান ধৰিবলৈ কোৱাটো সঁচা কথা। কেন্দ্রীয় চৰকাৰে নিদিলে ৰাজ্য চৰকাৰৰ পৰা পোৱা নাযায়। সেই কাৰণে মাজে মাজে পানী যোগান যাতে বন্ধ নহয় তাৰ কাৰণে ৰাজ্য চৰকাৰে ব্যৱস্থা কৰিছে আৰু স্কীম কেইটা কর্য্যকৰী কৰাৰ কাৰণে গাওঁ পঞ্চায়ত, বেঙ্ক আৰু অন্যান্য বিষয় ববীয়াক লৈ এখন কমিটি কৰাৰ ব্যৱস্থা কৰা হৈছে। সেই কমিটিখনৰ যোগেদি ৰাইজে যাতে নিয়মিতভাৱে পানী পায় আৰু স্কীম কেইটা কার্য্যকৰী হয় তাৰ ব্যৱস্থা কৰা হৈছে।

* **শ্রীচন্দন কুমাৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো গোটেই অসমত ১০০ বা ১৫০ ঘৰ অনুসূচীত জাতি আৰু জনজাতি লোক নিয়মিতভাৱে পানী পায়। অসমৰ যিবোৰ অঞ্চলত অনুসূচীত জাতি আৰু জনজাতিৰ শিতানত টকা দিয়া হৈছিল সেই টকা সেই অঞ্চলবিলাকত খটুৱাই ডিজেল পানী যোগান ধৰাৰ ব্যৱস্থা মন্ত্রী মহোদয়ে কৰিব নেকি? লগতে বিদ্যুত যোগান নথকাবিলাকত বিদ্যুতৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে।

*** Speech not corrected**

* শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, পানী যোগান ধৰাৰ ব্যৱস্থা কার্য্যকৰী কৰাৰ কাৰণে এটা নির্দ্দেশ (অর্ডাৰ) কৰা হৈছে। টাইম বাউণ্ড কৰা হৈছে। যিবোৰ স্কীম কৰিব পৰা নাই, সেইবোৰ কৰিবৰ কাৰণে বিহিত ব্যৱস্থা কৰা হৈছে।

* শ্রীধ্রুৱ কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে দুটা কথা কৈছে। এটা হৈছে নিয়মিতভাৱে পানী যোগান ধৰিব পৰা নাই। তাৰ পিচত কৈছে ডিজেলৰ অভাৱৰ কাৰণে মাজে মাজে পানী দিয়া হয়। মাজে মাজে বুলি নকৈ এই স্কীম কেইটা সোনকালে কার্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব নেকি? মই জনাত এমাহৰ ভিতৰত ৭ দিন মানহে দিয়ে। গতিকে ২৪ ঘণ্টা পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব নেকি?

* শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাজতে ৭ দিন পানী যোগান ধৰা কথাটো সঁচা নহয়। কেতিয়াবা কেতিয়াবা ডিজেল নোহোৱা হলে বা কাৰেণ্ট নহলে বন্ধ হয়। এতিয়া সেইবিলাকৰ অভাৱ নোহোৱাকৈ যাতে নিয়মিতভাৱে পানী যোগান ধৰা হয় তাৰ কাৰণে বিহিত ব্যৱস্থা কৰা হব।

Mr. Speaker : Now Question No. 148. Questioner Shri Ramendra Narayan Kalita. Hon'ble Minister T. & C. P.

বিষয় ঃ কৃত্রিম বানপানী।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

* ১৪৮। মাননীয় চহৰ আৰু নগৰ পৰিকল্পনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দুর্গাসৰোবৰ, শান্তিপুৰ অঞ্চলৰ পৰা বাৰিষা কম বৰষুণত সৃষ্টি হোৱা কৃত্রিম বানপানী উলিয়াই নিয়াৰ বাবে এটা ড্রেইন নির্মাণৰ প্রতিশ্রুতি চৰকাৰে বিধান সভাৰ মজিয়াত দিয়াৰ বিষয়ে অবগত নে?

(খ) যদি অবগত, বর্ত্তমান ই কি অৱস্থাত আছে জনাবনে?

(গ) এই ড্রেইনটোৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব?

(ঘ) কুমাৰপাৰাৰ অঞ্চলৰ পৰাও বাৰিষা বৰষুণৰ পানী উলিয়াই নিয়াৰ বাবে এটা ড্রেইনৰ ব্যৱস্থা কৰিব নে?

(ঙ) ১৯৯৫-৯৬ চনৰ বিত্তীয় বর্ষত কামটো আৰম্ভ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্রীঅঞ্জন দত্ত (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্রী, স্বতন্ত্র দায়িত্ব প্রাপ্ত)য়ে উত্তৰ দিছে ঃ

*** Speech not corrected**

(ক) হয়।

(খ) প্রথম পর্য্যায়ৰ কামৰ বাবে নিবিদা আহবান কৰা হৈছে।

(গ) চলিত বছৰৰ অক্টোবৰ মাহৰ পৰা কাম আৰম্ভ কৰা হব।

(ঘ) ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত ইয়াৰ বাবে কোনো আঁচনি নাই।

(ঙ) প্রশ্ন নুঠে।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে নিবিদনা আহ্বান কৰা হৈছে। এই নিবিদা কেতিয়া আহ্বান কৰা হৈছিল? সেইমতে ঠিকাদাৰ সকলে নিবিদা দিছিল নেকি?

* **শ্রীঅঞ্জন দত্ত** (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রথম পর্য্যায়ৰ কামৰ বাবে ২৯ এপ্রিলত নিবিদা লোৱা হৈছিল আৰু সেইমতে ঠিকাদাৰ সকলক বাচনি কৰা হৈছে।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এটা কথা কৈছে, মোৰ সমষ্টি কুমাৰ পাৰা অঞ্চলত ১৯-১৫ মিনিটমান বৰষুণ দিলে কৃত্রিম বানপানী সৃষ্টি হয়। গতিকে সেই অঞ্চলত ড্রেইন কৰি ড্রেইনৰ যোগেদি ভৰলুমুখত পানীখিনি পেলাব পাৰিলে ভাল হয়। ড্রেইন দিয়াৰ ব্যৱস্থাটো ১৯৯৫-৯৬ চনৰ বাজেটত লব নেকি?

* **শ্রীঅঞ্জন দত্ত (মন্ত্রী, নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত অলপ বৰষুণ দিলেই কৃত্রিম বানপানীৰ সৃষ্টি হয়। আমি ৰিভাইজ মাষ্টাৰ প্লেন এখন বনাবৰ কাৰণে পর্য্যায়ক্রমে আঁচনি হাতত লৈছো।

Mr. Speaker : Now Question No 149. Questioner Shri Atul Bora . Minister of State, Border Areas is to reply.

বিষয় ঃ মেঘালয় আৰু নাগালেণ্ডৰ সীমান্ত অঞ্চল উন্নয়ন

শ্রীঅতুল বৰাই সুধিছে ঃ

* ১৪৯। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মেঘালয় আৰু নাগালেণ্ডৰ সীমান্ত অঞ্চল সমূহৰ উন্নতিৰ বাবে বিভাগে কি কি আচনি হাতত লৈছে জনাবনে?

(খ) বাট, পথ, স্কুল বিজুলী যোগান ইত্যাদি বোৰ কথাত গুৰুত্ব নিদিয়াৰ বাবে মেঘালয়

আৰু নাগালেণ্ড চৰকাৰে সীমা ঠেলি অসমৰ বহুখিনি মাটি বেদখল কৰাৰ বিষয়ে জানেনে?

(গ) সীমান্ত অঞ্চলৰ অসমৰ কিমান মাটি উক্ত ৰাজ্য দুখনৰ দখলত আছে জনাবনে?

(ঘ) অৰুণাচলে কিমান অসমৰ মাটি দখল কৰিছে জনাবনে?

(ঙ) বৰ্ণিহাটত অসমৰ মাটিত মেঘালয়ৰ কার্য্যালয় স্থাপন কৰাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

শ্রীজগৎ পাটগিৰী (সীমান্ত অঞ্চল বিভাগৰ ৰাজিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মেঘালয় আৰু নাগালেণ্ডৰ সীমান্ত অঞ্চল সমূহৰ উন্নতিৰ বাবে সীমান্ত উন্নয়ণ বিভাগে সীমান্তত গ্রাম্য পথ, দলং, নির্ম্মাণ ও মেৰামতি, স্কুল/কলেজ নির্ম্মাণৰ বাবে আর্থিক অনুদান আৰু আন আন সা-সুবিধা প্রদান, পানী যোগানৰ ব্যৱস্থা চিকিৎসা উপকেন্দ্র নির্ম্মাণ আৰু মেৰামতি সীমান্ত অঞ্চলৰ দণ্ডাধীশৰ কার্যালয় ও বাস ভৱন নির্ম্মাণ আৰু যানবাহনৰ ব্যৱস্থা (কেৱল নাগালেণ্ড সীমান্তত) সীমান্ত উপ-আৰক্ষী চকী নির্ম্মান আৰু সা-সুবিধা প্রদান ইত্যাদি।

(খ) বেদখল কৰাৰ কথা জানো। কিন্তু সীমান্ত অঞ্চলত বাট পথ স্কুলৰ উন্নতিৰ বাবে গুৰুত্ব নিদিয়াৰ কথাটো সঁচা নহয়। বিজুলী যোগান বিষয়টো সীমান্ত অঞ্চল বিভাগৰ অন্তর্গত নহয়।

(গ) সীমান্ত অঞ্চলত মেঘালয় আৰু নাগালেণ্ড চৰকাৰৰ দখলত থকা অসমৰ মুঠ মাটিৰ পৰিমান যথাক্রমে ৭৪৪'৮২ আৰু ৫৩১৪৩'৩৫ হেক্টৰ।

(ঘ) সীমান্ত অঞ্চলত অৰুণাচল প্রদেশে অসমৰ মুঠ ২৬৭৭০'৮০ হেক্টৰ মাটি দখল কৰিছে।

(ঙ) বৰ্ণিহাটত মেঘালয় চৰকাৰে অসমৰ ১০ লেচা মাটিত এটা গুদাম ঘৰ নির্ম্মাণ কৰাৰ বিষয়ে চৰকাৰৰ দুষ্টিগোচৰ হৈছে। অসম চৰকাৰে এই বেদখল মুক্ত কৰিবৰ কাৰণে মেঘালয় চৰকাৰৰ লগত যোগাযোগ কৰিছে।

* **শ্রীঅতুল বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্রী সকল শ্বিলংলৈ অহা যোৱা কৰোতে বৰ্ণিহাটৰ নদীখনৰ ইপাৰে মেঘালয়ে এটা গুদাম ঘৰ বনোৱা দৃষ্টি গোচৰ হোৱা নাছিল নেকি? আৰু এই ঘৰতো বনাই থাকোতেই অর্থাৎ কন্সট্রাকচন চলি থাকোতেই আমাৰ চৰকাৰে বন্ধ কৰাৰ ব্যৱস্থা কিয় নললে? প্রশ্নৰ উত্তৰত মন্ত্রী মহোদয়ে কৈছে যে, মেঘালয়ৰ লগত যোগাযোগ কৰিছে। দ্বিতীয়তে আমাৰ যিবিলাক মাটি মেঘালয়, অৰুণাচল আৰু নাগালেণ্ডৰ ওচৰত আছে বা

* Speech not corrected

তেওঁলোকে দখল কৰি আছে এইটো এভেকচন কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে? কিছুমান ঠাইত মেঘালয় চৰকাৰৰ বাহিৰেও ইণ্ডিভিজুৱেলেওঁ দখল কৰিছে। গতিকে মই এটা পৰামৰ্শ দিব বিচৰিছো যে, সীমান্ত অঞ্চলত বেছি গুৰুত্ব দিব লাগে। তাৰোপৰি পানী, ৰাস্তা আদি নোহোৱাৰ বাবেও বহুতো মানুহ এই অঞ্চল বিলাকত থাকিবলৈ লৈছে। বশিষ্টৰ ওচৰত লটাকটাতো এনে হৈছে। মাননীয় মন্ত্রী জগত পাটগিৰি দেৱে যিটো উত্তৰ দিছে সেইটো স্পষ্ট হোৱা নাই আৰু মই বুজি পোৱা নাই। গতিকে তেখেতে কব লাগে যে এই মাটি যে দখল কৰিছে, উচ্ছেদ কৰাৰ কাৰণে কি ব্যৱস্থা লৈছে?

* **শ্রীজগত পাটগিৰী** (ৰাজ্যিক মন্ত্রী, সীমান্ত অঞ্চল) ঃ মেঘালয়, নাগালেণ্ড আৰু আৰুণাচল প্রদেশৰ লগত সংলগ্ন হৈ থকা আন্ত ঃ ৰাজ্যিক সীমান্তৰ মুঠ দৈর্ঘ্যহল ১৮৬১'২ কি ঃ মিঃ। ইয়াৰে অসম-মেঘালয়, অসম নাগলেণ্ড আৰু অৰুণাচল প্রদেশৰ সীমাৰ দৈর্ঘ্য যথাক্রমে ৭২৩.২ কিঃ মিঃ ৪০৪ কিঃ মি আৰু ৭০৪ কি ঃ মিঃ। অসমৰ সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে ১৯৯১-৯২ চনত ৰাজ্যিক আঁচনি আৰু ১৯৯২-৯৩ চনৰ পৰা বিকেন্দ্রীকৃত আঁচনিৰ যোগেদি ব্যৱস্থা হাতত লোৱা হৈছে। ১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ চনলৈকে অসমৰ আন্তঃৰাজ্যিক সীমান্তত উন্নয়নৰ কামৰ বাবে মুঠ ৭০৭.৯৮ লাখ টকা খৰচ কৰা হৈছে।

* **শ্রীদিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয় আন্তঃ ৰাজ্যিক সীমান্তৰ সমস্যাটো এটা গুৰুত্বপূর্ণ বিষয়। সেই কাৰণে এই বিষয়টোৰ লগত সংগতি ৰাখি অসম চৰকাৰে সীমান্ত অঞ্চল ৰক্ষাৰ বাবে দৃষ্টি দিব লাগে আৰু এই প্রশ্নটোৰ উত্তৰ মুখ্যমন্ত্রী মহোদয়ে দিলে ভাল হয়।

* **ডাঃ কমলা কলিতা** ঃ অধ্যক্ষ মহোদয়, অসমৰ স্বার্থৰ লগত জৰিত এই বিষয়টো এটা অতি গুৰুত্বপূর্ণ বিষয়। এইটো হাঁহি উৰাই দিয়া বিষয় নহয়। সেয়ে মুখ্যমন্ত্রী মহোদয়ে এই বিষয়টোৰ ওপৰত ইণ্টাৰফেয়াৰ কৰি উত্তৰ দিলে ভাল হয়।

* **শ্রীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালি কৈছো যে, আমি এই সম্পর্কে আলোচনা কৰি আছো। এইটো এটা এক্ট অৱ পার্লিয়ামেণ্ট। মেঘালয়েই হওঁক, নাগালেণ্ডই হওঁক এই ৰাজ্য বিলাক সৃষ্টি কৰাৰ সময়ত যিবিলাক এক্ট অৱ পার্লিয়ামেণ্ট মতে সকলো দিষ্ট্রিক্ট বাউণ্ডাৰি হিচাবে ঘোষণা কৰিছে। তাৰ পিচত তেওঁলোকে কার্য্যালয় পাতিছে বা পাতিবলৈ চেষ্টা কৰি আছে। আজি মেঘালয়ৰ ক্ষেত্রতো এইটো হৈছে। আমি বহুতো আলোচনা কৰিছো। বিশেষকৈ আমাৰ কামৰূপ জিলা আৰু মেঘালয়, চিলং আৰু নংপো এই জিলা কেইখনৰ লগত সীমা বিবাদ চলি আছে। এই বিলাক বন্ধ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। আমি পুলিচো লগাইছো। পর্য্যায়ক্রমে সীমান্ত এলেকাত স্কুল ঘৰ সাজিবলৈ দিয়া হৈছে। বর্ডাৰ ৰোদ কৰিবলৈ দিয়া হৈছে। তাৰ বাবে যথেষ্ট টকা লাগে। আমি এতিয়া বর্ডাৰ বিভাগ কৰিছো আৰু তাত এজন

*** Speech not corrected**

কমিচনাৰ দিছো। মেঘালয়, নাগালেণ্ড, আৰু অৰুণাচল, মণিপুৰ, মিজোৰাম এই ৰাজ্য বিলাকৰ লগত থাকি সীমান্ত এলেকা বিলাক চোৱাৰ বাবে বৰ্ডাৰ কমিচনাৰক দিয়া হৈছে। তেওঁ চিনিয়ৰ অফিচাৰ। প্ৰত্যেক ৰাজ্যৰ লগতে আমাৰ ফালৰ পৰা এছ, পি,দিয়া হৈছে। মেঘালয়ৰ কাৰণে বেলেগ, মিজোৰামৰ বাবে বেলেগ, আৰুনাচলৰ বাবে বেলেগ এই ধৰণে দিয়া হৈছে। মই জনামতে প্ৰত্যেক ৰাজ্যতে এইটো বেচি হোৱা নাই। ২/৪ টা হৈছে আগৰ দৰে ব্যাপক ভাবে মাটি দখল কৰিব পৰা নাই। তেওঁলোকে ১০ লেচা মাটি দখল কৰিছে এইটো আমাৰ লেপচ আছে আমি চাব লাগিব। কাজিয়া কৰাটো ঠিক নহয়। যিমান দূৰ পৰা যায় আলোচনা বিলোচনাৰ মাজেদি বিবাদ নিস্পত্তি কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। এতিয়া চাৰ্ভে হৈ আছে ২ বছৰৰ আগতে গোৱালপাৰা জিলাৰ লগত মেঘালয় বৰ্ডাৰৰ দিমাৰকেচনৰ কাৰণে যিটো কমিটি আছিল সেই কমিটিয়ে কাম কৰি আছে। সেয়েহে আলোচনাৰ মাজেদি সীমান্তৰ বিবাদটো ঠিক কৰিব বিচাৰিছো।

* **শ্ৰীঅতুল বৰা ঃ** অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী দেৱে কৈছে যে বৰ্ডাৰ বিলাক চোৱাৰ বাবে বৰ্ডাৰ কমিচনাৰ দিয়া হৈছে। মই ভাবো যে, সীমান্ত অঞ্চলত থকা আমাৰ এম, এল, এ, সকলোৰো এটা দায়বদ্ধাতা আছে। গতিকে এখন কমিটি কৰি দিলে ভাল হব আৰু বৰ্ডাৰ কমিচনাৰৰ লগত সেই কমিটিৰ সদস্যসকলো থাকিব।

* **শ্ৰীহিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কমিটি গঠন কৰিব পৰা হব। অৰুণাচলত অসমত যি কেইখন জিলা ওচৰত আছে সেই কেইখন জিলাৰ বিধায়ক সকলক লৈ কমিটি কৰি দিয়া হৈছে। সেইদৰে মেঘালয়ৰ বাবেও কৰা হব।

(Starred Question No. 150 to 160 could not be taken up as the Question Hour was over. However the replies of the said Questions deemed to have been disposed of)

বিষয় ঃ আয়কৰ সংগ্ৰহ।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

* ১৫০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বিগত দহ বছৰত আয়কৰ কিমান সংগ্ৰহ হৈছে আৰু তাৰ কিমান অংশ চৰকাৰে লাভ কৰিছে?

(খ) কেন্দ্ৰীয় আৰকাৰী শুল্ক আৰু কৰপবেট Tax অসমৰ পৰা সংগ্ৰহ হোৱা পৰিমান কিমান আৰু আৰকাৰী শুল্কৰ কিমান অসমে যোৱা দহ বছৰে লাভ কৰিছে? (বছৰ ভিত্তিত দাখিল কৰিব)

---

* Speech not corrected

শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা দহ বছৰত অসমত আয়কৰ আদায়ৰ তথ্য ৰাজ্য চৰকাৰৰ হাতত নাই। আৰু এইবোৰ তথ্য শিলংত থকা ভাৰত চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চলৰ আয়কৰ আয়ুক্তৰ পৰা বিচৰা হৈছে। তথ্যবোৰ এতিয়াও আহি পোৱা নাই। ভাৰত চৰকাৰে গ্ৰহণ কৰা আনুক্ৰমিক বিত্ত আয়োগৰ অনুমোদনক্ৰমে অসম চৰকাৰে ভাৰত চৰকাৰৰ পৰা ১৯৯৪-৯৫ চনলৈ পাই অহা মুঠ আয়কৰৰ অংশৰ পৰিমান প্ৰবিৱৰণৰ পৰিশিষ্ট ১ সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(খ) আৱকাৰী আৰু নিগম শুল্কৰ অসমত সংগৃহীত আদায়ৰ পৰিমানৰ বিতং তথ্য ৰাজ্য চৰকাৰৰ ঘৰত নাই। এইবোৰ তথ্য শিলঙত থকা ভাৰত চৰকাৰৰ আৱকাৰী আৰু শুল্ক বিভাগৰ প্ৰাধিকাৰী আৰু উত্তৰ-পূৰ্ব্বাঞ্চলৰ আয়কৰ আয়ুক্তৰপৰা বিচৰা হৈছে। তথ্যসমূহ এতিয়াও আহি পোৱা নাই।

কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত ১০ বছৰত (বছৰ অনুযায়ী) অসমে পোৱা কেন্দ্ৰীয় আৱকাৰী শুল্কৰ অংশখিনি প্ৰবিৱৰণৰ পৰিশিষ্ট ১ ত দেখুওৱা অনুযায়ী সদনৰ মজিয়াত দাখিল কৰা হ'ল। **(See the Annexure-I)**

Re : Promotion of Ministerial Staff.

Shri Mission Ranjan Das, asked :

* 151. Will the Minister of Finance be pleased to state :-

(a) What steps has been taken by the State Government in the matter of withdrawal of upper age limits under Rule 6 of the Assam, Taxation Service Rules, 1962 for promotion of ministerial staffs to the cadre of Inspector of Taxes under Assam Taxation Department in view of the judgement and order passed by the Honourable Guwahati High Court in Civil Rule No. 122 of 1992 dt. 21.9.94?

(b) What is the Government decision in the matter of reservation of single post on promotional stage?

(c) What steps had been taken by the State Government for providing departmental office building and staffs quarters for

the district level offices and staffs?

(d) Whether the Government will provide the Assam Taxation Depertment with adequate field staff and Departmental vehicles in the District level offices for raising its collection target?

(e) What is the Government views regarding realisation of huge amount of arrear out standing dues from the Assam Electricity Board under the Assam Electricity Duty Act?

(f) What is the Government views and what steps had been taken by the Government in the matter of elimination of evasion of Taxes by the timber, coal-dealers and fraud transporation of goods out side and inside the State of Assam through transport agencies?

Shri Jiba Kanta Gogoi (Minister, Finance) replied :

(a) In terms of the direction of the Honourable High Court the representation of the petitioner is under process of disposal.

(b) As per the provision of the Assam Scheduled Castes and Scheduled Tribes(Reservation of vacancies in service and posts) Act, 1978 and Rules made there under.

(c) Out of 73 District level offices i.e. Zonal, Unit, Recovery and Check-post offices, 13 offices are functioning in the Depertmental buildings. The Offices and Staff of the Superintendent of Taxes at Damra Check post and Boxirhat Check post have been provided with Depertmental Quarters. At fund Departmental Office buildings for all the offices and staff quarters could not be provided.

(d) Adequate field staff has deen provided. Ten numbers of depertmental vehicyes have been allotted to ten Zonal Deputy Commissioner of Taxes and one departmental vehicle has been allotted to Superintendent of Taxes (Recovery), Tinsukia. For

want of fund, it has not been possible to provide departmental vehicles in each office.

(e) The matter is pursued with the Assam State Electricity Board.

(f) The State Government have taken strict measures to check evasion of Taxes.

বিষয় ঃ আমবাৰী পানী যোগান আঁচনি।

শ্ৰীনজমুল হকে সুধিছে ঃ

* ১৫২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী সংমণ্ডল গোৱালপাৰাৰ অধীনত বগুৱান আমাবাৰী পানী যোগান আঁচনি কোন চনত অনুমোদন কৰা হৈছিল ?

(খ) উক্ত আঁচনিৰ বাবে বৰ্ত্তমানলৈকে মুঠ কিমান টকা খৰচ কৰা হৈছে জনাবনে ?

(গ) উক্ত বগুৱান আমবাৰী পানী যোগান আঁচনিৰ জৰিয়তে কিমান চনত বাইজক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰিব পাৰা হব, সদনক জনাবনে ?

(ঘ) উক্ত সংমণ্ডলৰ অধীনত কনিষ্ঠ অভিযন্তা শ্ৰীমোশাৰফ হুচেইন একেটা Sectionত ১৬ বছৰ ধৰি থকা সচাঁনে ?

(ঙ) উক্ত কনিষ্ঠ অভিযন্তা জনক ইতিমধ্যে কিমানবাৰ বদলি কৰা হৈছে আৰু কিমান স্থগিত কৰা হৈছে জনাবনে ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৭৮ চনত।

(খ) ১৯৯৫ চনৰ জুলাই মাহলৈকে মুঠ ৮,৭০,৫৮৯.০০ টকা খৰচ কৰা হৈছে।

(গ) ১৯৮৩ চনৰ মাৰ্চমাহৰ পৰা গভীৰ নলীনাদৰ যোগেদি পোনপটীয়াকৈ পানী যোগান ধৰা হৈ আছে। আঁচনিখনৰ সকলো কাম চলিত বিত্তীয় বছৰতে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) সঁচা নহয়।

(ঙ) দুৱাৰ বদলি কৰা হৈছিল আৰু এবাৰ স্থগিত কৰা হৈছে।

বিষয় ঃ J.R.Y. আঁচনি ৰূপায়ণ ঃ

শ্রীমিলন ৰড়ৈহি সুধিছে ঃ

*১৫৩। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯০-৯১ আৰু ১৯৯১-৯২ বিত্তীয় বছৰ দুটাৰ বাবে অনুমোদিত (approved) Annual Action Plan অনুসৰি বৰপেটা জিলা গ্রামীণ বিকাশ সংস্থাৰ অন্তর্গত ৮ (আঠ) টা খণ্ড উন্নয়নৰ J.R.Y. ৰ আঁচনি ৰূপায়নৰ বাবে কিমানটা Hume Pipe ৰ প্রয়োজন আছিল আৰু তেতিয়াৰ প্রকল্প সঞ্চালকজনে প্রকৃততে মুঠ কিমান মূল্যৰ ও কিমানটা Hume Pipe কিনিছিল জনাবনে ?

(খ) উক্ত Hume Pipe কোন খণ্ড উন্নয়ন কার্য্যালয়ত কিমানটাকৈ যোগান ধৰা হৈছিল আৰু প্রতিখন কার্য্যালয়ত যোগান ধৰা Hume Pipe ৰ মুল্য কিমান আছিল বিতং তালিকা সহ জনাবনে ?

(গ) ১৯৯২-৯৩,৯৩-৯৪,৯৪-৯৫ বিত্তীয় বছৰ কেইটাৰ বাবেও বৰপেটা জিলা গ্রামীণ বিকাশ সংস্থাই J.R.Y. আৰু E.A.S. আঁচনিৰ বাবে Hume Pipe কিনিছিল নেকি ?

(ঘ) যদি কিনিছিল তেনেহলে কিমান মুল্যৰ ও মুঠ কিমানটা কিনা হৈছিল বিতং তালিকা সহ জনাবনে ? আগতে কোন খণ্ড উন্নয়নত কিমানকৈ যোগান ধৰা হৈছিল তাৰ তালিকা সদনত দাখিল কৰিবনে ?

শ্রীনগেন নেওঁগ (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯০-৯১ চনৰ বাবে নির্দ্দিষ্ট সময়ত খণ্ড উন্নয়ন কার্য্যালয়ৰ পৰা requisition পোৱা হোৱা নাছিল। গতিকে মুঠ ১৩৫৩ টা Hume Pipe মুঠ মূল্য ১৬,৮৯,১০৬.০০ টকাত কিনা হৈছিল। ইং ১৯৯১-৯২ চনত হিউম পাইপ কিনা হোৱা নাছিল।

(খ) মুঠ ৮টা Block ৰ ভিতৰত ৭টা Block ৰ বাবে ১৬৮টা Hume Pipe মুঠ ২,০৮,৫৮৬.০০ টকা দিয়া হৈছিল। গোৱৰ্দ্ধনা ৰ বাবে ১৭৭ টা মুঠ মুল্য ২,২৩,০০১.০০ টকা যোগান ধৰা হৈছিল।

(গ) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত Hume Pipe কিনা হোৱা নাছিল। ১৯৯৪-৯৫ বৃত্তীয় বছৰত JRY আৰু EAS ৰ বাবে Hume Pipe কিনা হৈছিল।

(ঘ) মুঠ ১০২ টা মুঠ মুল্য ২,৬৯,৭৫৮.০০ টকাৰ বাবে কিনা হৈছিল। বিতং তালিকা তলত দিয়া হ'ল।

গোৱৰ্দ্ধনা (J.R.Y.) ৮১টা

জালাহ (E.A.S.) ১৮টা

(J.R.Y) ৩টা

আগতে যোগান ধৰা Hume Pipe ৰ সংখ্যা আৰু মুল্য '(খ)'ত দিয়া হৈছে।

বিষয় ঃ উন্নয়ন মুলক আঁচনি।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

* ১৫৪। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৪-৯৫ চনৰ এম, এল, এ আৰু এম, পি সকলৰ এৰিয়া ডেভেলেপমেণ্ট পূজিৰে তিনিচুকীয়া জিলাত কি কি উন্নয়ন মূলক আঁচনিৰ কাম কার্য্যকৰী কৰা হ'ল?

(খ) এই টকাখিনি কোন শিতানত ৰখা হৈছে, বেংকত যদি আছে একাউণ্ট নং দিব?

শ্রীনগেন নেওঁগ (গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পৰিশিষ্ট (ক) ত গাঠি দিয়া হল। **(See the Annexure II)**

(খ) উক্ত টকাখিনি এম পি এৰিয়া শিতানত উপায়ুক্ত আৰু প্রকল্প সঞ্চালকৰ যুটীয়া একাউণ্টত তিনিচুকীয়া ষ্টেট বেংকঁ শাখাত ৰখা হৈছে।

বেংকঁ একাউণ্টৰ নম্বৰ সমূহ তলত দিয়া হল ঃ—

(১) চি/১/১৩৮৭৪/চি

(২) চি/১/৯৫০৬/চি

বিষয় ঃ ই, এ, এচ, আঁচনি।

ডাঃ কমলা কলিতাই সুধিছে ঃ

*১৫৫। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন সমষ্টিৰ ই, এ, এচ ব্লক সমূহৰ ই, এ, এচ, আঁচনি সমূহ নির্বাচন কেনে ধৰণে কৰা হৈছে?

(খ) আঁচনি সমূহৰ নির্বাচন কৰোতে স্থানীয় বিধায়ক সকলক দায়িত্ব দিয়া হৈছে নে?

(গ) যোৱা বাজেট অধিবেশনত মাননীয় মুখ্যমন্ত্রীয়ে আঁচনি সমূহ নির্বাচন কৰোতে স্থানীয় বিধায়ক সকলক জড়িত কৰাৰ বাবে নির্দেশ দিয়া হব বুলি কৈছিল, তেনে নির্দেশ দিয়া হৈছে নে নাই?

শ্রীনগেন নেওঁগ (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰৰ নিশ্চিত নিয়োগ আঁচনিৰ নির্দ্দেশাবলীৰ মৰ্ম্মে কৰা হৈছে।

(ঘ) নির্দ্ধাৰিত আঁচনি বাছনি প্রক্রিয়াত এনে ধৰণৰ কোনো ব্যৱস্থা নাই।

(গ) যিহেতু মাননীয় বিধায়কসকল Governing Body ৰ সদস্য বিধায়কসকলে নিশ্চয় পৰামর্শ দিব পাৰে।

বিষয় ঃ ধুবুৰী ডি আৰ ডি এলৈ টকা আৱণ্টন

মোঃ মহিবুল হকে সুধিছে ঃ

* ১৫৬। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা চাৰিটা বছৰত ধুবুৰী ডি, আৰ, ডি, এ, বিভাগত বিভিন্ন শিতানত সর্বমুঠ কিমান টকা আৱণ্টন দিয়া হৈছে, বছৰ ভিত্তিত জনাবনে?

(খ) ইয়াৰে কিমান টকা কোন কোন শিতানত খৰচ কৰা হল আৰু কিমান টকা খৰছ নোহোৱাকৈ আছে, জনাবনে?

(গ) যোৱা চাৰিটা বছৰৰ ডি, আৰ, ডি; এ, ২০% টকাৰ পৰিমণৰ কিমান আৰু উক্ত টকা কোন কোন সমষ্টিৰ কোন কোন আঁচনিত খৰছ কৰা হৈছে, ইয়াৰ এটা তালিকা দিবনে?

(ঘ) এডমিনিচট্রেতিভ কনটিজেনচি বা তেনে ধৰণৰ কিবা কাটি ৰখা হয়নে? যদি হয়, যোৱা ৪ টা বছৰত সেই টকাৰ পৰিমান কিমান?

(ঙ) সেই টকা আচুতীয়া অৱস্থাত আছেনে খৰচ কৰা হৈছে? যদি হৈছে তেন্তে কত আৰু কেনেকৈ কৰা হৈছে, এটা প্রতিবেদন দিবনে?

শ্রীনগেন নেওঁগ (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পৰিশিষ্ট 'ক'ত বছৰ ভিত্তিত জনোৱা হ'ল। **(See the Annexure III)**

(খ) পৰিশিষ্ট 'খ'ত জনোৱা হ'ল। **(See the Annexure IV)**

(গ) পৰিশিষ্ট 'গ'ত দেখুৱা হ'ল। উক্ত টকা উন্নয়ণ খণ্ডৰ জৰীয়তে কি কি আঁচনিত খৰচ কৰিছে তাৰ তালিকা পৰিশিষ্ট 'ঘ'ত দেখুৱা হ'ল। (See the Annexure V)

(ঘ) ডি, আৰ, ডি, এ পর্য্যান্ত আঁচনিৰ মুঠ টকাৰ পৰা Schematic Contingency হিচাপে ৩% লৈ কাটি ৰাখিব পাৰে। **(See the Annexure VI)**

(ঙ) বিভিন্ন আঁচনি ৰূপায়ণ কৰোতে প্রয়োজনীয় সামগ্রীৰ পৰিবহন, আঁচনিৰ প্রাক্কলন আদি বনোৱা ইত্যাদি যাৱতীয় খৰচ এই ধনৰ পৰা ব্যৱহাৰ কৰা হয়।

Re : EXCISE CHECK POST.

Shri Parameswar Brahma asked :

* 157. Will the Chief Minister be pleased to state :

(a) Why Independent Excise Check Post had not been set up at Srirampur?

(b) Will it be opened soon?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) An Integrated Check-Post for all State Enforcing Authorities is more efective specially with reference to Law and Order Problem. However since, 1-7-95 the State Excise Depertment have set-up an Excise counter at Srirampur Check Gate without erecting any independent barrier.

(b) This arrangement may continue for some time.

বিষয়ঃ পানী যোগান কেন্দ্র স্থাপন।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছেঃ

* ১৫৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনৰ পানী যোগান আঁচনিৰ অধীনত কিমানটা পানী যোগান কেন্দ্র স্থাপন কৰা হ'ল? ৰাজ্যখনৰ মুঠ পানী যোগান কেন্দ্রৰ সংখ্যা কিমান? ৰাজ্য চৰকাৰে এই পানী যোগান আঁচনি সম্প্রসাৰণৰ ক্ষেত্রত চৰকাৰে নতুন আঁচনি গ্রহণ কৰিছে নেকি?

(খ) ৰাজ্য চৰকাৰৰ পানী যোগান আঁচনিৰ অধীনত ধেমাজী জিলাত কিমানটা পানী

যোগান কেন্দ্র স্থাপন কৰা হ'ল ? এই সকলোবোৰ কেন্দ্র বর্ত্তমান সচল হয় নে নহয় ৰাজ্য চৰকাৰৰ জ্ঞাত নে ? যদি নহয় ধেমাজী জিলাত অচল হৈ থকা কেন্দ্রৰ সংখ্যা কিমান ?

শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পানী যোগান কেন্দ্র স্থাপন সংখ্যা = ২,৮৮০টা । ৰাজ্যখনৰ মুঠ পানী যোগান আঁচনিৰ সংখ্যা = ৩,৩৩৮টা,হয়, কৰা হৈছে।

(খ) ৭৪ টা পাইপ পানী যোগান আঁচনি, ৫২৩৫ টা হস্তচালিত নলী নাদ, ১২১ টা পকীকুৱা, ৯৫ টা মান -২- পাম্প যুক্ত নলী নাদ আৰু ৪ টা তাৰাপাম্প যুক্ত নলীনাদ স্থাপন কৰা হৈছে।

হয়, জ্ঞাত।

বর্ত্তমান ১১টা পানী যোগান আঁচনি, ৩৬৭ টা নলীনাদ, ২ টা পকী কুৱা আৰু ২২টা মাক -২- যুক্ত নলীনাদ অচল হৈ আছে।

বিষয় ঃ অবৈধ কাঠ পাচার।

শ্রীৰাম প্যাৰে ৰবিদাস জিজ্ঞাসা কৰছেন ঃ

*১৫৯। মাননীয় বন বিভগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ঃ

(ক) করিমগঞ্জ জিলার রাতাবাড়ী সমষ্টির অন্তর্গত বিভিন্ন ফরেষ্ট রিজার্ভ এলাকা থেকে কাঠ চোরা কারবারীরা শাল, সেগুন, ইত্যাদি গাছ অবৈধ ভাৱে কেটে বিভিন্ন স্থানে পাচার (চাপ্লাই) করছে সরকার এই ব্যাপারে আবগত আছেন কি ?

(খ) যদি আচেন বিভাগীয় কর্ত্তৃপক্ষের বিরুদ্ধে কোন ব্যৱস্থা নিয়েচেন কি ? যদি না, কেন ?

(গ) বিগত ১৯৯১,৯২,৯৩,৯৪, ও ৯৫ ইংৰাজীতে রাতাবাড়ীর বিভিন্ন ফরেষ্ট গেটে কত পরিমাণ চি এফ টি চোরাই কাঠ জব্দ (চীজ) করা হয়েছে ? তারিখ সহ বিস্তারিত তথ্য জানাবেন ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত আছে।

(খ) এতিয়ালৈ কোনো বিষয়া উক্ত অবৈধ কার্য্যত জড়ীত থকাৰ প্রমাণ নোপোৱা বাবে শাস্তিমূলক ব্যৱস্থা লোৱা হোৱা নাই।

(গ) ১৯৯১চনৰ পৰা ১৯৯৫ চনলৈকে ৭৪.০৬৬ কিউবিক মিঃ চেগুন আৰু ০.২৮৮ কিউবিক মিঃ অনাচেগুন কাঠ জব্দ কৰা হৈছে।

	চেগুন		অনাচেগুন
১৯৯১-৯২ =	২৪.৭২০	কিউবিক মিঃ —	০.২৪৮ কিঃ মিঃ
১৯৯২-৯৩ =	২.২৫১	„ —	নাই
১৯৯৩-৯৪ =	২৫.৫৬৯	„ —	নাই
১৯৯৪-৯৫ =	২১.৫২৬	„ —	নাই

Re : Indo-Australian live stock farm, Barpeta.

শ্রীনিজামুদ্দিন খান আৰু শ্রীমিলন বড়োয়ে সুধিছে ঃ

* ১৬০। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ-

(ক) বৰপেটা জিলাত ১৯৭৩-৭৪ চনত ৪৬০ একৰ মাটিত স্থাপন কৰা ইণ্ডো অষ্ট্রেলিয়াৰ লাইভ্ ষ্টক্ ফার্ম, বৰপেটা খনৰ বৰ্ত্তমান শোচনীয় ও ধ্বংসমুখী অৱস্থাটোৰ বিষয়ে চৰকাৰ অবগতনে ?

(খ) যদি অৱগত হয়, তেনেহ'লে উক্ত ফার্মখনে সম্মুখীন হৈ অহা সমস্যা সমূহ বিশেষকৈ মেইনটেনেঞ্চৰ বাবে বিভাগৰ পৰা পাব লগা আর্থিক অনুদানখিনি মোকলাই দিয়াৰ ব্যৱস্থা লোৱা হৈছেনে ? আৰু ১৯৮৭-৮৮ বিত্তীয় বছৰৰ পৰা ১৯৯৪-৯৫ বিত্তীয় বছৰলৈ কিমান ধন আৱণ্টন কৰা হৈছিল আৰু ইয়াৰে কিমান ধন মোকলাই দিয়া হ'ল। বিতং তথ্য সহ জনাবনে ?

(গ) কর্তৃপক্ষই ১৯৮৮ চনৰ জুন মাহৰ পৰা ১৯৯৩ চনলৈ মাৰ্চ মাহৰ ভিতৰত গাখীৰ বিক্রী কৰি পোৱা ১৭.১৭ লাখ টকাৰ ভিতৰত ১৪.৯৯ লাখ টকাহে চৰকাৰৰ একাউণ্টত জমা কৰাটো সত্য নেকি ?

(ঘ) উক্ত ফার্মখনৰ আৱস্থাটো শোচনীয় ও ধ্বংসৰ পিনে গৈ থকা অৱস্থাটো মেইনটেনেনচৰ সলনি এষ্টাব্লিছমেণ্ট শিতানতহে বেচি পৰিমানে খৰচ কৰাৰ অর্থটো কি ?

শ্রীজগন্নাথ সিন্‌হা (মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটাত থকা ইণ্ডো-অষ্ট্রেলিয়ান লাইভ ষ্টক ফার্মখন বৰ্ত্তমান শোচনীয় আৰু ধ্বংসমুখী হৈ থকা নাই।

(খ) বৰ্ত্তমান ৰাজ্যখনৰ আর্থিক অৱস্থালৈ লক্ষ্য ৰাখি পার্য্যমানে ধন মোকলাই দিয়া হৈছে।

১৯৮৭-৮৮ বিত্তীয় বছৰৰ পৰা ১৯৯৪-৯৫ বিত্তীয় বছৰ পর্য্যন্ত আৱণ্টিত, আৰু খৰচৰ হিচাব সংযোজিত প্র-পত্রত দিয়া হ'ল। (See the Annexure-VII)

(গ) হয়।

(ঘ) ফার্মখনৰ অৱস্থা আৰু শোচনীয় আৰু ধ্বংসৰ পিনে গৈ থকা কথাটো সত্য নহয়। Establishment শিতানত আদায় দিবলগীয়া কর্মচাৰীসকলৰ দা-দৰমহাৰ পৰিমান কমাব পৰা নেযায়। গতিকে, এই শিতানত তুলনামুলক ভাৱে অধিক ধন খৰচ কৰাৰ অভিযোগ সঁচা নহয়।

Short Notice Questions And Answers

Mr. Speaker: Question Hour is over. Now Short Notice Question No. 7, Questioner Shri Dhruba Kumar Sen.

বিষয় ঃ ধুবুৰী পৌৰ সভাৰ ৰাস্তাঘাট আদিৰ মেৰামতি।

উক্ত অৰ্থখিনি পৌৰ সভাৰ অধীনস্থ নলা, ৰাস্তা, বাছ আস্থান আৰু কালভাৰ্ট আদিৰ উন্নয়নৰ কামত ব্যয় কৰা হয়।

(খ) যোৱহাট পৌৰ সভাৰ কার্য্যবাহী বিষয়া গৰাকী আৰু স্বাস্থ্য বিষয়া গৰাকী প্ৰতি নিযুক্তি (deputation) এই দুজনৰ বাদে এই পৌৰ সভাত সৰ্বমুঠ ২০৩ জন কর্মচাৰী আছে। তাৰে ভিতৰত ঃ

স্থায়ী কর্ম্মচাৰী ঃ- ৮১ জন

অস্থায়ী কর্ম্মচাৰী ঃ- ৬২ জন

মাষ্টাৰ ৰোলৰ কর্ম্মচাৰী ঃ- ৬০ জন

সেইসকল কর্ম্মচাৰী মাহিলী দর্ম্মহাৰ বাবদ ৪,৬৭,০০০.০০ টকা ব্যয় কৰিব লগা হয়।

(গ) যোৱহাট পৌৰ সভাই বছৰি বিভিন্ন শিতানত সংগৃহীত কৰৰ পৰিমাণ এনেধৰনৰ ঃ

১। সম্পত্তি কৰ (Property Tax) বছৰেকীয়া - ২১,০০,০০০.০০ টকা

২। ব্যৱসায়িক অনুজ্ঞাপত্ৰ (Trade Licences) - ৫,০০,০০০.০০ টকা

৩। বজাৰৰ পৰা সগৃহীত (Revenue for market) - ২৪,০০,০০০.০০ টকা

৪। সা-সম্পত্তিৰ পৰা সংগৃহিত (Rent from properties) -৫,০০,০০০.০০টকা

মুঠ = ৫৫,০০,০০০.০০ টকা

(প্ৰতি মাহে ৪,৫৮,০০০.০০)

তাৰ পৰিমাণত পৌৰ সভাৰ কর্ম্মচাৰী দা-দর্ম্মহা, গাড়ীৰ ইন্ধন, পানী বিশুদ্ধকৰন আদিৰ বাবদ মাহেকত খৰছ হয় ৪,৯০,০০০.০০ টকা

(Unstarred Question No. 341 was Postponed)

বিষয় ঃ খণ্ড উন্নয়ন কার্য্যালয়।

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম আৰু শ্ৰীমিলন বড়োয়ে সুধিছে ঃ

৩৪২। মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন খণ্ড উন্নয়ন কার্য্যলয় আছে আৰু ইয়াৰে কিমানখনক EAS খণ্ড উন্নয়ন হিচাবে ধার্য্য কৰা হ'ল বিতং তালিকা সহ জনাবনে?

(খ) প্ৰতিখন খণ্ড উন্নয়ন কার্য্যালয়ৰ অধীনত কিমানটাকৈ পঞ্চায়ত আছে তালিকা সহ জনাবনে?

(গ) উক্ত EAS Block সমূহত ধন আবণ্টন কৰাৰ ক্ষেত্ৰত পঞ্চায়তৰ সংখ্যা ও জনসংখ্যাৰ ওপৰত ভিত্তি কৰি দিয়া হয় নে নহয়?

(ঘ) যদি হয়, তেনেহলে কি কাৰণত বেছি পঞ্চায়ত ও জনসংখ্যা থকা খণ্ড উন্নয়ন সমূহৰ সৈতে কম পঞ্চায়ত ও কম জনসংখ্যা থকা খণ্ড উন্নয়ন সমূহেও সম পৰিমানৰ ধন আৱণ্টন পাইছে জনাবনে?

শ্ৰীনগেন নেওগ (গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২১৮ টা উন্নয়ন খণ্ড আছে।
১৪২ টা উন্নয়ন খণ্ডত ই, এ, এচ আচনি আছে।

(খ) প্ৰতিখন খণ্ড উন্নয়ন কাৰ্য্যলয়ৰ অধীনত পঞ্চায়তৰ তালিকা পৰিশিষ্ট 'খ'ত দিয়া হল।

(গ) নহয়।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ জৱাহৰ ৰোজগাৰ আঁচনি।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৩৪৩। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৫-৯৬ চনৰ বিত্তীয় বৰ্ষত জৱাহৰ ৰোজগাৰ আঁচনিৰ অধীনত কিমান টকা কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ আবণ্টন দিছিল?

(খ) ৰাজ্য চৰকাৰে এই ধন বাননিয়ন্ত্ৰন বান্ধ নিৰ্ম্মাণ ও মেৰামতি, দলং ও কালভাৰ্ট, সামাজিক অথবা ৰাজহুৱা ভৱন নিৰ্ম্মাণত খৰচ কৰা ধনৰ পৰিমাণ সুকীয়া সুকীয়াকৈ জিলা ভিত্তিত তালিকা দাখিল কৰিব?

(গ) আৱণ্টিত ধনৰ কিমান অংশ ধেমাজি জিলাত খৰচ কৰা হ'ল আৰু কোন কোন বিভাগত খৰচ কৰা হ'ল এখন তালিকা দাখিল কৰিব?

শ্ৰীনগেন নেওঁগ (গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰে ১০৩৪২.০১ লাখ টকা আৱণ্টন দিছে।

(খ) আঁচনি সমূহৰ বাছনি জিলাত কৰা হয়।

(গ) ধেমাজি জিলালৈ ধন সমুহ বিভিন্ন আঁচনিৰ জৰিয়তে খৰচ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। খৰচ কৰিবলগীয়া আঁচনি সমূহ পৰিশিষ্ট 'ক' ত গাঠি দিয়া হল।

বিষয় ঃ-গ্রামিন উন্নয়ন পরিকল্পনা।

শ্রীরাম প্যারে রবিদাস জিজ্ঞাসা করছেন ঃ

৩৪৪। মাননীয় গ্রাম্য উন্নয়ন বিভাগর মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ-

(ক) করিমগঞ্জ জিলাৰ রামকৃষ্ণ নগর ও দুর্লভছড়া উন্নয়ন খণ্ডে (Block).ঃ বিগত ১৯৯১-৯২, ৯২-৯৩,৯৩-৯৪,৯৪-৯৫ ইংরাজীতে D.R.D.A. Share ও M.W.S.এর অধীনে কি কি উন্নয়ন পরিকল্পনা বাস্তবায়িত হয়েছে? কোন Scheme এর Against এ কত টাকা খরচ হয়েছে বিস্তারিত তথ্য জানাবেন?

(খ) Complete ও incomplete Schme গুলির তালিকা সদনে দাখিল করবেন কি?

শ্রীগৌতম রয় (গ্রাম্য উন্নয়ন বিভাগের রাজ্যিক মন্ত্রী)য়ে উত্তর দিছেন ঃ

(ক) বিস্তারিত তথ্য পরিশিষ্ট 'ক'ত দেওয়া হয়েছে।

(See the Annexure-XVI)

(খ) সকল Scheme Complete করা হইয়াছে।

বিষয় ঃ চোৰাং কাঠ জব্দ।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

৩৪৫। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১ চেপ্তেম্বৰলৈ কিমান চোৰাং কাঠ জব্দ কৰা হৈছে?

(খ) জব্দ কৰা চোৰাং কাঠৰ পৰা চৰকাৰী ভাবে বিক্রী কৰা হৈছে নে ?

(গ) যদি হৈছে, পৰিমাণ কিমান আৰু কি দামত কি পদ্ধতিত বিক্রী কৰা হৈছে?

(ঘ) জব্দ কাঠৰ পৰা চোৰাং ভাবে কাঠ নোহোৱাৰ অভিযোগ সত্যনে?

(ঙ) এই সম্পর্কত তদন্ত কৰি বিহিত ব্যৱস্থা লৱনে?

শ্রীহিতেশ্বৰ শইকীয়া(মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৯৮,৪৬৭.৯৫২ ঘঃ মিঃ

(খ) হৈছে।

(গ) মুঠ ৮৩,৬০৫.০৬০ ঘণ মিটাৰ পৰিমাণৰ কাঠৰ মূল্য ১৬,৯০,১৯,৭৯০.০০ টকাত নিবিদা আৰু অনুজ্ঞাপত্ৰৰ যোগে বিক্ৰী কৰা হৈছে।

(ঘ) চাৰিটা বন সংমণ্ডলৰ পৰা কিছু কাঠ দুস্কৃতিকাৰীৰদ্বাৰা চুৰি হোৱাটো সত্য।

(ঙ) লোৱা হব।

বিষয় ঃ বিশুদ্ধ জলের ব্যৱস্থা ।

শ্রীচিত্তেন্দ্র নাথ মজুমদারে জিজ্ঞাসা করেছেন ঃ

৩৪৬। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি পৌর এলেকায় অনেক গলিতে পানীয় জল সরবরাহ করা হয় নাই, সরকার অৱগত কি?

(খ) ঐ সব গলিতে পানীয় জলের কোন ব্যৱস্থা নাই, মন্ত্রী মহাশয় অৱগত কি? সবারু জন্য বিশুদ্ধ পানীয় জল কথাটোৰ মুল্য বোধে ঐ সব গলিতে বিশুদ্ধ পানীয় জলের ব্যৱস্থা করবেন কি?

(গ) আগামী দুর্গা পূজার পূর্বে পানীয় জলের ব্যৱস্থা করা সম্ভৱ কি?

শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী)য়ে উত্তর দিছেন ঃ

(ক) অৱগত।

হাইলাকান্দি পৌর এলেকায় শুদ্ধমাত্র নিম্ন লিখিত পাঁচটি নতুন গলিতে পাইপ লাইন না থাকার দরুন বিশুদ্ধ পানীয় জল সরবরাহ হয়, নাই।

১। হাইলাকান্দি মহিলা কলেজর পাশের গলি।

২। চক্রবর্ত্তী রোড বাইলেন ।

৩। নবগোপাল বাইলেনের এক অংশ (৩০০ শত মিঃ)

৪। ধেনা সিং এর ওর্য়াকশর্পএর সন্নিহিত গলি।

৫। শিরিসপুর রোড এ ননীধরের বাড়ীর পার্শ্ববর্ত্তী গলি।

(খ) অৱগত।

যিহেতু হাইলাকান্দি জলসরবরাহ প্রকল্প পৌর প্রশাসন বিভাগের হাইলাকান্দি পৌর সভার অধীনে সেই হেতু উক্ত বিভাগ বা পৌর সভার অনুমোদন ও আর্থিক আৱণ্টন পাওযার পরাই সমস্ত গলি গুলিতে বিশুদ্ধ পানীয় জল সরবরাহ করা সম্ভৱপর হবে।

(গ) অসম্ভৱ।

বিষয় ঃ সংৰক্ষিত বনাঞ্চলৰ মাটি কালি।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে ঃ

৩৪৭। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটি কালি কিমান ?

(খ) বিগত ১০ বছৰত সংৰক্ষিত বনাঞ্চলৰ মুঠ কিমান অংশ হ্রাস পাইছে আৰু কাৰণ কি ? (বছৰ ভিত্তিত তথ্য দাখিল কৰিব)

(গ) এই সংৰক্ষিত বনাঞ্চল বেদখলৰ পৰিমাণ কি ? (বিগত ১০ বছৰৰ তালিকা দাখিল কৰিব)

শ্রীহিতেশ্বৰ শইকীয়া(মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিৰ কালি হ'ল ১৮,২৪,২২৪.০০ হেক্টৰ।

(খ) বিগত ১০ বছৰত সংৰক্ষিত বনাঞ্চলৰ মাটি হ্রাস পোৱা নাই।

(গ) এই সংৰক্ষিত বনাঞ্চলৰ ২,১৯,২০৯.৩৪ হেক্টৰ মাটি বেদখল আছে। বিগত ১০ (দহ) বছৰত বেদখলী মাটিৰ পৰিমাণ ঃ-

১৯৮৫ চনত = ২,০৭,৬৮৯.৩২ হেক্টৰ।

১৯৯৫ চনত = ২,১৯,২০৯.৩৪ হেক্টৰ।

বিষয় ঃ ডি আৰ ডি এৰ চিমেণ্ট ক্রয়।

শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম আৰু শ্রীক্ষীৰেণ বৰগয়াৰীয়ে সুধিছে ঃ

৩৪৮। মাননীয় গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯৪-৯৫ চনৰ কোকৰাঝাৰ জিলা ডি আৰ ডি এৰ আঁচনিত ধার্য্য কৰা কামবিলাকক কার্য্যকৰী কৰিবৰ কাৰণে চম্পাবতী জলসিঞ্চনৰ কোকৰাঝাৰ ডিভিজনৰ গুদামৰ পৰা চিমেণ্ট কিনা কথাটো সঁচানে ?

(খ) যদি সচা হয়, তেন্তে কিমান বেগ কিনা হৈছে আৰু কিনিবলৈ কেনেকৈ কেতিয়া আৰু কোনে সিদ্ধান্ত লৈছিল জনাবনে ?

(গ) চম্পাবতী জলসিঞ্চনৰ কোকৰাঝাৰ ডিভিজনৰ গুদামত কিমান বছৰ ধৰি ব্যৱহাৰ নকৰাকৈ থৈ দিয়া হৈছিল তাৰ সময় সীমা জনাবনে ?

(ঘ) ক্রয় কৰা চিমেণ্টবোৰ ব্যৱহাৰৰ উপযোগী হয় নে নহয় তাক পৰীক্ষা কৰা হৈছিল নে নাই।

(ঙ) যদি পৰীক্ষা কৰা হৈছিল তেন্তে কোন নিৰিক্ষকে পৰীক্ষা কৰিছিল তেওঁৰ নামটো প্রমান পত্র সহ জনাবনে ?

শ্রীনগেন নেওঁগ (গ্রম্য উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) হয়, ৪৯১৩বস্তা কিনা হৈছে আৰু এই সিদ্ধান্ত কোকৰাঝাৰ জিলা অভিকৰণে গ্রহণ কৰিছিল।

(গ) কোকৰাঝাৰ ডি আৰ ডি এ লৈ আৱণ্টিত চিমেণ্ট ১৯৯২ চনৰ মার্চ মাহৰ পৰা গুদামত ৰখা হৈছিল।

(ঘ) হয়, পৰীক্ষা কৰা হৈছে।

(ঙ) জলসিঞ্চনৰ বিভাগীয় কর্ত্তৃপক্ষ আৰু কোকৰাঝাৰ জিলা অভিকৰণৰ সহকাৰী প্রকল্প বিষয়া।

Re : Master Plan for Rangia Town.

Shri Thaneswar Boro asked :

349. Will the Minister of Town and Country Planing be pleased to state:-

(a) Is there a Master Plan for Rangia Town? If so, what is the area covered by the Master Plan?

(b) If so, is there any proposal for this plan?

Shri Anjan Dutta (Minister of State T. & C. P.) replied :

(a) Yes, the area covered by the Master Plan is 5.7 square Kilometre.

(b) Does not arise.

বিষয় ঃ ইন্দিৰা আবাস যোজনা।

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

৩৫০। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ-

(ক) ইন্দিৰা আবাস যোজনাৰ অধীনত নিৰ্বাচিত ঘৰ সমূহৰ (১৯৯৪-৯৫) লৈ কাম সম্পূর্ণ কৰা হৈছেনে ?

(খ) যদি হোৱা নাই, তাৰ কাৰণ কি ?

(গ) ঘৰ সমূহৰ কাম সম্পূর্ণ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্রীনগেন নেওঁগ (গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্য খনত ১৯৯৪-৯৫ চনলৈ ইন্দিৰা আবাস যোজনাৰ অধীনত নির্ৰাচিত ঘৰ সমূহৰ বিপৰীতে ৭৩০ টা ঘৰৰ কাম সম্পূর্ণ হোৱা নাই।

(খ) হিতাধিকাৰীৰ বাসস্থানলৈ যাতায়তৰ অসুবিধা আৰু বানপিৰীত অঞ্চললৈ সময় মতে নির্ম্মান সামগ্রী যথাস্থানত যোগান দিব নোৱাৰাৰ কাৰণ বশতঃ ৭৩০ টা ঘৰৰ কাম সম্পূর্ণ হোৱা নাই।

(গ) অসম্পূর্ণ ঘৰ সমূহৰ কাম সম্পূর্ণ কৰাৰ ব্যৱস্থা ইতিমধ্যে গ্রহণ কৰা হৈছে।

Re : Water Scheme.

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেন ঃ

৩৫১। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) মধ্য হাইলাকান্দি নির্বাচন চক্রে কোন কোন Pipe Line Water Scheme প্রতি দিন পানীয় জল সরবরাহ করা হয় ? নাম সদনে দাখিল করবেন কি ?

(খ) কোন কোন Pipe Line Water Scheme এ সপ্তাহে ৩ দিনে পানীয় জল সরবরাহ করা হয় ? কারণ কি ?

(গ) সরকার গরীব গ্রাম্য জনসাধারণের জীবন রক্ষার জন্য প্রতি দিন পানীয় জল সরবরাহ করার ব্যবস্থা করবেন কি ?

শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী)য়ে উত্তর দিছেঃ

(ক) মধ্য হাইলাকান্দি নির্বাচন চক্রে নিম্ন লিখিত Pipe Water Supply Scheme এ প্রতিদিন একবার করিয়া পানী য় জল সরবরাহ করা হয়।

১ : নিতাই নগর।

২। রাঙ্গাউটি

৩। বাহাদুরপুর

৪। নিশ্চিন্তপুর

৫। মাটিজুরী

৬। ডিছিংছা

(খ) নিম্ন উল্লেখিত Pipe Water Supply Scheme এ সপ্তাহে ৩ দিন পানীয় জল সরবরাহ করা হয়।

১। রাজেশ্বরপুর ২ য় খণ্ড

২। রাউয় পুর ঘাট

৩। নিমাইচান্দ পুর

৪। নুজ্যশ্বর পুর ৪ র্থ খণ্ড

৫। বড় হাইলাকান্দি

৬। সুদর্শনপুর

৭। নিত্যানন্দ পুর

৮। কালাছটা

পরিকল্পনা বহির্ভূত (Non-Plan) যাতে আর্থিক অভাৱহেতু প্রয়োজনীয় সামগ্রী যথা রাসায়নিক সামগ্রী, ডিজেল, ইত্যাদি যোগান ব্যহত হওযায়, সীমিতভাৱে পানীয়জল সরবরাহ করা হইতেছে।

(গ) আর্থিক অৱস্থার উন্নতি সাপেক্ষে নিয়মিতভাবে প্রতিদিন পানীয় জল সরবরাহ করা হবে।

বিষয় ঃ খোৱা পানী যোগান।

শ্রীমহেন্দ্র বড়াই সুধিছে ঃ

৩৫২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

তিতাবৰ সমষ্টিত কিমান গাওঁত কোন স্থানত কি প্রকাৰে খোৱা পানী যোগানৰ ব্যৱস্থা চৰকাৰে কৰিলে? তিতাবৰ সমষ্টিত কিমানটা গভীৰ নলীনাদ আচঁনি আছে। কিমানটা আঁচনি কার্য্যক্ষম অৱস্থাত আছে। বাকী খোৱা পানী যোগান আঁচনি কার্য্যক্ষম অৱস্থাত নথকা বিলাকৰ মেৰামতি বাবদ কিমান টকাৰ প্রয়োজন আছে? বর্ত্তমান খোৱা পানী যোগানৰ ব্যৱস্থা হবনে নহয়?

শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী)য়ে উত্তৰ দিছে ঃ

তিতাবৰ সমষ্টিৰ অন্তর্গত ১৫১ খন গাওঁত পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। (তালিকা সংলগ্ন কৰি দিয়া হৈছে) তিতাবৰ সমষ্টিত ১৫ টা গভীৰ নলীনাদৰ আঁচনি আছে। তাৰে ৬ টা আঁচনিৰ কাম চলি আছে আৰু পানী যোগান ধাৰিব পৰা হোৱা নাই। পানী যোগান ধৰি থকা ৯ টা আঁচনিৰ ভিতৰত ৬ টা কার্য্যক্ষম অৱস্থাত আছে। কার্য্যক্ষম অৱস্থাত নথকা ৩ টা পানী যোগান আঁচনি মেৰামতিৰ বাবদ ৬ লাখ টকাৰ প্রয়োজন। পর্য্যায়ক্রমে ব্যৱস্থা কৰি থকা হৈছে।

(See Annexure-XVII)

বিষয় ঃ পানীয় জল সরবরাহ।

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেন ঃ

৩৫৩। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগর মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) মধ্য হাইলাকান্দি নির্বাচন চক্রে গ্রাম্য পানীয় জল সরবরাহ করার জন্য নতুন কোন Pipe Line প্রকল্প বর্ত্তমান সরকারের আছে কি?

(খ) ১৯৯৪-৯৫ সালে (ভেটলাপার) ও বড়বন্ধ প্রকল্প করে আরম্ভ করা হবে?

(গ) যে সব Mark - II স্থাপন করা হয়েছে সে গুলীতে I.R.P. স্থাপন করা হরে কি। (যে সব Mark - II র জল Iron থাকার জন্য জল পান করা সম্ভর হচ্ছেনা)।

শ্রীদিনেশ প্রসাদ গোৱালা (মন্ত্রী) য়ে উত্তর দিচ্ছেন ঃ

(ক) বিবেচনাধীন।

(খ) ১৯৯৪-৯৫ সালের তেমন প্রকল্প নাই। ১৯৯৫-৯৬ সালে বিবেচনাধীন।

(গ) আৱশ্যকতা অনুযায়ী ব্যৱস্থা নেওয়া হবে।

Adjournment Motion.

Mr. Speaker : Now Question Hour is Over I have received a notice of Adjournment Motion as per relevant Rules of our Rules of Procedure from the Honourable Members:

1. Shri Prafulla Kumar Mahanta.
2. Shri Promode Gogoi
3. Shri Hitendra Nath Goswami
4. Shri Sasha Kamal Handique
5. Shri Karendra Basumatary.

On the subject - " Abnormal price rise of each and every essential items."

Yesterday also I have ruled that a matter which is not a specific matter of recent occurence cannot be the subject matter of the Adjournment Motion. It is also a continuing matter.

I therefore do not find any reason to allow the motion to move through the Adjournment Motion.

As such,I have rejected it.

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অর্ডাৰ আছে। আজি আমি যিটো এডজর্নমেণ্ট মোচন আনিছো সেই ক্ষেত্রত আপুনি এইটো বিজেক্ট কৰা বুলি কৈছে। কিন্তু কথা হ'ল সদনত যেতিয়া কোনো এডজর্নমেণ্ট মোচন আহে তেতিয়া এডমিচিবিলিটিৰ ওপৰত আলোচনা কৰিব দিয়া হয় আৰু সেইটো এডমিট কৰা বা নকৰাটো পিচত জনাব লাগে। এই ক্ষেত্রত আপুনি আজি এডমিচিবিলিটিৰ ওপৰত আমাক কবলৈ সুবিধা নিদিলে। তাৰদ্বাৰা আপুনি সদনৰ পৰম্পৰা ভঙ্গ কৰিছে। এই বিষয়টো আপোনাক দিয়াৰ লগে লগে এডমিচিবিলিটিৰ ওপৰত আমাক কথা কোৱাৰ সুবিধা দিব লাগিছিল। কিন্তু সেইটো নকৰি মোচনটো ডিচএলাও কৰি সদস্য সকলৰ যিটো অধিকাৰ সেইটো খর্ব কৰিছে। আজি এই বিধান সভাৰ নবম অধিবেশনৰ অন্তিম দিন। আজি যিবোৰ তাকৰীয়া সময়ৰ প্রশ্ন উৎথাপিত হৈছে সেই ক্ষেত্রতো আলোচনা কৰিবলৈ দিয়া হৈছে। কিন্তু এডজর্নমেণ্ট মোচনৰ ক্ষেত্রত এডমিচিবিলিটি সম্পর্কত কবলৈ নিদি হাউচৰ

* Speech not corrected

পৰম্পৰা খৰ্ব কৰা হৈছে। আজি অসমত মূল্য বৃদ্ধিৰ সমস্যা সৃষ্টি হৈছে। গুৱাহাটীৰ বজাৰত আজি গাখীৰৰ প্ৰতি লিটাৰত ১১/১২ টকা হৈছে। সেই কাৰণে এই বিষয়টো আপোনাৰ বিবেচনা কৰিবলৈ মই অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ এইটো ডিচচেটিচফাইড হোৱাৰ কাৰণে এডমিট কৰিব পৰা নাই।

শ্ৰীপ্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আমি অনুৰোধ কৰিছো যে আমাক এডমিচিবিলিটি সম্পৰ্কে কবলৈ দিয়ক।

Zero Hour Matter

Mr . Speaker : I have received as many as 13 Zero Hour Notices for 27.9.95. in the name of the following Honourable Members :-

1. Shri Gohin Chandra Das.
   Shri Bubul Das.
2. Shri Prafulla Kumar Mahanta
   Shri Hitendra Nath Goswami
   Shri Phani Bhusan Choudhury
   Shri Bhupen Rai
   Smti. Renupoma Rajkhowa.
3. Shri Bubul Das
   Shri Binod Gowala
   Smti. Renupoma Rajkhowa
   Shri Bhupen Rai.
4. Shri Dilip Kumar Saikia.
   Shri Bubul Das,
   Shri Phani Bhusan Choudhury
   Shri Bhupen Rai.
   Shri Binod Gowala

5. Shri Binod Gowala
   Shri Hitendra Nath Goswami.
6. Shri Hitendera Nath Goswami.
7. Shri Promode Gogoi.
   Shri Munin Mahanta.
8. Shri Dhruba Kumar Sen.
9. Shri Mohibul Haque.
12. Shri Ramendra Narayan Kalita.
11. Shri Dilip Kumar Saikia.
12. Shri Nizamuddin Khan.
13. Shri Hiteswar Deka.

As per Rules I have selectecd only 3 Zero Hour Notices for raising before the House today.

I now call upon the Honourable Members Shri Binod Goala and Shri Hitendra Nath Goswami to raise their Zero Hour Motion which was published in 'Natun Dainik" dt. 25-9-95 under the caption. "সমবায় চেনীকলৰ মৃতপ্ৰায় অৱস্থা, দুমাহ ধৰি দৰমহা পোৱা নাই।"

* **শ্ৰীহিত্তেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সমবায় চেনিকল মৃতপ্ৰায় সম্পৰ্কে আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। ১৯৯২ চনতে দেৱগাৱৰ অসম সমবায় চেনিকলটো মহাৰাষ্ট্ৰৰ এটা কোম্পানীক হস্তান্তৰ কৰিছিল আৰু সেই হস্তান্তৰৰ চুক্তিমতে ২ বছৰ কলটো চলাবলৈ সুবিধা পাইছিল। অসমৰ এই চেনিকলটো পুৰণা অনুষ্ঠান সেইটো প্ৰাইভেট কোম্পানীলৈ হস্তান্তৰ কৰাটো আমি বিৰোধীতা কৰিছিলো। এই সমবায় চেনিকলটো চেল কৰাত আমাৰ চৰকাৰে যিমান লাভবান হব তাতোতকৈ কোম্পানীটো ইয়াৰদ্বাৰা বেচি লাভবান হব। এই কলটো চেল কৰি দিয়াৰ কাৰণে কৰ বস্তু কলৈ যাব তাক কোনেও কব নোৱাৰিব। যদি সম্পত্তিটো ধংস হৈ যায় তেতিয়াহলে অইন ব্যৱস্থা লোৱাৰ উপায় এটাও নেথাকিব। এতিয়াও ২ কৌটি টন চেনি মজুত আছে। চেনীখিনি বিক্ৰী কৰাৰ সুবিধা দিছে। আজি চেনিকলৰ শ্ৰমিক সকলক দৰমহা দিয়াৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। সদন চলি থকা সময়ত শ্ৰমিক সকল আহি দিশপুৱত ধৰ্ণা দিছেহি। বোধকৰো চৰকাৰৰ এইটো দৃষ্টি গোচৰ হৈছে। কিন্তু এতিয়াও তাৰ কাৰণে চৰকাৰে একো

* Speech not corrected

ব্যৱস্থা গ্ৰহণ কৰা নাই। এই অসমৰ চেনিকলকেইটা ১৯৯২ চনতে প্ৰাইভেট কোম্পানীলৈ হস্তান্তৰ কৰা আজি ১৯৯৫ চনলৈকে ৩ বছৰ হল। এই ৩ বছৰৰ ভিতৰতে এই চেনি কলটো বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। এই প্ৰাইভেট কোম্পানীয়ে শ্ৰমিক সকলৰ দা- দৰমহাৰ কাৰণে কোনো চিন্তা চৰ্চ্চা কৰা নাছিল। আজি শূন্য কালত এইটো উত্থাপন কৰিছে মই আশা কৰিছো যে চৰকাৰৰ পৰা কিবা এটা উত্তৰ শুনিবলৈ পাম। যোৱাবাৰ সদনটো তেনেকুৱা এটা প্ৰস্তাৱ আহিছিল যে ১১ মাহে শ্ৰমিক সকলে দা-দৰমহা পোৱা নাই। আজি অসমত কুঁহিয়াৰ খেতি কৰা কৃষকৰ প্ৰাইভেটেচন কৰাৰ কাৰণে উপকাৰ কৰাৰ পৰিবৰ্ত্তে অপকাৰহে কৰিলে। সেই কাৰণে এই কুঁহিয়াৰ খেতি কৰা কৃষক সকলৰ উপকাৰ হোৱাৰ বাবে চৰকাৰে চিন্তা কৰিব বুলি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰিছো।

* **শ্ৰীবিনোদ গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম সমবায় চেনিকলটো ১৯৯২ চনতে ইতিমধ্যে মহাৰাষ্ট্ৰৰ কোনাবা এটা কোম্পানীলৈ হস্তান্তৰ কৰা হল। এই সমবায় চেনি কলটোৰ বিভিন্ন সমস্যাকে আদি কৰি, শ্ৰমিক সকলৰ দা-দৰমহাৰে আদি কৰি চৰকাৰক অৱগত কৰি আহিছে কিন্তু আজি পৰ্যন্ত তেওঁলোকৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আমাৰ অসমৰ সৰুপথাৰ, মেৰাপানী, বৰপথাৰ অঞ্চলত কুঁহিয়াৰ খেতি বেছি হয়। সেই মিললৈ কৃষকে কুঁহিয়াৰ লৈ গলে কেতিয়াবা লম বুলি কয় আৰু কেতিয়াবা নলম বুলি কয়। সেই অসুবিধা খিনিও চৰকাৰক অৱগত কৰা হৈছে। মই আশা কৰো যাতে আমাৰ কৃষকে যিখিনি সুবিধা পাব লাগে সেইখিনি পোৱাৰ ব্যৱস্থা চৰকাৰে কৰি দিব লাগে। আমাৰ আৰু এটা সূতা কল গোলাঘাট জিলাত আছে। সেই সুতাকলৰ কৰ্মচাৰী সকলেও বিভিন্ন সময়ত বিভিন্ন আন্দোলন কৰিছে তেওঁলোকৰ দাবীৰ সম্পৰ্কত। গতিকে কুঁহিয়াৰ খেতিয়ক সকলেও যাতে তেওঁলোকৰ সুবিধাখিনি পাব পাৰে তালৈ লক্ষ্য কৰিলে ভাল হয়, এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

[Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

* **শ্ৰীশশকমল সন্দিকৈ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ময়ো এইখিনিতে দুটামান কথা চমুকৈ কৈ থব খুজিছো। মই জনাত মিলৰ শ্ৰমিক সকলে আন্দোলন কৰাত মালিক পক্ষৰ লগত এটা এগ্ৰিমেণ্ট হৈছিল, সেইমতে মালিক পক্ষই প্ৰতিশ্ৰুতি দিছিল যে বেংকৰ ঋণৰ ধন খিনি পালেই দৰ্ম্মহা বিলাক দিব তেওঁলোকে অসম কো-অপাৰেটিত এপেক্স বেংকৰ পৰা ঋণৰ আবেদন কৰিছে। সেই ঋণ পালেই দৰ্ম্মহা দিব পাৰিব। শ্ৰমিক সকলে দৰ্ম্মহা নোপোৱাৰ কাৰণে মিলৰ উৎপাদিত চেনীখিনি বিক্ৰী কৰিবলৈ এৰি দিছে। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সমবায় বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো তেখেতে উক্ত মিলটো শ্ৰমিক সকলে দৰ্ম্মহা পোৱাৰ বাবে বেংকৰ ঋণটো সোনকালে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*** Speech not corrected**

* **শ্রীহবেণ ভূমিজ (মন্ত্রী) ঃ** উপাধ্যক্ষ মহোদয়, ২৭/৯/৯৫ তাৰিখৰ 'নতুন দৈনিক' কাকতত প্রকাশিত "সমবায় চেনী কলৰ মৃতপ্রায় অৱস্থা, শ্রমিক কর্ম্মচাৰীয়ে ৬ মাহ দৰ্ম্মহা পোৱা নাই" শীর্ষক বাতৰিৰ প্রতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই বিষয়ত ন'টিচ মই আজিহে পাইছো, গতিকে মোৰ হাতত এতিয়া সুস্পষ্ট তথ্য নাই। মই অহা কালিৰ ভিতৰত বিতং তথ্যপাতি সংগ্রহ কৰি লিখিত ষ্টেটমেণ্ট হিচাপে অধ্যক্ষ মহোদয়লৈ প্রেৰণ কৰিম।

* **শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে বেংকৰ ঋণৰ কথাটো নিশ্চয় জানে। গতিকে তেখেতে বেংকৰ ঋণৰ কথাটো কওঁক। কাৰণ কেইবামাহো ধৰি তাৰ শ্রমিক কর্ম্মচাৰী সকলে দৰ্ম্মহা পোৱা নাই। তেখেতে কওঁক বেংকৰ ঋণটো মুকলি কৰি দিয়াৰ ক্ষেত্রত তেখেতে কিবা ব্যৱস্থা কৰিব নেকি?

* **শ্রীহবেণ ভূমিজ (মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই মোৰ হাতত বর্ত্তমান তথ্য নাই, অহা কালিৰ ভিতৰত বিতং তথ্য সংগ্রহ কৰি দাখিল কৰিম। (ভইছঃ অধ্যক্ষ মহোদয়, অহাকালি হাউচ নাই।)

Mr. Deputy Speaker : I now call upon the Honourable Members Shri Promode Gogoi and Shri Munin Mahanta to raise their Zero Hour Notice.

* **শ্রীপ্রমোদ গগৈ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি দুদিন ধৰি অসমৰ বিভিন্ন ঠাইত চতুর্থটো বানপানীৰ ফলত ব্যাপক ক্ষতিসাধন হৈছে। আজি ৰাতিপুৱা টেলিফোন যোগে শিৱসাগৰৰ লগত যোগাযোগ কৰিছিলো, তেওঁলোকে কৈছে যে ৩৭ নং ৰাষ্ট্রীয় ঘাই পথ কেইবা ঠাইটো পানীত তল গৈছে., মঠাউৰি বিলাক বিপদাপন্ন হৈছে, বিস্তৰ ধাননি পথাৰ জলমগ্ন হৈছে, ইয়াৰ মূল কাৰণ হৈছে ব্রহ্মপুত্র নদী নিয়ন্ত্রণৰ বাবে উপযুক্ত ব্যৱস্থা ভাৰত চৰকাৰে আৰু অসম চৰকাৰে নোলোৱাৰ ফলত এনেকুৱা জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে। সেইকাৰণে আমি এটা কথা লক্ষ্য কৰিছো যে চৰকাৰে এই বিষয়ত মনোযোগ দিয়া দৰকাৰ। ১৯৫০ চনত হোৱা ভূমিকম্পৰ ফলত ব্রহ্মপুত্রৰ তলিখন ১১ ফুট মান বাম হৈ গৈছে, সেই কাৰণে এনে অৱস্থা হৈছে। বৰষুণৰ পানীৰেই বানপানীৰ সৃষ্টি হৈছে। বিশেষজ্ঞ সকলে কৈছে যে ব্রহ্মপুত্রৰ তলিখন আৰু যদি এক ফুট বাম হৈ যায় তেতিয়া কোনো মঠাউৰি ৰক্ষা কৰা সম্ভৱপৰ নহব। এই বিষয়ত আমি অধ্যক্ষ মহোদয়ৰ নেতৃত্বত এটা দল দিল্লীলৈ গৈছিলো। তাত আমি প্রধানমন্ত্রী, বিত্তমন্ত্রী আৰু পৰিকল্পনা আয়োগৰ উপাধ্যক্ষক লগ ধৰিছিলো। সেই সময়ত প্রধান মন্ত্রীয়ে এটা কথা কৈছিল যে অসমত ব্রহ্মপুত্রক নিয়ন্ত্রণ কৰিবলৈ হলে মেজৰ স্কীম বিলাক ৰূপায়নৰ ক্ষেত্রত মনোযোগ দিব লাগিব। সেই ক্ষেত্রত ব্রহ্মপুত্র বোর্ডে যিখিনি মেজৰ প্রজেক্ট যেনে - ডিৰাক, শোৱনশিৰী, পাগলদিয়া, টিপাইমুখ আদি প্রকল্প

---

* **Speech not corrected**

কৰিছে, এই বিলাক প্ৰকল্প ১৫ বছৰ ধৰি পৰিকল্পনা আয়োগ আৰু ভাৰত চৰকাৰৰ হাতত পৰি আছে। আমি যেতিয়া পৰিকল্পনা আয়োগৰ উপাধক্ষ্যৰ লগত আলোচনা কৰিছিলো, তেতিয়া আমাৰ সকলোৰে লগতে আমাৰ বিত্তমন্ত্ৰী মহোদয়ো আছিল, তেতিয়া পৰিকল্পনা আয়োগৰ উপাধ্যক্ষই আমাক কৈছিল, যে এই বিষয়ে আলোচনা কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰীক দুবাৰ মাতিছিলো। কিন্তু তেখেত যোৱা নাই। মই অসত্য কথা কোৱা নাই। আমাৰ ইয়াতে কেইবাজনো সাক্ষী আছে পিছে আমি গম পাইছো মুখ্য মন্ত্ৰী মহোদয় অহা ১০ তাৰিখে যাব। মই বিশেষকৈ এটা কথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, যিবিলাক মেজৰ প্ৰজেক্ট ব্ৰহ্মপুত্ৰ বোৰ্ডে তৈয়াৰ কৰিছে, সেই বিলাক যেন ৰূপায়ণৰ বাবে বিশেষ গুৰুত্ব দিয়ে। যদি আৰু ৪/৫ বছৰ এই অৱস্থাত থাকে তেন্তে কোনো প্ৰকল্পই ৰূপায়ণ কৰা সম্ভৱপৰ নহ'ব। গোটেই অসমত এনেকুৱা অৱস্থা হ'ব যে ব্ৰহ্মপুত্ৰৰ উত্তৰ দক্ষিণ দুয়োপাৰ জলমগ্ন হ'ব লাখ লাখ মানুহ ক্ষতিগ্ৰস্ত হব। খেতি পথাৰ নষ্ট হ'ব। চৰকাৰী সাহায্যৰ কথা নকওৱেই। আৰু এটা কথা চৰকাৰে যেন ৰবিশয্যৰ বাবে উপযুক্ত ব্যৱস্থা এতিয়াৰে পৰা কৰে। মই চৰকাৰক পুনৰ অনুৰোধ কৰিব খুজিছো, ভৱিষ্যত বিপদৰ পৰা অসমক ৰক্ষা কৰাৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰ বোৰ্ডে যিবিলাক মেজৰ প্ৰকল্প তৈয়াৰ কৰিছে সেই প্ৰকল্প বিলাকৰ অনুমোদন আৰু ৰূপায়ণৰ বাবে খৰতকীয়া ব্যৱস্থা লয়। সেই ক্ষেত্ৰত মই বিভাগক এটা কথা কব খুজিছো যে আমাৰ সৰুসুৰা মঠাউৰি বিলাকতে লাগি থাকিলে ৩/৪ বছৰৰ পিচত এই মঠাউৰি বিলাক কৰা নকৰা একে কথাই হ'ব। একো লাভ নহব। সেই কাৰণে মই কৈছো, অসম চৰকাৰে মাইনৰ স্কীম সমূহ কৰক, কিন্তু প্ৰকৃততে ৰাজ্যখনক বচাবলৈ হলে মেজৰ প্ৰকল্প বিলাক ৰূপায়ণৰ বাবে খৰতকীয়া ব্যৱস্থা লব লাগিব। শেষত মই চৰকাৰক এই মেজৰ প্ৰকল্প বিলাক ৰূপায়ণত বিলম্ব নকৰিবৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীমুনীন মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যখনৰ বানপানীৰ পৰিস্থিতিৰ ওপৰত আজি তিনি দিন ধৰি অপৰিবৰ্ত্তিত অৱস্থাত আছে। প্ৰচণ্ড বৰষুণৰ ফলত আজি ব্ৰহ্মপুত্ৰৰ পানীয়ে ডিব্ৰুগড়, তিনিচুকীয়াৰ পৰা দৰঙলৈকে বিপদসীমাৰ ওপৰত বৈ আছে। তাৰ ফলত ৰাজ্যখনৰ বিভিন্ন ঠাইত বানপানীৰ যিটো হাহাকাৰ হৈছে সেই সম্পৰ্কে অলপ কব বিচাৰিছো। এই অপৰিবৰ্ত্তিত অৱস্থাত চতুৰ্থ বানপানীয়ে সমগ্ৰ জনজীৱন বিপৰ্য্যস্ত কৰিছে। তাৰ লগতে আমাৰ মৰিগাওঁ জিলাত আমাৰ মন্ত্ৰী চামচুল হুদা ডাঙৰীয়াৰ বাসভৱনৰ পৰা জিলা কৰ্ত্তৃপক্ষক যোগাযোগ কৰি যিটো জানিব পৰা গৈছে যে ইতিমধ্যে আমাৰ জিলাত ব্ৰহ্মপুত্ৰ লাহৰিঘাট অঞ্চলত ভাঙি যিটো তাণ্ডব যোৱা সময় ছোৱাত সৃষ্টি কৰিছিল তাৰ সমাপ্তি নহওঁতেই যিটো গতিত বানপানী বাঢ়ি আহে আমাৰ জিলাখনত আৰু হাহাকাৰৰ সৃষ্টি কৰিবলৈ ধৰিছে। এতিয়া এই অৱস্থাৰ পটভূমিত বানপানী সমস্যা সমাধান কৰাৰ কাৰণে আৰু তাৰ কাৰণে যিটো পদক্ষেপ লব লাগে সেই সম্পৰ্কে মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই কৈছে? মই যোৱা সময় চোৱাৰ অভিজ্ঞতা বিশেষকৈ বানপানীৰ সময়ত সাহৰ্য্য

*** Speech not corrected**

দিয়াৰ ক্ষেত্ৰত আৰু পুনৰসংস্থাপন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ যিটো দায়িত্ব সেই দায়িত্ব পালনত ব্যৰ্থ হৈছিল সেই ক্ষেত্ৰত চৰকাৰে দিয়া সাহায্যও পৰ্যাপ্ত পৰিমাণৰ নাছিল। যোৱা কালিও বিধানসভাত সাহায্য পৰ্য্যপ্ত পৰিমাণৰ নাছিল বুলি আলোচনা হৈছিল। জনসাধাৰণ কিমান বিলাক সমস্যাৰ সমুখীন হৈছিল কি বিপদৰ সমুখীন হৈছিল। আমাৰ জিলাত যিমান খিনি সাহায্য দিব লাগিছিল সেই খিনি পোৱাৰ কথাই নাই আনকি উদ্ধাৰ কাৰ্য্য যি ভাৱে কৰিব লাগিছিল সেই উদ্ধাৰ কাৰ্য্যও ঠিক মতে কৰিব পৰা নাছিল। ইয়াৰ ফলত এতিয়ালৈকে ২১ জন মানুহ মৃত্যু মুখত পৰা বুলি বাতৰি কাকতত খবৰ প্ৰকাশ হৈছে।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, প্ৰশাসনীয় যন্ত্ৰৰ ফালৰপৰা নাও আদি যোগান ধৰি উদ্ধাৰ কাৰ্য্য কৰিব লাগিছিল যদিও তাত সম্পুৰ্ণ ৰূপে ব্যৰ্থ হৈছে। কিয়নো নাওঁ যি বিলাক অধিগ্ৰহণ কৰিছিল সেইবিলাক নাৱঁৰ বাবদ দিবলগীয়া ভাড়াৰ টকা তিনি বছৰ ধৰি আদায় নিদিয়াৰ ফলত নাৱঁৰীয়া সকলে নাওঁ চৰকাৰী কামত দিয়াৰ কাৰণে আপত্তি কৰে আৰু ফলত আনকি বানপানীৰ সময়ত ভাম্যমান চিকিৎসকৰ দল পঠাবলৈকো তেনে নাওঁ চৰকাৰে যোগান ধৰিবলৈ অপৰাগ হৈছে। বানপানীৰ পিচত খেতিয়কক কঠিয়া যোগান ধৰা হৈছিল যদিও মাত্ৰ এবিঘাৰ কাৰণেহে কঠিয়া যোগান ধৰিছিল, বাকী কঠিয়া ৰাইজে কিনি হলেও ৰুইছিল যদিও এইবাৰৰ বানপানীত সেই বিলাকো সমূলি ধংসপ্ৰাপ্ত হৈছে। এতিয়া সেই কাৰণে ৰাইজে দাবী জনাইছে যাতে এইবাৰ বানপানী ঘূৰি যোৱাৰ পিচতে অধিক পৰিমাণে ৰাইজৰ মাজত ৰবিশস্যৰ বীজ চৰকাৰৰ ফালৰ পৰা যোগান ধৰা হয়। উপাধ্যক্ষ মাহাদয়ে আৰু দুটা কথা কৈ শেষ কৰিব খুজিছো। আমাৰ ৰাজ্যখনৰ বানপানীৰ সমস্যাৰ কাৰণে ৰাজ্য চৰকাৰে যিটো দৃষ্টিভঙ্গী লব লগিছিল বা যিমানখিনি গুৰুত্ব দিব লাগিছিল সেইটো দিয়া নাই। উত্তৰ পূৱ পৰিষদৰ পৰা এফ-ডি-আৰৰ কাৰণে যি খিনি টকা দিছিল সেই টকা খিনি যোৱা দুবছৰ ধৰি ৰাজ্য চৰকাৰে ৰেভিনিউ ডিপ'জিতত থৈ দিছে। অথবা অন্য কামত খৰচ কৰিছে। বিষয়টো সম্পৰ্কত মই আপোনাৰ লগতে মন্ত্ৰী মহোদয়ৰ দুষ্টি আকৰ্ষণ কৰিছো।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা কৈ শেষ কৰিব বিচাৰিছো। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে চেন্ট্ৰেল লোন এচিচটেন্স পঞ্চাশ কোটিৰ ঠাইত ছয় কোটি পাইছে। কিন্তু চেন্ট্ৰেল গভৰ্ণমেণ্টৰ ধাৰ মৰা কাম কেৱল বান নিয়ন্ত্ৰণ বিভাগৰ নে বিত্ত বিভাগৰ দায়িত্ব বিত্ত বিভাগে ধাৰ মাৰিব লাগে কিন্তু বান নিয়ন্ত্ৰণ বিভাগৰ টকা কাটি ৰখাৰ কাৰণে সৰ্ব্বনাশ হৈছে। অথচ পৰিকল্পনাত চাৰি হাজাৰ কোটি টকাৰ ঠাইত বাননিয়ন্ত্ৰণ বিভাগৰ কাৰণে মাত্ৰ দুই কোটি টকা ধাৰ্য্য কৰা হৈছে। বাননিয়ন্ত্ৰণ বিভাগক আৱহেলা কৰি ডি আৰ ডি এ বিভাগে মথাউৰিত খৰচ কৰিছে। মথাউৰি মানে বালিৰ দ'ম। তাতে আকৌ মাথাউৰিৰ কাযতে খান্দি বাহিৰ ফাল দ কৰি সৰ্ব্বনাশ কৰিছে।

Mr. Deputy Speaker : Please conclude, please conclude.

* **শ্রীমুনীণ মহন্ত ঃ** মথাউৰি ঠিক মতে নিৰ্ম্মাণ নোহোৱা কাৰণে সৰ্ব্বনাশ হৈছে। বিজ্ঞানসম্মত বাবে প্ৰায়ভাগ মথাউৰি বিয়েলি নিৰ্ম্মিত হোৱা নাই। আৰু ইয়ে সৰ্ব্বনাশ মাতি আনিছে। গতিকে এই কেইটা বিষয়ৰ প্ৰতি মই চৰকাৰৰ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** উপাধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। নগাওঁ, হোজাই আৰু মৰিগাওঁ জিলাৰ মৰিগাওঁ মহকুমা ব্ৰহ্মপুত্ৰৰ কাৰণেই অকল নহয় কপিলিৰ কাৰণেওঁ বানপানীৰ কৱলত পৰে। তাত যিটো প্ৰকল্প আছে সেই ডামটোৰ অক্টোৰৰ নবেম্বৰৰ মাহত পানী এৰি দিয়াৰ ফলত বানপানী হয়। ডামৰ পৰা পানী এৰি দিয়াৰ ফলত বিভিন্ন অঞ্চলত বানপানী হয়। এই বিষয়টো বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি ইয়াৰ নিয়ন্ত্ৰণ আৰু নিস্কাষণৰ কাৰণে ব্যৱস্থা কৰিব বুলি আপোনাৰ জৰিয়তে তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিলো।

(মাননীয় অধ্যক্ষ আহি নিজৰ আসনত উপৰিষ্ট হয়।)

***শ্রীশৰৎ বৰকটকী (বাননিয়ন্ত্রণ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ পৰিস্থিতিৰ বিষয়ে মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়া, মাননীয় সদস্য মহন্ত ডাঙৰীয়াই ইয়াত যিটো দাঙি ধৰিছে এই বিষয়টো মই এইমাত্ৰ সদনত পাইছো। বানপানীৰ পৰিস্থিতিৰ বিষয়ে আমি সকলোৱে জানো। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই সৰ্ব্বদলীয় প্ৰতিনিধি দল দিল্লীলৈ গৈ প্ৰধানমন্ত্ৰী আৰু আন সকলোকে লগ ধৰাৰ কথা কৈছে। এই বিষয়টোৰ এটা স্থায়ী সমাধানৰ কথা দোহৰা হৈছে। আজি ৰাতিপুৱা মই শিৱসাগৰৰ ইঞ্জিনীয়াৰৰ লগত কথা পাতিছো বানপানী পৰিস্থিতি সম্পৰ্কে। বৰ্ত্তমান আমাৰ ফালৰ পৰা কৰিবলগীয়া একো নাই। বানপানী শুকাই নোযোৱালৈকে আমি কাম আৰম্ভ কৰিব নোৱাৰো। গতিকে আমি বানপানী শুকোৱাৰ পিচত যিবিলাক মথাউৰি এতিয়া ভাঙি আছে সেই বিলাক বন্ধোৱাৰ ব্যৱস্থা কৰিম। যি বিলাক মেজৰ স্কীম সেই বিলাকৰ টেণ্ডাৰ কল আৰম্ভ কৰি কাম ইতিমধ্যে আৰম্ভ কৰিম। অতি সোনকালে কাম বিলাক কৰা হব। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যিটো কৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিল্লীলৈ নোযোৱাৰ কথা সেইটো সংক্ৰান্তত কওঁ যে তেখেতৰ অসুখৰ কাৰণে যাব পৰা নাছিল। দহ তাৰিখে আকৌ মিটিং আহ্বান কৰিছে তালৈ যাম বুলি কৈছে। ইয়াৰ ওপৰিও মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াই নগাওঁৰ ডামৰ সংক্ৰান্ত ত যিটো কথা কৈছে মই সেই কপিলীৰ ডামৰ কথাটো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ বিষয়া সকলক বানবিধস্ত অঞ্চললৈ ইতিমধ্যে পঠোৱা হৈছে। আজি চি-এ আৰু এডিচনেল চিইক ডিব্ৰুগড়লৈ পঠোৱা হৈছে।

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, শ্ৰীগগৈ ডাঙৰীয়াই

---

* Speech not corrected

কৈছে যে ২ বাৰ মতাৰ পিচতো মই যোৱা নাই। আচলতে সেইটো নহয়। প্ৰথম বাৰ মোৰ অসুখৰ কাৰণে যোৱা নাছিলো। দ্বিতীয় বাৰ ফাইনেঞ্চ মিনিষ্টাৰে নিজেই কলে যে আহিব নালাগে। আমি ইতিমধ্যে সিদ্ধান্ত লৈছো। সেই মিটিংখন আছে। আমি আবেদন জনাইছো। ২৫ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ ওৱাটাৰ ৰিচাৰ্চ ডেভোলপমেণ্টে বছৰি লোন হিচাবে দিয়ে। সেই টকাটো আমি গ্ৰাণ্ট হিচাবে দিয়াৰ কাৰণে আবেদন কৰিছো। এই সম্পৰ্কত শ্ৰীপ্ৰনৱ মুখাৰ্জী, শ্ৰীশুক্লা আৰু ফাইনেঞ্চ মন্ত্ৰীৰ লগত আলোচনা হৈছো। চেকেণ্ড মিটিং খনত ফাইনেঞ্চ মিনিষ্টাৰে গুৰুত্ব সহকাৰে লৈছে। শ্ৰীমহন্ত ডাঙৰীয়াই যিটো কথা কৈছে সেইটো নহয়। আমি দায়িত্ব লোৱাৰ সময়ত ৪৩০৯ কৌটি ৪৪ লাখ টকা আছিল। ইতিমধ্যে আমি ২১৫ কোটি টকা মৰা হৈছে। ১৯৯২-৯৩ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাত প্লেনিং কমিচনে টকা দিছিল। সেই ধনৰ পৰিমান আছিল ৯৬১.৪২ কোটি টকা। ইয়াৰে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় মন্ত্ৰালয়ে ৭৫৮.৫৬ কোটি টকা কাটি ৰাখিছে। বাকী থাকিব ২০৩ কোটি ১৬ লাখ টকা। সেই বছৰত ব্যয় কৰা ধনৰ পৰিমান আছিল ৬৪৯ কোটি ১৫ লাখ টকা। ১৯৯৪-৯৫ চনত প্লেনিং কমিচনে টকা দিছিল ১০২৭ কোটি টকা। তাৰে ৭০৬ কোটি ৮৬ লাখ টকা কাটি ৰখাৰ পিছত ৩২৩ কোটি ১৪ লাখ টকা থকিলগৈ। কিন্তু সেই বছৰো ৰাজ্য চৰকাৰে পৰিকল্পনা শিতানত ৮৫৬ কোটি ৪৪ লাখ টকা খৰচ কৰিব পাৰিছিল। ১৯৯৪-৯৫ বাৰ্ষিক বছৰত লাভ কৰা মুঠ ১০৫১ কোটি টকাৰ পৰা ৭৩৪ কোটি ২০ লাখ টকা কাটি ৰাখে। বাকী থাকে ৩১৪ কোটি ৮০ লাখ টকা। আমাৰ দুটা কাৰণত অসুবিধা হৈছে যদিও আমি নিজস্ব চোৰ্চৰ পৰাও টকা খটুৱাইছো। ডি, আৰ, ডি, এৰ যোগেদি ৰাজ্যখনত ভাঙি থকা ১১৭ টা মঠাউৰী মেৰামতি কৰা হৈছে।

* **শ্ৰীপ্ৰমোদ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে ক্লেৰিফিকেচনটো দিছে যেতিয়া আৰু এটা শুধিব বিচাৰিছো। অসমৰ ফ্লাড কণ্টোল সন্দৰ্ভত প্লেনিং কমিচনে কৈছে যে অসম চৰকাৰে বান নিয়ন্ত্ৰন সম্পৰ্কত প্ৰিফাৰেঞ্চ দিয়া নাই। দুই বছৰত মাত্ৰ ২ শতাংশ হৈছে । যিহেতু বাননিয়ন্ত্ৰণ সমস্যাটো এটা ভয়াবহ সমস্যা গতিকে ৰাজ্য চৰকাৰে বাজেট কৰোতে এই বিষয়টোৰ এপৰত প্ৰিফাৰেঞ্চ দিব নেকি যে এতিয়া যিটো এলোকেচন আছে তাতকৈ বেচি এলোকেচন কৰিব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, শ্ৰীগগৈ ডাঙৰীয়াৰ পৰামৰ্শটো মানিছো।

* **শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ সম্পৰ্কত এটা কথা বুজিছো যে এ, এচ ব্লক বিলাকত যথেষ্ঠ টকা দিয়া হৈছে। চৰকাৰে তেওঁলোকক এটা নিৰ্দেশ দিব নেকি যে ই, এ, এচ স্কীম লোৱাৰ সময়ত তেওঁলোকে বান নিয়ন্ত্ৰন সম্পৰ্কত বিশেষ গুৰুত্ব দিব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে দিয়া হৈছে।

*** Speech not corrected**

Mr. Speaker : I now call upon Shri Ramendra Narayan Kalita to a news appeared in "Dainik Asom" dated 25-9-95 under the caption " নিয়ম ভাঙি প্রদূষণ সৃষ্টি কৰি উদ্যোগ স্থাপন।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ২৫ চেপ্তেম্বৰ তাৰিখে দৈনিক অসম কাকতত প্রকাশিত "নিয়ম ভাঙি প্রদুষণ সৃষ্টি কৰি উদ্যোগ স্থাপন" শীর্ষক বাতৰিটোৰ প্রতি মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ গড়চুক অঞ্চলত স্থাপন হোৱা "মেচার্ছইউনিভার্ছেল এলিযেড এণ্ড ষ্টীলছ (প্রাইভেট) লিমিটেড "নামৰ প্রতিস্থানটোৱে উদ্যোগ স্থাপন কৰিব বিচাৰিছে। কথাটো হৈছে এটা উদ্যোগ স্থাপন কৰাত আমাৰ বিশেষ আপত্তি নাই। এই উদ্যোগৰ পৰা প্রত্যক্ষ আৰু পৰোক্ষ ভাবে বহুটো উপকৃত হব। বহুত নিবনুৱাই কর্মসংস্থাপন পাব। কিন্তু কথা হ'ল এই উদ্যোগ যিয়ে স্থাপন কৰিবলৈ লৈছে সেই উদ্যোগীজনে কিছুমান অসত্য তথ্য আজি চৰকাৰক দিছে। মই ইতিমধ্যে অসমৰ মুখ্য সচিবৰ ওচৰত এই সম্পর্কত লিখিত ভাৱে জনাইছো। এই সম্পর্কত কি কার্য্য ব্যৱস্থা লৈছে মই জানিব পৰা নাই। এই উদ্যোগ স্থাপনৰ ক্ষেত্রত আমাৰ চৰকাৰে যিটো চাইড এপ্রাইজেল কমিটি আছে সেই কমিটিৰ যিটো প্রজেক্ট ৰিপোর্ট দিছে তাৰ সর্ব্বোচ্চ মুল্য হব ৯ কোটি ৫০ লাখ টকা। ইতিমধ্যে পলিউচন কণ্ট্রোল বোর্ডে ৯ কোটি ৫০ লাখ টকাৰ প্রজেক্ট কষ্ট দিছে। কথাটো এইয়ে যে আই, ডি., বি, আই যি প্রজেক্ট কষ্ট দিছে সেইটোৰ চাইড এপ্রাইজেল কমিটিৰ ৰিপোর্টৰ লগত মিল নাই। আই, ডি, বি, আই প্রজেক্ট ৰিপোর্টত ৬ কোটি ৩৫ লাখ টকা আছে। ইতিমধ্যে আই, ডি, বি, আই এ ৩ কোটি ৭০ লাখ চেংচন কৰিছে। প্রশ্নটো হৈছে এই উদ্যোগটো স্মল স্কেল ইণ্ডষ্ট্রিৰ অন্তর্ভূক্ত হয় নে নহয়। আৰু কেনেকৈ ৰেজিষ্ট্রেচন হৈছে। ১৯৯১ চনৰ কেন্দ্রীয় চৰকাৰৰ নির্দেশ মতে স্মল স্কেল ইণ্ডাষ্ট্রি ধৰা হয় ৬০ লাখ টকালৈকে। এতিয়া এই উদ্যোগটো সর্বোচ্চ মূল্য ৬ কোটি ৩৫ লাখ দিয়াৰ পিচতো ক্ষুদ্র উদ্যোগৰ অর্ন্তভূক্তি কেনেকৈ কৰিছে সেই কথাটোৰ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আৰু ইতিমধ্যে এই উদ্যোগটোৰ যিটো নামাকৰণ কৰা হৈছিল সেইটো সলনি কৰি "ভাৰত কার্বন" নামেৰে নামাকৰণ কৰিবলৈ এই উদ্যোগৰ লগত জৰিত বিষয়াই পৰামর্শ দিছে। আৰু ইতিমধ্যে উদ্যোগপতিজনে সেই সংক্রান্তত প্রচেষ্টা লৈছে। এই উদ্যোগ স্থাপনৰ ক্ষেত্রত পলুচন বোর্ডে যি কেইটা কণ্ডিচন দিছে তাৰ ভিতৰত আছে উদ্যোগৰে পৰা লগত হবলগীয়া পেলনীয়া সামগ্রী নিয়ন্ত্রণৰ বাবে ডাষ্ট কন্টোলা গ্রেভিটি কলেক্টৰ, ছেটলিং চেম্বাৰচ আৰু বেগ ফিলৰ আদি যন্ত্রপাতি কেইটা বহুৱাবলৈ দিছে। ২-৩ দিনৰ ভিতৰত আৰম্ভ হব। কিন্তু এতিয়ালৈ এই ব্যৱস্থা পুৰণ কৰা হোৱা নাই। যাৰ কাৰণে গোটেই অঞ্চলত প্রদূষণে এটা ভয়ংকৰ ৰূপ ধাৰণ কৰিব বুলি ৰাইজ আতংকিত হৈছে। গতিকে পলুচন কণ্ট্রোল বোর্ডে যি কেইটা কণ্ডিচন দিছে সেইকেইটা বর্ত্তমানেও যদি কৰা নাই আৰু যদি তেতিয়া হ'লে ইণ্ডাষ্ট্রিটো মন্ত্রী মহোদয়ে

*** Speech not corrected**

বন্ধ ৰখাৰ ব্যৱস্থা কৰিব নেকি ? মই দেখিছো মোৰ সমষ্টিতে বহুটো ইণ্ডাষ্ট্ৰি আছে। সেই বিলাকৰ পৰাই গুৱাহাটী মহানগৰীক প্ৰদুষণে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এতিয়া জনসাধাৰণ আতংকিত হৈছে। এই নতুন ইণ্ডাষ্ট্ৰি বিলাকৰ ক্ষেত্ৰত প্ৰদুষণ ৰ ব্যৱস্থা নললে জনসাধাৰণে এই ক্ষেত্ৰত প্ৰতিবাদী ব্যৱস্থা লব। আৰু সকলোৱে গনতান্ত্ৰিক পদ্ধতিৰে আগবাঢ়ি যাব বুলি জনাইছে। গতিকে এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ বিচাৰিছো।

শ্ৰীহৰেণ ভুমিজ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াই শূন্য কালৰ যিটো প্ৰশ্ন আনিছে মই এতিয়ালৈকে ন'টিচ পোৱা নাই।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মই মাননীয় উদ্যোগ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিলো।

মাননীয় অধ্যক্ষ ঃ এইটো প্ৰদুষণৰ ওপৰত, প্ৰদুষণ মন্ত্ৰীয়ে উত্তৰ দিব। নটিচ পাইছে যদি দিব, নাই পোৱা যদি দিব নেলাগে।

* **শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো মেচার্চ ইউনিভাৰচেল এলিয়েড এণ্ড ষ্টীলছ (প্ৰাইভেট) লিমিটেডৰ কথা কৈছে তাত গোটেই কথাটো উদ্যোগ বিভাগৰ কথা। প্ৰদুষণৰ ক্ষেত্ৰত প্ৰদুষণ বিভাগে সময় সাপেক্ষে যিবিলাক স্বত্ব আৰোপ কৰিছে সেই স্বত্ব এই অনুস্থানটোৱে মানি লব লাগিব আৰু যিহেতু এই উদ্যোগটো এতিয়াও কমিচন হোৱা নাই। সেই কাৰণে এই কথাটো নাহে। উদ্যোগটো কমিচন হোৱাৰ পিচত কমিচন বৰ্ডে স্বত্ব ৰূপায়ন কৰিছেনে নাই চাব। The Question of environment as regards pollution does not arise at this moment. Now the apprehensin does not arise as the Question has been put before the industry has come into existence.

* **শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় ঃ M/S Universal and Allied Steel Industries LTD. ভাৰত চৰকাৰে উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়িছে। মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াই দৈনিক অসম কাকতত প্ৰকাশিত বাতৰি সম্পৰ্কত যি কথা অবগত কৰাইছে, বাতৰি কাকতত বিশেষকৈ প্ৰদুষণৰ কথা পৰিবেশষণ কৰা হৈছে। প্ৰদুষণৰ বাবে তেখেতে যি উল্লেখ কৰিছে সেই বিষয়ে প্ৰদুষণ মন্ত্ৰীয়ে কৈছে। সেই বিষয়ে প্ৰদুষণ বিভাগৰ পৰা 'নো অৱজেকশ্যন চার্টিফিকেট' দিছে। এই বিষয়টোত 'স্মল স্কেল ইণ্ডাষ্ট্ৰি' অবগত নহয়। আমি অনুসন্ধান কৰি চাম। আজি কালি উদ্যোগ স্থাপন কৰিবলৈ কোনো লাইচেঞ্চ নেলাগে। এই বিষয়টো অনুসন্ধান কৰিম। অধ্যক্ষ মহোদয়ক মই জানিবলৈ দিম।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অবগত নহয় বুলি কৈছে যদিওঁ প্ৰশ্ন কালত মোৰ প্ৰশ্নৰ উত্তৰ দিছিলে। মই যি খিনি তথ্য দিছো তাৰ ব্যৱস্থা লব লাগে।

*** Speech not corrected**

শ্রীবিজিত শইকীয়া (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ ব্যৱস্থা গ্রহণ কৰা হব।

Mr. Speaker : I have recived a notice of Complaint of Breach of Privilege yesterday afternoon submitted by Hon'ble Member, Shri Anowar Hussain against the Editor, Publisher and Special Reporter of 'Sadin' dtd. 22.9.95.

I have also received another notice of Complaint of Breach of Privilege against the Minister. Food & Civil Supplies for incorrect statement in reply to a starred question from Honourable Member Shri Hitendra Nath Goswami today morning.

As per rule, one Notice of Breach of Privilege motion is to be taken up.

Since the Notice of complaint of branch of privilege motion is received from the Honourable, Member, Shri Anowar Hussain earliar, I have allowed Shri Hussain to raise his matter.

However, we may inform the House with regared to the Notice of breach of Privilege of Shri Hitendra Nath Goswami that there is a ruling in this House from my pre-decessor Ex-Speaker Shri Pulakesh Barua that incorrect statement can not be a subject matter of privilege.

Now I call upon Shri Anowar Hussain to raise his matter.

* **Shri Chandra Mohan Patowary :** Sir , incorrect statement given by the Minister Food & Civil Supplies in the Floor of the House cannot be treated as a Breach of Privilege why? ..... এটা যুক্তি থাকিব লাগে। আপুনি পাৱাৰ দিছে এই কথাটো নহয়। দেশত যি মূল্য বৃদ্ধি হৈছে সেই সম্পর্কত মন্ত্রীয়ে ফাকি কথা কৈছে। আপোনালোকে সাদিন কাকতৰ কথা গুৰুত্ব দিছে কাৰণ আপোনালোকৰ পার্টিৰ বিৰুদ্ধে লিখিছে।

(Pandemonium Started in the House)

* **Shri Anower Hussain :** Sir under Rule 159 of the Rules of Procedure Canduct of Business in the Assam Legislative Assembly I beg Sir, to move a Breach of Privilege Motion against the Editor, Publisher

* **Speech not corrected**

and Special Report of 'Sadin' a weekly for Publishing a News item under the caption" গুৰু জনাৰ প্ৰতি ইমান অপমান "of its publication dated 22-9-95. It referred my speeches of 19-9-95 in the Assam Legislative Assembly which is reported to have been expressed by me in course of my deliberations in respect of a Private Members Resolution. Among other things the said news item said the following points :-

(সদনত বিৰাট হুলস্থুল হৈ থাকে, যদিও শ্ৰীআনোৱাৰ হুছেইনে ইংৰাজীতে ভাষণ দি থাকে, মাজে মাজে শুনা নেযায়)

(১) আন এজন সদস্য তথা প্ৰাক্তন মন্ত্ৰী আনোৱাৰ হুছেইনে শাসক দলৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতি থকা দৃষ্টি ভঙ্গীৰ অইন এটা দিশ উদঙাই দিলে। (২) শ্ৰীহুছেইনে জয়নাথ শৰ্ম্মাই অনা এই প্ৰস্তাবৰ ঘোৰ বিৰোধিতা কৰে। (৩) অৰ্থাৎ তেওঁ স্পষ্ট ইঙ্গিত দিয়ে যে শাসক কংগ্ৰেছ (ই) দলে শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত এখন বিশ্ববিদ্যালয় হোৱাটো নিবিচাৰে আৰু এই দলৰ বিধায়কসকল উক্ত প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দান কৰিব।

..... But, I have not expressed my views or told any thing and expressed any indentical views as has been published in' SADIN' dated 22-9-95. A copy of my deliberation dated 19-9-95 in question which has been obtained from Secretary. Assam Legislative Assembly and photostate copy of the news item have been placed before your good-self.

I am astonished to see that my expressions have not only been actually fabricated, mannupulated and exagrated, but also very ugly shaped. There has been misreporting and distortion of the proceedings of the House with an ultimate motive to ridicule myself and Honourable Members of the House and create a wrong impression among the people which primafacio appeared to have infringed the dignity and prestige of the House as a whole.

The matter appears to have constituted a serious Breach of Privilege of the House and its Honourable Members and I pray your honour to admit and take into consideration for disposal at the earliest.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ব্ৰীচ অব প্ৰিভিলেজ অনা হৈছে, মন্ত্ৰী জনে নিজকে ডিফেন্স কৰিব পাৰে, পেপাৰে নোৱাৰে। এইটো ইমপোৰটেন কথা।

(হুলুস্থুল চলি থাকে)

* ডাঃ জয় নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ বিৰুদ্ধে আপুনি এই সদনক কিয় অস্ত্র হিচাবে ব্যৱহাৰ কৰিছে, এজন মন্ত্রী চেফ গার্ড দিয়াৰ কাৰণে কিয় এইটো কৰিছে?

(ভইচ-মূল্যবৃদ্ধি ৰোধ কৰক- ধ্বনি বিৰোধী দলৰ সদস্যই দিয়া শুনা যায়)

অধ্যক্ষ মহোদয়, মহাত্মা গান্ধীয়ে কৈছিল যে "চোৰ কৰা যিমান পাপ, চোৰক ৰক্ষণাবেক্ষণ দিয়াটো বেছি পাপ"।

(সদনত হুলুস্থুল চলি থাকে)

Matter Under Rule 54

Mr. Speaker : I heard the points and submission of the Minister, Parliamentary Aftairs and Shri Anowar Hussain. It is a fit case and as such it is referred to the Committee on Privilege for examination investgation and report to the House.

Now I call upon Shri Chandan Kumar Sarkar to call the attention of the Minister Health to the news item appearing in " Ajir Asom" dated 26th September, 1995 under the Caption "প'লিঅ নির্মূলৰ ব্যৱস্থা"

Shri Chandan Sarkar raised under rule 54.

(সদনত হুলুস্থুল চলি থাকে যদিও শ্রীচন্দন কুমাৰ চৰকাৰে বাতৰিৰ প্রতি মন্ত্রীৰ মনযোগ আকর্ষণ কৰে।)

* **শ্রীচন্দন কুমাৰ চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অধীনত ১৯৯৫ চনৰ ২৬ চেপ্তেম্বৰৰ তাৰিখৰ 'আজিৰ অসম' কাকতত প্রকাশিত "প'লিঅ" নির্মূলৰ ব্যৱস্থা" শীর্ষক বাতৰিটোৰ প্রতি স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো।

(সদনত হুলুস্থুল চলি থাকে)

* **শ্রীভুমিধৰ বর্ম্মণ (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, 'আজিৰ অসম' কাকতত প্রকাশিত "প'লিঅ" নির্মূলৰ ব্যৱস্থা' শীর্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছিল। মাননীয় সদস্য শ্রীচন্দন কুমাৰ চৰকাৰ ডাঙৰীয়াই এই প্রয়োজনীয় বিষয়টো বিধান সভাত অনাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো।

(সদনত হুলুস্থুল চলি থাকে)

*** Speech not corrected**

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মূল্য বৃদ্ধি সম্পর্কে ভুল তথ্য দিয়াৰ কাৰণে তেতিয়া আপুনি কৈছিল আলোচনা কৰিব পৰা যাব।

মাননীয় অধ্যক্ষ ঃ ১ নম্বৰ আগতে হৈছে, ৰুলচ্ ভায়োলেট কৰিব নোৱাৰি।

(সদনত বিৰাট হুলুস্থুল হয়)

শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, ইয়াৰ প্রতিবাদত আমি সদন ত্যাগ কৰিলো।

(এ. জি. পি. দলৰ সদস্য সকলে সদন ত্যাগ কৰে।)

* শ্রীভূমিধৰ বর্ম্মণ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ১৪৫ খন দেশ এই বেমাৰৰ পৰা মুক্ত হৈছে। কিন্তু ভাৰতবর্ষত এই বেমাৰ চলি আছে। সেই কাৰণে ভাৰত চৰকাৰে এইটো সিদ্ধান্ত কৰিছে যে দুই হেজাৰ চনৰ ভিতৰত দেশখনৰ পৰা সম্পূর্ণৰূপে প'লিঅ নির্মূল কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয় 'আজিৰ অসম' কাকতৰ ২৬-৯-৯৫ তাৰিখৰ সংখ্যাত প্রকাশিত 'প'লিঅ নির্মূল ব্যৱস্থা শীর্ষক বাতৰিটোৰ প্রতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দর্ভত এটি চমু বিবৰণ তলত দিয়া মতে ডাঙি ধৰা হ'ল। (১) ১৯৭৯ চনৰ পৰাই পৰিয়াল কল্যাণ বিভাগৰ জৰিয়তে প'লিঅ নির্ম্মূল আঁচনি খন কার্য্যকৰী কৰি অহা হৈছে। এই আঁচনি অনুসৰি এবছৰৰ তলৰ লৰা-ছোৱালীক তিনি পালিঅ পি. ডি. খুউৰা হয়। (২) ভাৰতক প'লিঅ মুক্ত কৰাৰ কাৰণে ভাৰত চৰকাৰে বর্ত্তমান পালচ' প'লিঅ ইমুনাইজেশ্যান নামেৰে এখন বিশেষ আঁচনি গ্রহণ কৰিছে। এই আঁচনি আনুসৰি শূন্যৰ পৰা তিনিবছৰৰ ভিতৰত সকলো শিশুকে ৯-১২-৯৫ আৰু ২০-১-৯৬ তাৰিখে দুপালি অতিৰিক্ত অ. পি. ডি. খুউৰা হব। ইয়াৰ ফলত পৰিবেশৰ পৰা ওৰাইগু প'লিঅ ভাইৰাচ বিলাকক আতৰাই তাৰ ঠাইত ভেকচিন ভাইৰাচেহে লব। এই ভেকচিন ভাইৰাচ বেমাৰৰ সৃষ্টি নকৰে কিন্তু ই পলিঅ নির্ম্মূল ত সহায় কৰে। (৩) অসমত উক্ত দুয়ো তাৰিখত ২০,২৮,২৭৪ টি শিশুক অতিৰিক্ত অ'. পি. ডি. খুউৰা হব। (৪) এই কার্য্য সম্পাদন কৰিবৰ বাবে সর্ব্বমুঠ গোটেই ৰাজ্যখনত ১২ হাজাৰ প'লিঅ কেন্দ্র স্থাপন কৰা হব। (৫) এই আঁচনিৰ বাবে প্রয়োজন হোৱা ৬৪.৫০ লাখ অ'.পি.ডি. দোজ ভাৰত চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰিব। (৬) ভেকচিনৰ গুণ ৰক্ষাৰ বাবে প্রয়োজন হোৱা অতিৰিক্ত কোল্ড চেইন ইকুইপমেণ্ট ভাৰত চৰাকৰে যোগান ধৰিব। (৭) পার্লচপলিঅৰ এই বিশেষ আঁচনিখনৰ সম্পর্কে জনচেতনা জগাই তুলিবলৈ সকলো স্তৰৰ মাধ্যম ব্যৱহাৰ কৰিবলৈ ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। (৮) এই আচঁনিখন নিয়াৰিকৈ আৰু সফল ভাবে পৰিচালনা কৰিবলৈ ভাৰত চৰকাৰে ৪০ লাখ টকা অনুমোদন দিছে।

এই টকা পোনে পোনে জিলা কর্তৃপক্ষক দিয়াৰ বাবে ভাৰত চৰকাৰে ব্যৱস্থা লৈছে। ইয়াৰ

*** Speech not corrected**

সামাজিক সজাগতাৰ কামত ব্যয় কৰা হব। ইয়াৰ উপৰিও অসম চৰকাৰে পৰিয়াল কল্যাণ বিভাগৰ শিশু আৰু মাতৃ মঙ্গল আৰু জনশিক্ষা প্ৰচাৰ পূজাৰী পৰা যাৱতীয় বিত্তৰ যোগান ধৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ষ্টেপালচ প'লিঅ কোঅৰ্ডিনেশ্যন কমিটি আৰু ষ্টেপালচ প'লিঅমেডিয়া কমিটি গঠন কৰা হৈছে। ইতিমধ্যে এচ, মি, চি, চিৰ সভা ১৯-৯-৯৫ তাৰিখে হৈ গৈছে। ডিষ্ট্ৰিক্ট পালচ-পলিঅ ষ্টিয়েৰিং কমিটি আৰু ডিষ্ট্ৰিক্ট পালচ পলিঅ যেতিয়া কমিটি গঠন কৰা হৈছে। জিলা উপায়ুক্ত সকল এই কমিটিৰ সভাপতি। নন গভৰ্নমেণ্ট অৰ্গেনাইজেশ্যনৰ পৰাও আমি সহায় বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত আমি সকলোৰে সহযোগিতা কামনা কৰিছো, মাননীয় সদস্য সকলোৰো এই ক্ষেত্ৰত সক্ৰিয় সহযোগিতা কামনা কৰিলো।

Mr. Speaker: Honourable Chief Minister will now speak.

Shri Hiteswar Saikia (Chief Minister) : With reference to replies submitted against unstarred question number 250 of 25.9.95 asked by Honourable Member Shri Nazmul Haque, I beg to state that in reply to question (Ga) an advertent discrepancy has crept in. In the reply, it has been stated that an amount of Rs. 8 Lacs has been earmarked as budget provision of salary and TA/DA for the Mayor of the Guwahati Municipal Corporation for 1995-96. Actually, this amount includes the budget provisions made for not only the Mayor and Deputy Mayor but all the other repeat, all the other councilors of the Corporation. This error may kindly be corrected.

The inconvenience caused is regreted.

MATTER UNDER RULE 301.

Mr. Speaker : Item No. 3.1 will discuss the matter with the Honourable Minister and the Honourable Member. Shri Jew Ram Boro please.

* **শ্ৰীজীউ ৰাম বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত আলোচনা কৰিব খোজো। এই বিষয়টো আচলতে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছিলো কিন্তু ৰাণ নিয়ন্ত্ৰণ বিভাগত কিবা কাৰণত আহি পৰিল যি কি

*** Speech not corrected**

নহওঁক এই বিষয়ে মই ব্যাখ্যা কৰিলৈ বিচাৰিছো ইতিমধ্যে দৰং জিলাৰ ননৈ নদী গতি সলনি কৰি কুলসী নদীৰ ফালে গতি কৰা সৃষ্টি হোৱা এবাৰ প্ৰলয়ংকাৰী বানপানী হোৱাৰ ফলত ওডালগুৰী, পানেৰী, কালাইগাওঁ, চিপাঝাৰি আৰু মঙ্গলদৈ সমষ্টিৰ ২২,২৯৫ বিঘা মাটিৰ খেতি সম্পূৰ্ণ ধ্বংস হয়। সেইবোৰ মাটি কোনো খেতিয়েই হোৱা সম্ভৱ নহয়। ইয়াৰোপৰি ননৈ নদীৰ গতি সলনি কৰিলে পুনৰ বানপানী সৃষ্টি হোৱাৰ সম্ভাৱনা বেছি। এই বিষয়ে যোৱা ৪-৯-৯৫ তাৰিখে বাতৰি কাকত প্ৰতিদিনত প্ৰকাশ পাইছে। বিষয়টো বিধান সভাৰ চলিত অধিবেশনত আলোচনা কৰিবলৈ অনুৰোধ জনোৱা হ'ল। চৰকাৰৰ হিচাব অনুসৰি কলাইগাওঁ ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ৮০ খন গাওঁ বানত আক্ৰান্ত হয়। তাৰোপৰি মঙ্গলদৈ ৰাজহ চক্ৰৰ কেইবাখনো গাওঁ কুলসীৰ বানত বেয়াকৈ ক্ষতিগ্ৰস্থ হৈছে। ফলত কৃষক বাইজে সেইবিলাক অঞ্চলত এইবাৰ খেতি কৰি পেটৰ ভাত মুঠি যোগাৰ কৰাৰ আশা ত্যাগ কৰিব লগীয়া হৈছে। কঠিয়াৰ অভাৱত বহুতো বাইজে কৃষিকাৰ্য্যৰ ইতি পেলাবলগীয়া হৈছে। প্ৰলয়ঙ্কৰী তৃতীয়টো বানত কলাইগাওঁ ৰাজহ চক্ৰৰ মুঠ ২২ হাজাৰ ২শ ৯৪ বিঘা মাটি বানৰ কবলত পৰে। তাৰোপৰি চৰকাৰৰ হিচাব মতেই ১ কোটি ২৬ হাজাৰ ৯০০ টকাৰ মূল্যৰ শস্য আৰু অন্যান্য সম্পত্তি নষ্ট হয়। এতিয়া এই যি সকল দুৰ্গত খেতিয়ক আছে তেওঁলোকৰ খেতিপথাৰ বিলাকত নতুনকৈ বুল্ডজাৰ দি খেতি কৰাত সহায় আগবঢ়াব লাগিছিল। এই বৃহত অঞ্চলৰ দূৰ্গত বান আক্ৰান্ত লোক সকললৈ চৰকাৰ ফালৰ পৰা অনতিপলমে আৰ্থিক সাহায্যকে ধৰি খেতিৰ বাবে আহিলা পাতি দি সহায় আগবঢ়াব লাগিছিল।

* **শ্ৰীশৰৎ ৰৰকটকী (বাননিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত প্ৰকাশিত কুলসীৰ দুয়োপাৰত দূৰ্ভিক্ষৰ আশংকা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে যদিয়ো এই বিষয়টো ৰাজহ বিভাগৰ বিষয় আছিল, বাননিয়ন্ত্ৰণ বিভাগৰ নহয় তথাপিতো এই বিষয়টো লৈ ৰাজহ বিভাগৰ লগত আলোচনা বিলোচনা কৰি এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হব।

* **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী** ঃ মাননীয় সদস্য জীউৰাম বড়ো ডাঙৰীয়াই ৩০১ ত যিটো দৃষ্টি আকৰ্ষণ মূলক প্ৰস্তাৱ আনিছে তাৰ ওপৰত বিশেষ মনোযোগ দি বিহীত ব্যৱস্থা লব লাগে। দৰং জিলাত কুলসী নদীয়ে বিস্তৰ ক্ষতিসাধন কৰিছে। অকল তাতেই নহয় ওডালগুৰীৰ ওচৰত যিটো জলিমুখ বান্ধ আছিল সেইটো ভাঙি যোৱাৰ কাৰণে কুলসী নয়নানদী সেই অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰিলে, গতিকে জালিমুখ বান্ধটো নতুনকৈ মেৰামতি কৰি বাইজক আসন্ন বিপদৰ পৰা ৰক্ষা কৰিব লাগে।

LAYING AND PRESENTATION OF REPORTS, RULES, REGULATIONS, STATEMENTS Etc.

Mr. Speaker : Shri Gobinda Chandra Langthasa. Minister . Hills

---

* Speech not corrected

Areas Development will lay the Sharma Commissions of Enquiry Reports concerning Karbi Anglong Autonomous District Council.

Shri Gobinda Chandra Langthasa, (Minister, Hills Areas) : Sir, I beg to lay the Sharma Commissions of Enquiry Reports concerning Karbi Anglong Autonomous District Council.

Mr. Speaker : Honourable Minister, Power is to lay the 7th Annual Report of the Assam Mineral Development Corporation Limited for the year 1989-90.

Shri Golok Rajbangshi, (Minister, Power etc.) : Sir, I beg to lay the Seventh Annual Report of the Assam Mineral Development Corporation Limited for the year 1989-90.

Mr. Speaker : Item No. 6 Shri Golok Rajbangshi, (Minister, Power etc.) to lay the Assam Minor Mineral Concessions Rules 1995.

Shri Golok Rajbangshi, (Minister, Pover, etc.) : Sir, I beg to lay the Assam Minor Mineral Concessions Rules, 1994.

Mr. Speaker : Now Item No. 7. Shri Golok Rajbangshi, (Minister, Power) to lay.

Shri Golok Rajbangshi, (Minister, Power etc.) : Sir, I beg to lay the Assam State Electricity Board Security Boree(Service Regulations, 1975.)

Mr. Speaker: Item No. 8. Shri Golok Rajbangshi, MInister, Power etc to lay.

Shri Golok Rajbangshi, (Minister, Power.) : Sir, I beg to the Annual Finnancial Statement of Assam State Electricity Board for the year 1995-96.

Mr. Speaker : Item No. 9. Minister, Labour to lay.

Shri Dileswar Tanti, (Minister, Labour): Sir, I beg to lay the Assam Tea Plantations Provident Fund and Pension Fund (Amendment) Scheme, 1992.

Mr. Speaker: Item No. 10 Minister, Labour to lay.

Shri Dileswar Tanti, (Minister, Labour.) : Sir, I beg to lay the "Assam Tea Plantation Provident Fund and Pension Fund (Ammendment) Scheme, 1995.

Mr. Speaker : Item No. 11 Minister of State, Khadi and Village Industries to day.

Shri Boloram Nag, (Minister of Assam Khadi and Village Industries) : Sir, I beg to lay the" Audit Raport on the Accounts of the Board of the years 1986-87 to 1992-95.

Mr. Speaker : Item No. 12. Minister of State, Khadi and Village Industries to day.

Shri Boloram Nag, (Minister of State Khadi and Village Industries) : Sir, I beg to lay the" Annual Report of the Assam Khadi and Village Industries Board. for the years 1987-88 to 1988-89.

Mr. Speaker : Now item No. 13.

Shri Samsul Huda (Minister of State, Fisheries) : Mr. Speasker Sir. I beg to lay the Thirteenth Report of the Assam Fisheries Development Corporation Limited for the year 1989-90.

Mr. Speaker : Now item No. 14.

Shri Dileswar Tanti (Minister, Labour) : Mr. Speaker Sir. I beg to lay The Assam Payment of Wages (Amendment Rules, 2995.

Mr. Speaker : Now item No. 15.

Shri Dileswar Tanti (Minister Labour) : Mr. Speaker Sir, I beg to lay The Inter State Migrant Workmen (Regulation of Employment and Conditions of Service) Assam (Amendment) Rules, 1995.

Mr. Speaker : Now item No. 16.

Shri Dileswar Tanti (Minister, Labour) : Mr. Speaker Sir, I beg to lay The Assam Minimum Wages (Amendment) Rules, 1995.

Mr. Speaker : Now item No. 17.

Shri Anjan Dutta (Minister of State, Town and Country Planning) : Mr. Speaker Sir, I beg to lay The Assam Town and Country Planning (Publication of Master Plan and Regulation) (Amendment) Rules, 1995.

Mr. Speaker : Now item No. 18.

Shri Prithibi Majhi (Deputy Speaker and Chairman, Committes of Privileges) : Mr. Speaker Sir, I beg to present the Thirty Third Report of the Committee of Privileges of Assam Legislative Assembly.

Mr. Speaker : Now item No. 19.

Shri Prithibi Majhi (Deputy Speaker, Chairman, Committee of Privileges): Mr. Speaker Sir, I beg to present the Thirty Fourth Report of the Committee of Privileges of the Assam Legislative Assembly.

Mr. Speaker : Now item No. 20

Shri Prithibi Majhi (Deputy Speaker and Chairman, Committee on Subordinate Legislation) : Mr. Speaker Sir, I beg to present the Twenty Second Report of the Committee on Subordinate Legislation of the Assam Legislative Assembly.

Mr. Speaker : Now item No. 21

Shri Anjan Dutta (Chairman , Employment Review Committee) : Mr. Speaker Sir. I beg to present the Twenty Sixth Report of the Employment Review Committee, Assam Legislative Assembly.

Mr. Speaker : Now item No 22.

Shri Hiranya Bora (Chairman, Committee on Public Undertakings) : Mr. Speaker Sir, I beg to present the Twenty Sixth Report of the Committee on Public Undertaking, Assam Lagislative Assembly.

Mr. Speaker : Now item No. 23.

Shri Hiranya Bora (Chairman , Committee on Public Undertakings) : Mr. Speaker Sir, I beg to present the Twenty Seventh Report of the Committee on Public Undertaking, Assam Legislative Assembly.

Mr. Speaker : Now item No. 24.

Shri Hiranya Bora (Chairman, Committee on Public Undertakings) : Mr. Speaker Sir, I beg to present the Twenty Eighth Report of the Committees on Public Undertakings, Assam Legislative Assembly.

Mr. Speaker : Now item No. 25.

Shri Chandan Kumar Sarkar (Chairman, Committee on Welfare of Scheduled Castes and Schedualed Tribes) : Mr. Speaker : Sir , I beg to present the 28th Report of the Committees on Welfare of Scheduled Castes and Scheduled Tribes, Assam, Legislative Assembly.

Mr. Speaker : Now item No. 26.

Shri Rameswar Dhanowar (Chairman, Committees on Welfare of Other Backward Classe and More Other Backward Classes) : Mr. Speaker Sir, I beg to present the 3rd Report of the Committee on Welfare of Other Backward Classes and More Othher Backward Classes of the Assam Legislative Assembly.

Mr. Speaker : Now item No. 27.

Shri Rameswar Dhanowar (Chairman, Committee on Welfare of Other Backward Classes and More other Backward Classes)

Mr. Speaker Sir, I beg to present the 4th Report (on Action Taken Report) of the Committee on Welfare of Other Backward Classes and More Other Backward Classes of the Assam Lagislative Assembly.

Mr. Speaker : Now item No. 28.

Shri Abdul Jalil Ragibi (Chairman, Committee on Petitions) : Mr. Speaker Sir I beg to present the 21st Report of the Committee on Petitions of the Assam Legislative Assembly.

Mr. Speaker : Now item No. 29 (a) Honble Chief Minister to move.

CONSIDERATION AND PASSING OF GOVERNMENT BILLS.

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, I beg to move that the Guwahati Municipal Corporation (Amendment) Bill,1995 be taken into consideration.

Mr. Speaker : I now put the motion before the House. The motion is that "The Guwahati Municipal Corporation(Amendment) Bill, 1995 be taken into consideration.

The motion is passed.

Now Item No . 29(b) . There is an amendment in sub-clauses (i) of Clause 2 of the Bill in the name of Honourable member Shri Hitendra Nath Goswami. I now call upon the Honourable Member Shri Hitendra Nath Goswami to move his amendment and to speak on it.

Shri Hitendra Nath Goswami :- Mr. Speaker Sir, I beg to move "Section 5 of the Principal Act sought to be amended by the proposed sub-clause (i) of Clause 2 of the Bill shall be deleted and the original Section 5 of the Principal Act shall be retained."

মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিশেষ কথাৰ কাৰণে মুখ্যমন্ত্রী আৰু আইন মন্ত্রীৰ পৰা ক্লিয়াৰিফিকেছন পাবলৈ বিচাৰিছো। আমাৰ যিখন সংবিধানৰ ইতিমধ্যে ৭৪ তম সংশোধনী হৈছে ১৯৯২ চনত। তাৰ জৰিয়তে এটা কথা লিখা আছে ৰিজার্ভেছনৰ ক্ষেত্রত। তাত লিখা আছে

"The office of the chair persons with municipalities shall be reserve for Scheduled Castes, Scheduled Tribes and Women in such manner. এই কথাটো থকাৰ পিছতো আমাৰ বিধান সভাৰ অধিবেশনত মুখ্য মন্ত্রী ডাঙৰীয়াই গুৱাহাটী পৌৰ নিগম সংশোধনীত মেয়ৰ পোষ্টটো ৰিজার্ভেছন ৰ ক্ষেত্রত এটা কথা কৈছিল যে মেয়ৰ পোষ্টটো এচ চি / এচ টি আৰু অন্যান্যৰ বাবে ৰিজার্ভ ৰখা হব। তেখেতে সংশোধনী আনিছিল। আমি তেতিয়া এটা কথা কৈছিলো যে ইন ডাইৰেক্ট ইলেকচন বিলাকত উপযুক্ত মানুহক উপযুক্ত আসন দিয়াৰ সুবিধা থাকিব লাগে। ডাইৰেক্ট ইলেকচন বিলাকত এচ চি / এচ টি, উইমেন বা অন্যান্য ৰ কাৰণে ৰিজার্ভেছনৰ ব্যৱস্থা থাকিব থাকিব লাগে। মেয়ৰ পোষ্টটোত থাকিব নালাগে। মই অকল গুৱাহাটী পৌৰ নিগমৰ কথাই কোৱা নাই অন্যান্য কর্পৰেশ্যন, কাউন্সিল আদিত মেয়ৰ বা প্রেচিডেন্ট বা চেয়াৰমেনৰ পোষ্টটো আটাইতকৈ উপযুক্ত মানুহক দিব লাগে। ৰাজ্য চৰকাৰে এই ক্ষেত্রত আইন তৈয়াৰ কৰিব লাগে। এই ব্যৱস্থাত মহিলাৰ বাবে আসন ৰক্ষণা বেক্ষণ থাকিব। ইনডাইৰেক্ট ইলেকচনৰ ক্ষেত্রত যদি এচ চি/এচ টি বা মহিলা নির্বাচিত প্রতিনিধিৰ মাজত উপযুক্ত প্রার্থী থাকে তেতিয়া তেওঁলোকৰ মাজৰ পৰাও মেয়ৰ হব পাৰিব। সেয়েহে মই মেয়ৰ পোষ্টটোৰ ক্ষেত্রত ৰিজার্ভেচন থাকিব নে নাই এই বিষয়ে স্পষ্টকৈ জানিব বিচাৰিছে।

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিলখন যোৱাবাৰ পাছক ৰাৰ সময়ত এচ চি / এচ টি আৰু উইমেনৰ ৰিজার্ভ কথাটো উল্লেখ কৰিছো। মূল আইনখনতো তেনেদৰে আছে। ইতিমধ্যে বোম্বে, মাদ্রাছ আদি মিউনিচিপাল কপৰেছন বিলাকত চলি আহিছে। আমি নির্ৱাচনৰ সময়ত এই কথা দৃষ্টি গোচৰ হৈছে। আমি ২০ বছৰৰ কাৰণে ৰোষ্টাৰ বনাইছো। সেইমতে প্রত্যেকটো টার্ম এক বছৰৰ হব। ৬ শতাংশ হব এচ চিৰ বাবে, ৪ শতাংশ এচ টি, ৪ শতাংশ মহিলা আৰু আন ৰিজার্ভ থাকিব বাকীখিনি। ৰোস্তাৰ মতে প্রথম বছৰ আন ৰিজার্ভ, দ্বিতীয় বছৰ মহিলাৰ বাবে। 3rd Schedualed Caste, 4th unreserved ,5th women, 6th unreserved, 7th women, 8th ST, 9th women, 12th unreserved, 11th unreserved,12th women, 13th unreserved 14th unreserved, 15th women, 16th, unreserved, 17th, women., 18th unreserved, 19 the women,20th unreserved, এই ২০ বছৰৰ ভিতৰত আন ৰিজার্ভো আছে।

Mr. Speaker : Mr. Goswami will you please withdraw your amendment?

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থা ২০ বছৰৰ পিছতো চলি থাকিব নেকি ? মই জানিব বিচাৰিছো।

*** Speech not corrected**

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০ বছৰ পিছত আকৌ আন ৰিজার্ভ হব।

* **শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেইটামান কথা কব বিচাৰিছো। যিখন বিলৰ সংশোধনী আনিছে সেই সম্পর্কত কবলৈ কিছু পৰিমাণে আছে কিছু পৰিমাণে নাই। চাৰ, এতিয়া দেখা গৈছে গুৱাহাটী মিউনিচিপাল ডেভেলপমেণ্ট অথৰিটি হোৱাৰ পিচত ১৯৯২ চনত অতিৰিক্ত মুখ্য সচিবে ২১-১১-৯২ চনত মিউনিচিপালিটি বিভাগৰ কমিশ্যনাৰ আৰু গুৱাহাটী মিউনিচিপাল কর্পৰেছনলৈ স্পেচিয়েলি এখন চার্কোলাৰ দিয়া হৈছিল। জি, এম, চি, ৰ পৰা সম্পূর্ণ ভাৱে বিল্ডিং পার্মিচন আৰু কনচট্রাকচনৰ পার্মিচন দিয়াৰ কথা আছিল। সেইটো সংশোধনী কৰিছে — কিন্তু দেখা গৈছে যে এই বিলাক আৰু এই কথাটো ৰ সংঘাট গুচাবলৈ হলে ভালদৰে কিবা কিবি কৰিব লাগিব।

অধ্যক্ষ মহোদয়, এইটো এতিয়া সাংঘাটিক অৱস্থাৰ সৃষ্টি হৈছে। জি, এম, ডি, এ সেইকাৰণে এইটো কৰিছিল। ১৯৯২ চনতে এইটো জি, এম, ডি, ৰ হাতলৈ আনিছিল। সংবিধানে এই অধিকাৰ মিউনিচিপালিটিক দিছে তাৰ পিচত ১৯৯২ চনৰ চার্কোলাৰ মতে জি, এম, চিয়ে, নিয়াৰ পিচত এতিয়া চৰকাৰে এইটো বন্ধ কৰিবৰ বাবে কি ব্যৱস্থা লৈছে? গতিকে মোৰ অনুৰোধ এই যে, ইয়াৰ এটা ব্যৱস্থা কৰিবলৈ কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** অধ্যক্ষ মহোদয়, মই গুৱাহাটী মেট্রো পলিটান উন্নয়ন কর্ত্তৃপক্ষই (সংশোধনী) বিধেয়ক ১৯৯৫ চনৰ বিষয়ে দুটামান কথা মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। গুৱাহাটীত যিটো জি. এম. দি গঠন কৰা হৈছে তা ৰ আৰু জি, এম, চিৰ মাজত বিভিন্ন সময়ত সংঘাট হৈ থকা দেখিবলৈ পাইছো। তাৰোপৰি গুৱাহাটী পৌৰ নিগমৰ ভিতৰত যিখিনি কাম কাজ আছে তাৰ ওপৰতো জি, এম, দি এ জি, এম, চিৰ ওপৰত হস্তক্ষেপ কৰাৰ পৰিলক্ষিত হৈছে। যেতিয়া নির্ব্বাচন হোৱা নাছিল তেতিয়া জি, এম,দিক গুৱাহাটী মহানগৰীৰ কিছু কাম কৰিবলৈ লৈছিল। মাননীয় সদস্য হিতেন্দ্র নাথ গোস্বামী দেৱে এটা পইণ্ট উল্লেখ কৰিছে যে, ১৯৯২ চনতে জি, এম, চিক এখন চাকোলাৰ দিছিল আৰু সেই মতে তেওঁলোকে ঘৰ সজাৰ পাৰৰ্মিচন তেওঁলোকে দিব। কিন্তু কিছু দিনৰ আগতে গুৱাহাটী পৌৰ নিগমৰ নির্ব্বাচন হৈ গল। গতিকে ইলেকটেদ মেম্বাৰ অহাৰ পিচত ভাৰতীয় সংবিধান মতে গুৱাহাটী পৌৰ নিগমৰ ক্ষেত্রত স্পষ্ট নীতি নির্দ্দেশনা আছে আৰু যিহেতুকে ইলেকটেদ বডি আছে গতিকে বিল্ডিং পাৰমিচনটো পৌৰ নিগমৰ ওপৰত ন্যস্ত কৰিব লাগে। তাৰ বাবে মই মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিলো। জি, এম. দি, এক গুৱাহাটী পৌৰ নিগমৰ বাহিৰৰ এলেকাত দায়িত্ব দিব লাগে। নহলে যথেষ্ট মানুহে অসুবিধা পাইছে। বিল্ডিং পাৰমিচনটো পুনৰ গুৱাহাটী পৌৰ নিগমৰ হাতত দিব লাগে। ১৯৯২ চনৰ চার্কোলাৰখন প্রত্যাহাৰ কৰি গুৱাহাটী পৌৰ নিগমৰ ইলেকটেদ বডিক যদি বিল্ডিং পাৰমিচনটো

*** Speech not corrected**

দিয়া হয় তেনেহলে যথেষ্ট সুবিধা হব। এতিয়া যিটো সংঘাট চলি আছে সেইটোৰ সামৰণি পৰিব। দ্বিতীয়তে, গুৱাহাটী মহানগৰীত বিভিন্ন বিভাগ আছে কিন্তু তেওঁলোকৰ মাজত কো-অর্দিনেটন নাই। গতিকে বিভাগ বিলাকৰ মাজত কো-অর্দিনেচন নাই। গতিকে গুৱাহাটী মহানগৰীৰ কাম-কাজ বিলাকত যথেষ্ট অসুবিধাই দেখা দিছে। এই বিলাকৰ মাজত কো- অর্দিনেচন কমিটি গঠন কৰি দিব লাগে তেতিয়া কাম কাজবিলাক কৰাত সুবিধা হব। এইখিনিকে মই মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি গোচৰ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্রীনগেন শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী মহোদয়ে, গুৱাহাটী মেট্রোপলিটান উন্নয়ন কর্ত্তৃপক্ষ (সংশোধনী) বিধেয়ক ১৯৯৫ চনৰ বাবে আনিছে সেই সম্পর্কত মাননীয় সদস্যসকলে যথেষ্ট আলোচনা কৰিছে। ইতিমধ্যে গুৱাহাটী পৌৰ নিগম আৰু জি, এম, দি এৰ মাজত এটা অৰিয়াঅৰিৰ সৃষ্টি হৈছে। ১৯৯২ চনৰ চার্কেলাৰৰ মতে গুৱাহাটী এম, দি, এৰ, হাতত ২৯ টা বিভাগ আছে আৰু জি, এম, চিৰ ক্ষমতা নাইকীয়া কৰিছে। তাৰ পিচতে ভাৰতীয় সংবিধানৰ সংশোধনী আনি নিকা পঞ্চায়ত ব্যৱস্থা কৰিলে। গুৱাহাটী পৌৰ নিগমে আজি ক্ষমতা পাব লাগে কিন্তু পোৱা নাই। জি, এম, দিএৰ হাতত এই ক্ষমতা ন্যস্ত কৰা হৈছে। এতিয়া বিল্ডিং পাৰমিচনটো জি, এম, চিৰ পৰা লবনে জি, এম, দি, এৰ পৰা লব এই বিষয়ে সাধাৰণ মানুহৰ মাজত অসুবিধা হৈছে। গতিকে জি, এম, দি, এৰ , ক্ষমতাখিনি উইদ্র কৰিব লাগে আৰু মিউনিচিপেলিটি এলেকাৰ বাহিৰত যি মাষ্টাৰ প্লেন আছে সেই কামৰ দায়িত্ব জি, এম, দি, এক দিব লাগে। গাতিকে এই ব্যৱস্থা লোৱাৰ বাবে মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰি মোৰ বক্তব্য সামৰিলো।

* **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ভালেকেইজন মাননীয় সদস্যই কিছু পৰামর্শ আগবঢ়াইছে। মাননীয় সদস্য দেৱান জয়নাল আবেদিন দেৱে জি, এম, চিৰ ইলেকচনৰ কথা কৈছে। এতিয়া আমাৰ জি, এম, চিৰ ইলেকচন হৈ গৈছে আৰু অতি কম দিনৰ ভিতৰতে জি, এম, চিৰ ইলেকটেদ প্রতিনিধি সকলে নিজ নিজ এলেকাত বহুখিনি উন্নয়নমূলক কাম কৰিছে। সেইমতে তেওঁলোকে আঁচনি কৰিছে আৰু প্রতিজন কাউন্সিলৰে নিজ নিজ এলেকাৰ দায়িত্ব লৈছে। মাননীয় সদস্য ৰমেন্দ্র কলিতা দেৱে কৈছে যে জি, এম, চি, আৰু জি, এম, দি, এৰ মাজত অৰিয়া অৰি হৈছে বিল্ডিং পাৰমিচনৰ ক্ষেত্রত। কিন্তু জি, এম, দি, এৰ চেয়াৰমেন মই নিজে আৰু জি, এম, চিৰ মোৰ পৰিবাৰ। আজি ৰাতিপুৱাই এই বিষয়ে আলোচনা হৈছে। জি. এম. চিৰ কাউন্সিলৰ সকলে কৈছে যে বিল্ডিং পাৰমিচনটো তেওঁলোকক দিব লাগে। মই কৈছো যে, জি, এম, চিক, এইটো দিয়া হব। কিন্তু গুৱাহাটী নগৰ খন সম্প্রসাৰণ যি ধৰণে হল নগৰখন নষ্ট কৰি পেলাইছে। পুৰণা এৰিয়া বিলাক যেনে উজান বজাৰ, পানবজাৰ।

অধ্যক্ষ মহোদয়, গুৱাহাটী পূৰণা ঠাইবোৰ যেনে উজান বজাৰ, পানবজাৰ আদি অঞ্চলবোৰৰ ৰাষ্টা-ঘাট ভাল আহল বহল। কিন্তু বাকীবোৰ অঞ্চল বিশেষকৈ যিবোৰ নতুন নতুন অঞ্চল গঢ় লৈ উঠিছে সেইবোৰৰ ৰাষ্টা-ঘাট, নলা নর্দ্দমা আদিৰ অৱস্থা বৰ বেয়া, শোচনীয় -কোনোবা ৰাষ্টাত

---

* Speech not corrected

এখন ফিয়েট গাড়ী ক্রয় কৰিব নোৱাৰে। নলা-নৰ্দ্দমাৰ ব্যৱস্থা নাই, আজি গুৱাহাটীৰ শতকৰা ৮০ ভাগ অঞ্চলৰ এনে অৱস্থা। মানুহে ৰাস্তাৰ ওপৰতে ওৱাল দিছে, পানী যাব নোৱাৰে। দিল্লী মহানগৰৰ দৰে গুৱাহাটীৰ ৰাস্তা-ঘাট, নলা আদি কিছু উন্নত কৰিবৰ বাবে ১৯৯২ চনত জি. এম. ডি. এ. গঠন কৰা হ'ল। বিশেষকৈ মহানগৰ খনৰ ঘৰ সজাৰ পাৰমিচন দিয়াৰ ক্ষেত্ৰত ৰাস্তা-ঘাটৰ, নলা-নৰ্দ্দমাৰ, বাউণ্ডেৰী ওৱাল আদিৰ কথাবোৰ সঠিক ভাবে চাই মেলি লৈহে ঘৰ সজাৰ অনুমতি দিবলৈ জি. এম. ডি. এক কোৱা হৈছে। আমাৰ ইয়াত আগতে জি. এম. চিয়ে কোনো লোকক ঘৰ সজাৰ অনুমতি দান কৰাৰ আগতেই মানুহে ঘৰ সাজি উঠে— ৰাস্তা বা নলাৰ ব্যৱস্থাৰ বিষয়ে কোনেও গুৰুত্ব নিদিয়ে। এইবোৰ জি. এম. ডি. এ চোৱামেলা কৰিছে। যধে-মধে ঘৰ সাজি যাতে গুৱাহাটীৰ সৌন্দৰ্য্য নষ্ট কৰিব নোৱাৰে তাৰ বাবে চেষ্টা কৰা হৈছে। কেতিয়াবা কাৰোবাৰ হেচাঁটো কিছু কাম কৰিবলগীয়া হয়, সঁচা। এইবোৰ কথাৰ প্ৰতি চকু দিয়াৰ বাবেই আমি আৰু কিছুদিনলৈ জি. এম. ডি. এ ৰখাৰ পক্ষপাতি। পিছত উঠাই দিয়া হ'ব। শ্ৰীকলিতা ডাঙৰীয়াই বিভিন্ন বিভাগৰ লগত কো-অৰ্ডিনেট ৰাখি কাম কৰাৰ পৰামৰ্শ দিছে। এই ক্ষেত্ৰত আমি ইতিমধ্যেই গড়কাপ্তানি বিভাগৰ এজন মুখ্য অভিযন্তাক সংশ্লিষ্ট বিভাগৰ মাজত ক'অৰ্ডিনেট কৰি কামবোৰ সমাধা কৰাৰ কাৰণে চকু দিবলৈ দিয়া হৈছে। মহানগৰ খনত গড়কাপ্তানি, পাৱাৰ, পি, এণ্ড, টি, পি, এইচ, ই ইত্যাদি ভালেকেইটা বিভাগে কাম কৰে। ইয়াৰ মাজত ক'অৰ্ডিনেট থকাটো বাঞ্ছনীয়।

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ অধ্যক্ষ মহোদয়, সংবিধান মতে নিৰ্বাচিত লোকেল বডিক আমি প্ৰাপ্য ক্ষমতা প্ৰদান কৰিব লাগে। যোৱাবাৰ বিধান সভাত এই বিষয়ে আলোচনা কৰোতে মুখ্যমন্ত্ৰীয়ে এইটো কৰিম বুলি আশ্বাস দিছিল। এতিয়া গুৱাহাটীত ইলেকটেড্ বডি হোৱাৰ পিছত জি. এম. ডি. এ ৰাখিব নেলাগে। পৌৰ নিগমক সকলো কাম কৰিবলৈ দিব লাগে। কিন্তু পৌৰ নিগমে যদি বেয়া কাম কৰে তেনে ক্ষেত্ৰত বাধা দিয়াৰ ব্যৱস্থাও আছে। জি. এম. ডি. এৰ প্ৰেচিডেণ্ট আৰু কৰ্পোৰেচনৰ মেয়ৰ আজি একেটা পৰিয়ালৰ। গতিকে সোনকালে কৰ্পোৰেচনক দায়িত্ব দি চাব লাগে তেওঁলোকে কেনে কাম কৰে। বেয়া কৰিলে ব্যৱস্থা লোৱাৰ ব্যৱস্থাও আছে আইনত। কিন্তু মেইন্ এক্টক চুপাৰছিদ কৰিব নোৱাৰে চাব; এক্ট বাই পাছ কৰিব নোৱাৰে।

শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, কথাটো সঁচা। এইটো ব্যৱস্থা কৰা হ'ব।

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the amendment?

(Voices. : yes, yes)

*** Speech not corrected**

With the leave of the House the amendment is withdrawn.

There is no amendment in Clauses 2 and 3 of the Bill. I now put Clauses 2 and 3 of the Bill before the House. The question is that Clauses 2 and 3 do stand part of the Bill.

Clauses 2 and 3 do form part of the Bill.

I now put Clause I, Preamble, Enacting Formula and Short Title of the Bill before the House for approval.

The question is that-Clause I, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour say, "Ayes"
Those who are against say, "Noes"
"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause I, Preamble, Enacting Formula and Short title do form part of the Bill.

Now item No. 29 (c) Honourable Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) : I beg to move that the Guwahati Municipal Corporation (Amendment) Bill, 1995 be passed.

Mr. Speaker : Now, I put the motion before the House for approval. The motion is that - The Guwahati Municipal Corporation (Amendment) Bill, 1995 be passed.

Those who are in favour say, "Ayes"
Those who are against say, "Noes"
"Ayes" have it, "Ayes" have it, "Ayes" have it.

The Motion is passed. The Bill is passed.

Now, item No. 30(a) Honourable Chief Minister to mc

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that the Guwahati Metropolitan Development Authority (Amendment) Bill, 1995 be taken into consideration.

***Shri Dewan Joynal Abedin :** Mr. Speaker , Sir, Honourable Chief Minister has moved for taking into consideration the Guwahati Metropolitan Development Authority (Amendment) Bill, 1995, Sir, I do not want to speak much on this because this is meant for some technical changes like substitution of the term Guwahati Metropolitan Development Authority in place of Guwahati Municipal Corporation and in the Statement of objects and reasons, it has been shown that this amendment has been necessiated by the fact that the District of Pragjyotishpur has been abolished and the new Guwahati Development Department has been created and the Guwahati Municipal Corporation has been renamed as Guwahati Metropolitan Development Department.

Sir, there are also certain specifications as to who will be the persons in this new Guwahati Metropolitan Development Authority. Now, Sir, my observation is that after a lapse of several years, there has been an election to the Guwahati Municipality and it was in the month of June that the elections were held. We must thank the present Govt. for holding elections although after a lapse of long time. Sir, you know this election will give rise to new aspirations and expectations in the heart of the people living in Guwahati and there was much fun fare during the time of election. Sir, the results of the elections showed that seats were almost equally divided between the Ruling Party and the major Opposition Party in the State. But Sir, somehow the ruling party managed to come to the power in the Municipality. We are happy for the fact that we have got a Mayor a personality who is no less than the wife of the Chief Minister of the present Govt. and who is by herself a dignified personality and there has been some expectation in the hearts of the people of Guwahati that

*** Speech not corrected**

something would be done for the development of this city. But Sir, few months have passed, but Govt. have set no clear terms....

Those who are in favour say, "Ayes"
Those who are against say, "Noes"
"Ayes" have it, "Ayes" have it, "Ayes" have it.

মাননীয় অধ্যক্ষ ঃ আপুনি বহক।

* **Shri Dewan Joynal Abedin :** Sir, at the time of election, much expectations were roused but the people are very much disappointed.

মাননীয় অধ্যক্ষ ঃ মিঃ আবেদিন আপুনি বহক।

* **Shri Dewan Joynal Abedin :** People are very much disappointed seeing the performance of this Guwahati Municipality. Sir, I would request the Govt. through you that something should be done so that there is real development to the Guwahati city.

(Hon'ble Speaker rang the bell)

Mr. Speaker : Now item No. 30(b).

There is no amendment in Clause 2 of the Bill. I now put Clause 2 of the Bill before the House. The question is that-Clause 2 do stand part of the Bill.

Those who are in favour say, "Ayes"
Those who are against say, "Noes"
"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause 2 do form part of the Bill.

I now put Clause-I, Preamble, Enacting Formula and Short Title of the Bill before the House for approval. The question is that - Clause I, Preamble, Enacting Formula and Short Title do stand part of the Bill.

*** Speech not corrected**

Those who are in favour say, "Ayes"

Those who are against say, "Noes"

"Ayes" have it, "Ayes" have it, "Ayes" have it.

Clause-I, Preamble, Enacting Formula and Short Title do form part of the Bill.

Now item No. 30 (c) Hon'ble Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that the Guwahati Metropolitan Development Authority (Amendment) Bill, 1995 be passed.

Mr. Speaker : Now I put the motion before the House.

The Motion is that- The Guwahati Metropolitan Development Authority (Amendment) Bill, 1995 be passed. The motion is adopted.

Those who are in favour say, "Ayes"

Those who are against say, "Noes"

"Ayes" have it, "Ayes" have it, "Ayes" have it.

The motion is passed.

The Bill is passed.

Now item No. 31. Hon'ble Minister of State, WPT&BC to move.

Shri Gomeswar Pegu (Minister of State, WPT & BC) : Sir, I beg to move that the Lalung (Tiwa) Autonomous Council Bill, 1995 be taken into consideration.

Mr. Speaker : Now item No. 31(a). There is a message from the Hon'ble Governor of Assam, Raj Bhawan, Guwahati

Dated : September 06, 1995.

"Under the provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Lalung (Tiwa) Autonomous Council Bill, 1995 be taken into consideration by the Assam Legislative Assembly."

SD/ LOKNATH MISRA
GOVERNOR OF ASSAM

Now Minister of State, WPT & BC to move.

Shri Gomeswar Pegu (Minister, WPT & BC) : Sir, I beg to move that the Lalung (Tiwa) Autonomous Council Bill, 1995 be taken into Consideration.

* **শ্রীপ্রমোদ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, লালুং, তিৱা স্বায়ত্ব শাসিত পৰিষদ বিল খনৰ সম্পর্কত প্রথমে এটা কথা ক'ব লাগিব যে আমাৰ দলে জনজাতীয় লোক সকলক ৰাজ্যখনৰ ভিতৰতে সর্বাধিক স্বায়ত্ব শাসন দিয়াৰ পক্ষে। ইয়াৰ আগতেও আমি এই সদনত বড়ো সকলৰ বাবে স্বায়ত্ব শাসন বিলত সমর্থন দিছো। ৰাভা সকলৰ বিলৰ প্রতিও আমাৰ সমর্থন আছে। কাৰণ আমি ভাবো, যিটো কথা অলপতে সদনত লেজিচলেটিভ কাউন্সিল বিল সম্পর্কত কৈছো— অসমত বসবাস কৰা সকলো জনজাতীয় লোকৰ সামাজিক, আর্থিক, সাংস্কৃতিক দিশ বিকাশৰ কাৰণে এই ৰাজনৈতিক স্বায়ত্ব শাসন পোৱা একান্ত প্রয়োজন।

এইখিনিতে এটা বিষয়ত স্বাভাৱিকতে বিতর্ক হৈছে যে আমাৰ বড়ো সকলে স্বায়ত্ব শাসন পালে আৰু তেখেত সকলৰ এটা চাৰি সীমা আছিল। কিন্তু লালুং স্বায়ত্ব শাসনৰ ক্ষেত্রত এনে ধৰণে কোৱা হৈছে লালুং স্বায়ত্ব শাসন পৰিষদৰ কোনো নির্দিষ্ট সীমা নাথাকে। অৱশ্যে ৰাভা হাছং স্বায়ত্ব শাসনৰ ক্ষেত্রতো কোনো পৰিসৰ নাছিল। এই ক্ষেত্রত স্বাভাবিকতে চাৰি সীমাৰ সপক্ষে আৰু বিপক্ষে ৰাজ্য খনত এটা বিতর্কৰ সৃষ্টি হৈছে আৰু বিশেষকৈ জাতীয় লোক সকলৰ মাজত এই বিতর্ক অতি তীব্র হৈছে। আমি এটা কথা বিবেচনা কৰো যে আমি যদি স্বায়ত্ব শাসন যথাযথ ভাবে কৰিব বিচাৰো তেনেহলে স্বায়ত্ব শাসনৰ

*** Speech not corrected**

বাবে এটা নির্দিষ্ট অঞ্চল থকাতো একান্তই প্রয়োজন। সেই কথাটোৰ প্রতি লক্ষ্য ৰাখিয়েই বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদ কৰিবলৈ যাওঁতে এটা নীতিৰ ভিত্তিত তাত চাৰি সীমা দিয়াৰ কথাটো আছিল যদিও সীমা সম্পৰ্কীয় বিষয় এতিয়াও নিস্পত্তি হোৱা নাই। আমি আশা ৰাখিছো বড়ো স্বায়ত্ব শাসন পৰিষদৰ চাৰি সীমাৰ বিষয়টো আলোচনা বিলোচনাৰ মাজেৰে মীমাংসা কৰিবলৈ চেষ্টা কৰিব। আমি নীতিগত ভাবে স্বায়ত্ব শাসন পৰিষদৰ চাৰি সীমা থকাটো বিচাৰো। এই খিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে অলপতে মই ঢকুৱাখনালৈ গৈছিলো আৰু দেখিবলৈ পাইছো যে জনজাতীয় লোক সকলৰ মাজত এই চাৰি সীমা লৈ দুটা মত হৈছে। এটা অংশই চাৰি সীমা বিচাৰে আৰু এটা অংশৰ মতে চাৰি সীমা নোহোৱাকৈয়ে স্বায়ত্ব শাসন বিচাৰে আৰু এটা কথা আমি লক্ষ্য কৰিছো যে সেই অঞ্চলৰ যি সকল অজনজাতীয় লোক, শিক্ষাবিদ আছে তেওঁলোকে চাৰিসীমা নোহোৱাকৈ স্বায়ত্ব শাসন বিচাৰে। তেখেত সকলৰ মতে চাৰি সীমা দিবলৈ হ'লে পক্ষপাতিত্ব হ'ব পাৰে। অৱশ্যে এটা কথা ঠিক যে সেই অঞ্চলত বড়ো সকলক চাৰি সীমা দিয়াৰ দৰে চাৰি সীমা দিয়াত যথেষ্ট অসুবিধা আছে। তাত মিছিং গাঁও বিলাক এনে ধৰণে সিঁচৰিত হৈ আছে যে ইখন গাঁওৰ লগত সিখন গাঁওৰ সংলগ্নতাৰ অভাব। কিন্তু তাত যি সকল অজনজাতীয় লোক আছে তেওঁলোকে মিছিং সকলে স্বায়ত্ব শাসন পোৱাৰ সপক্ষে। সেয়ে তেওঁলোকে যদি চাৰি সীমা নোহোৱাকৈ স্বায়ত্ব শাসন বিচাৰে সেই ক্ষেত্রত আমাৰ আপত্তি নাই। এই বিষয়টো লৈ জনজাতীয় আৰু অজনজাতীয় লোক সকলৰ মাজত যাতে ভুল বুজা বুজিৰ বিতর্ক নহয়। আমি চাৰি সীমা নোহোৱাকৈ স্বায়ত্ব শাসন ব্যৱস্থাটো পৰীক্ষা মূলক ভাবে কৰি চোৱাৰ বিৰোধী নহয়। সেইটোৱে যদি সেই অঞ্চলত এটা শান্তিপূর্ণ পৰিবেশৰ সৃষ্টি কৰে তাত আমি অতি আনন্দিত হ'ম।

অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে আমি বড়োলেণ্ড আইন পাছ কৰা বা তাৰ পিছত ৰাভা, মিছিং, তিৱা সকলৰ ক্ষেত্রত চৰকাৰে কৈছিল যে আমি ৬ মাহৰ ভিতৰত নির্বাচন পাতিম আৰু এই সময় চোৱাৰ ভিতৰত এটা ইণ্টেৰিয়াম কমিটি গঠন কৰিম। কিন্তু এই কমিটি বিলাক গঠন কৰাৰ ক্ষেত্রত আমি দেখিছো যে চৰকাৰে পক্ষপাতিত্বমূলক দৃষ্টিভঙ্গী বা ৰাজনৈতিক দৃষ্টিভঙ্গী লৈ এই অন্তৰ্বর্তীকালীন কমিটি বিলাক গঠন কৰিছে। এই ক্ষেত্রত মই এটা দৃষ্টান্ত দিব বিচাৰো যে চৰকাৰে যিখন ৰাভা একর্ড কৰিলে তাত ৰাভা হাছুং ডিমাণ্ড কমিটিৰ প্রথম যিজন স্বাক্ষৰকাৰী শ্রীশৰৎ ৰাভা তেওঁক অন্তৰ্বর্তীকালীন পৰিষদৰ পৰা বাদ দিয়া হ'ল। তেওঁ এই বিধান সভাৰ এজন প্রাক্তন সদস্য। তেখেত এজন চি. পি. আই. দলৰ প্রবীণ নেতা। চৰকাৰৰ ফালৰ পৰা কিছুমান লোকে তেখেতক ক'লে যে তেখেতক এই পৰিষদত লোৱা হ'ব যদিহে তেখেতে চি. পি. আই. দলৰ পৰা ৰিজাইন দিয়ে। কিন্তু এই প্রবীণ নেতা গৰাকীয়ে স্পষ্ট ভাবে ক'লে যে যি আদর্শেৰে গোটেই জীৱন

ত্যাগ কৰিলো এতিয়া আন এটা দলৰ স্বার্থত দল ত্যাগ নকৰো। ঠিক একে ধৰণে বড়োলেণ্ড কাউঞ্চিল যেতিয়া গঠন কৰা হ'ল তেতিয়া যিজন স্বাক্ষৰকাৰী আছিল তেওঁক আঁতৰাই অন্য এজনৰদ্বাৰা কৰা হ'ল। তেনে ঘটনা তিৱা, মিছিং আদি সকলৰ ক্ষেত্রটো হৈছে। এই ক্ষেত্রত চৰকাৰৰ মনোনীত কৰা অধিকাৰ আছে, সেইটো আমি অস্বীকাৰ নকৰো। কিন্তু মনোনয়ন কৰিবলৈ যাওঁতে যি সকল সেই আন্দোলনৰ গুৰি ধৰোঁতা, যি সকলে আন্দোলন পৰিচালনা কৰিছিল আৰু যি সকল লোকে চৰকাৰৰ লগত চুক্তি কৰিছিল সেই সকল লোকক অস্থায়ী পৰিষদৰ পৰা বাদ দিব নালাগিছিল। এই প্রচেষ্টাটো নিতান্তই অতি আপত্তিজনক আৰু এইটোৱে সমস্যা আৰু বেয়াৰ ফালে লৈ গৈছে। অধ্যক্ষ মহোদয়, আমি এইটো কৰিবলৈ যাওঁতে দুটা কথা দেখিছো বিশেষকৈ মিছিং আৰু তিৱাৰ ক্ষেত্রত চৰকাৰে চুক্তি কৰিবলৈ যাওঁতে আন্দোলনকাৰীৰ এটা অংশৰ লগত চুক্তি কৰিছে। কিন্তু আন্দোলনত যি সকলে মুখ্য ভূমিকা লৈছিল, যি সকলৰ জন গণৰ লগত বেছি সম্পর্ক আছিল সেই সকলক তাৰ পৰা বাদ দিয়া হৈছে। আমি বিশেষকৈ তিৱা আৰু মিছিং চুক্তিৰ ক্ষেত্রত যিখিনি বিবাদে দেখা দিছে সেই বিবাদ খিনি আন্দোলনকাৰী নেতৃবৰ্গৰ লগত আলোচনা কৰি মীমাংসা কৰাৰ চেষ্টা কৰাতো বিচাৰো। যোৱা মাহত মই ঢকুৱাখনালৈ গৈছিলো আৰু তাৰ পৰিস্থিতি নিজে দেখি আহিছো। তাত গাঁওবিলাকৰ অৱস্থা বেয়া হৈছে। বিশেষকৈ মিছিং গাঁও বিলাকৰ পৰিস্থিতি অতি বেয়া।

নিজৰ সম্প্রদায়ৰ মাজত নানা ধৰণৰ হিংসাত্মক ঘটনা হৈছে। পৰিস্থিতি খুব বেয়াৰ ফালে ঢাল খাইছে। তেখেতসকলে স্বায়ত্ব শাসন বিচাৰিছে। কিন্তু স্বায়ত্ব শাসন দিয়াৰ নামত জনগোষ্ঠীৰ মাজত বিভাজন কৰি তেওঁলোকক গৃহ কন্দল লগাই দিবলৈ চেষ্টা কৰাটো নিতান্তই ঘৃণনীয় আৰু দুখজনক। এইটো কথা যাতে চৰকাৰে পৰিহাৰ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, সেইকাৰণেই মই কৈছো বড়ো আন্দোলনৰ চুক্তি হোৱা আজি ২ বছৰ হ'ল কিন্তু আজিলৈকে তেওঁলোকৰ ইলেকচন হোৱা নাই। মুখ্যমন্ত্রীয়ে আমাক এই সদনতে কৈছিল যে ৬ মাহৰ পিছতে তাত ইলেকচন কৰিম। আজি ২ বছৰ হ'ল তথাপিটো ইলেকচন হোৱা নাই আৰু বাকী ৰাভা, তিৱা, মিছিং স্বায়ত্ব শাসন পৰিষদত ৬ মাহৰ ভিতৰতে ইলেকচন হ'ব তাৰ কোনো নিশ্চয়তা নাই। স্বায়ত্ব শাসনৰ নীতি প্রয়োগ কৰিবলৈ হ'লে সেই জনগোষ্ঠীৰ লোকসকলৰ নিজৰ মত যাতে প্রয়োগ কৰিব পাৰে তাক বিলম্ব নকৰি নির্বাচন অনুষ্ঠিত হোৱাটো দাবী কৰো। এইখিনিতে আৰু এটা কথাত দুখ পাইছো যে কার্বি আংলং জিলাটো ইলেকচন কৰাৰ কাৰণে সেই সময়ত পার্লিয়ামেণ্টেও অনুমোদন কৰিছিল। কিন্তু ইলেকচন নহ'ল। তেওঁলোক 'চুপ্রিম-কোর্ট'ত যাবলগীয়া হৈছে, আপীল কৰিছে। তেওঁলোকৰ নিজৰ প্রতিনিধিক পঠিওৱাৰ অধিকাৰ দিব লাগে। কিন্তু তাকে নকৰি তেওঁলোকক গণতান্ত্রিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ কাৰণে পৰোক্ষ ভাৱেই হওঁক বা প্রত্যক্ষ ভাৱেই হওঁক চৰকাৰে

যিবিলাক ব্যৱস্থা লৈছে সেইবিলাক সঁচাকৈয়ে নিন্দনীয়। সেই কাৰণে মই ভাবো স্বায়ত্ব শাসন পৰিষদ কাৰ্বি আংলংয়েই হওঁক, বড়ো স্বায়ত্ব শাসন পৰিষদেই হওঁক, ৰাভা, তিৰা, মিছিং সকলোৰে ক্ষেত্রত বিলম্ব নকৰি এই সদনতে আমাক আশ্বাস দিব লাগে ৬ মাহৰ ভিতৰত নির্বাচন পতাৰ যি প্রতিশ্রুতি দিছিল সেই প্রতিশ্রুতি ৰক্ষা কৰাৰ কাৰণে ততালিকে ব্যৱস্থা গ্রহণ কৰে সেইটো আপোনাৰ জৰিয়তে চৰকাৰক জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা ক্ষেত্রত মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। এটা কথা আমি দেখিবলৈ পাইছো যে ৰাজ্যখনৰ আইন শৃংখলাৰ অৱস্থা বেয়া হৈছে সেইটো বোধহয় মোৰ লগত কাৰো দ্বি-মত নাই। চৰকাৰে অসমত 'বজৰং অপাৰেচন' বিচাৰিছে সেইকথা সত্য। সৈন্য-বাহিনী 'ইষ্টার্ণ-কামান্ডৰ' ৰিপোর্টত প্রকাশ হৈছে কলিকতাৰ পৰা। তেওঁলোকৰ যি ৰিপোর্ট 'অন নর্থ ইষ্ট ইণ্ডিয়া'ৰ সেই ৰিপোর্টত কৈছে যে অসমত আইন শৃংখলা উন্নত কৰিবলৈ হ'লে ২ টা কথা তেখেত সকলে স্পষ্টভাৱে কৈছে। ৰিপোর্টটো অৱশ্যে মোৰ হাতত নাই; কাগজত যিটো প্রকাশ পাইছে তাৰ ওপৰতহে কৈছো। 'আর্মিয়ে' কৈছে যে অসমত স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ হ'লে বজৰং, ৰাইনো আদি অপাৰেচনৰ সলনি বড়ো একর্ডখনহে ইমপ্লিমেণ্ট কৰা দৰকাৰ।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ। মই পুনৰ আপোনাৰ যোগেদি দৃষ্টি আকর্ষণ কৰিছো আৰু দাবী কৰিছো যে স্বায়ত্ব শাসন পৰিষদৰ নির্বাচন কেতিয়া হ'ব? কাৰণ তেখেতে আমাৰ সদনত আশ্বাস দিছিল ৬ মাহৰ ভিতৰত ইলেকচন হ'ব। বড়ো স্বায়ত্ব শাসন পৰিষদখন গঠন কৰা ২ বছৰ পাৰ হৈ গ'ল সেইদৰে ৰাভা, তিৰা, মিছিং স্বায়ত্ব শাসন পৰিষদ পাৰ হৈ যাব গতিকে নির্বাচন কেতিয়া হ'ব সেইটো আমাক স্পষ্টভাৱে জনাব লাগে আৰু তেওঁলোকৰ যিবিলাক বিবাদ থাকি গৈছে সেইবিলাক আন্দোলনকাৰী সকলৰ লগত আলোচনা কৰি বিশেষকৈ তিৰা, মিছিং, ৰাভাৰ নেতৃবর্গৰ লগত আলোচনা কৰি বিবাদখিনি মীমাংসা কৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনালোঁ। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্রীনজমুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিখন অটন'মাচ কাউন্সিল বিল আনিছে সেইখনৰ সম্পর্কত মই দুষাৰ কথা ক'ব বিচাৰিছো। স্বায়ত্ব শাসন মানে স্ব-শাসন। এসময়ত নগালেণ্ড, মেঘালয়, অৰুণাচল, অসমৰ ভিতৰতে আছিল। তেওঁলোকক আজি পৃথক ৰাজ্য দিয়া হ'ল। সেই ৰাজ্য বিলাকৰ পৰাও এতিয়া পুনৰ অটনা'মাচ কাউন্সিল বিচৰা হৈছে। আজি পৃথক ৰাজ্য পোৱাৰ পিছতো তেওঁলোকে কিয় অটন'মাচ কাউন্সিল বিচৰা হৈছে। তেওঁলোকৰ আচল সমস্যাটো কি? তেওঁলোকক আজি সকলো দিশৰ পৰা অৱহেলা কৰা হৈছে, আর্থিক ভাৱেই হওঁক, সামাজিক ভাৱেই হওঁক তেওঁলোক সকলোৰে পৰা

*** Speech not corrected**

ডিপ্রাইভ হৈছে। সেই কাৰণেই তেওঁলোকে অটনমাচ কাউন্সিল বিচাৰিছে। আজি সঁচাকৈয়ে তেওঁলোকে জীৱনৰ লগত সংগ্ৰাম কৰিবলগীয়া হৈছে। আজি কেৱল অসমতেই নহয়, মেঘালয়, নগালেণ্ড আদিটো আন্দোলন চলিছে। সেই ৰাজ্যৰ পৰাও তেওঁলোকে অটনমাচ কাউন্সিল বিচাৰিছে. আচল কথা তেওঁলোকৰ মূল সমস্যা কি তাৰ ওপৰত গুৰুত্ব দি ব্যৱস্থা গ্ৰহণ কৰিব লগে।

গতিকে আজি চৰকাৰে এটা কথা চাব লাগে যে বিভিন্ন জনগোষ্ঠীৰ বা বিভিন্ন ভাষাভাষীৰ লোকে এই দাবী উত্থাপন কৰিছে কিয়, এইদাবী উত্থাপন কৰাৰ মূল কাৰণ কি, সেইটো বিবেচনা কৰিব লাগে। কিন্তু চৰকাৰে এফালৰ পৰা স্বায়ত্ব শাসন দি গৈছে। বহুত মানুহে কোৱা শুনো এই চৰকাৰ স্বায়ত্ব শাসনৰ 'হ'ল চেলাৰ'। মই ভাবো এনেকুৱা ধৰণৰ স্বায়ত্ব শাসনে বিভিন্ন জনগোষ্ঠীৰ কোনো সমস্যা সমাধান নকৰে। আজি স্বায়ত্ব দিয়াৰ পিচতো বড়ো অটোনমাচ কাউন্সিল এলেকাত বড়োৱে বড়োক মাৰি আছে, তাত ভাতৃঘাটি সংৰ্ঘষ চলি আছে। তাত পঞ্জাৰ কমান্ডো পৰ্যন্ত প্ৰয়োগ কৰিব লগীয়া হৈছে। আজি জনগোষ্ঠী সমূহৰ মাজত এনে দাবী উত্থাপন কৰাৰ প্ৰধান কাৰণ হৈছে পূজিপতিৰ শাসন আৰু শোষণ, আৰু দুৰ্নীতি পৰায়ণ শাসন যন্ত্ৰ। এইবোৰ শেষ কৰিব নোৱাৰিলে সৰু সৰু জনগোষ্ঠী সমূহক স্বায়ত্ব শাসন দি লাভ নহব। আজি আমাৰ ইয়াত এটা বস্তু যিটো দামত বিক্ৰী হব স্বায়ত্ব শাসিত এলেকাটো সেই একেটা দামতে বিক্ৰী হব। তাৰ বাবে কোনো আচুতীয়া বজাৰ ব্যৱস্থা নাই। সেই অঞ্চলত দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা লোক সকলৰ উন্নয়ণৰ কোনো ব্যৱস্থা নাই। উপাধ্যক্ষ মহোদয়, মোৰ দলে আজি এই দাবী উত্থাপন কৰিছে যে অটোনমাচৰ নামত আজি ৰাজ্যখন ভাগ ভাগ হৈ গৈছে। আজি সকলোৰে চিন্তা হৈছে, কিজানি তেওঁলোকে হেৰাই যায়, বা তেওঁলোকৰ অস্তিত্ব নাইকীয়া হয়। ইয়াৰ বাবে মই অসম আন্দোলনৰ নেতা সকলক ধন্যবাদ দিব খুজিছো। তেওঁলোকেই এই ধাৰণা প্ৰবৰ্ত্তণ কৰিলে। তেওঁলোকে যেতিয়া অসমীয়া জাতিৰ অস্তিত্ব নাইকীয়া হ'ব বুলি আন্দোলন আৰম্ভ কৰিলে। তেতিয়াৰ পৰা অসমৰ আন আন জনগোষ্ঠী সমূহৰ মাজতো তেনে আশংকা আহিবলৈ ধৰিলে, তেওঁ লোক হেৰাই যাব নেকি? সেই কাৰণে আজি স্বায়ত্ব শাসনৰ দাবী উঠিছে। মই কোনো এখন বাতৰি কাকতত দেখিছিলো সংখ্যালঘু মুচলমান সকলেওঁ তেওঁলোকৰ বাবে 'মিয়ালেণ্ড' দাবী কৰিছে। (ভইচঃ আপুনি ইয়াৰ বেকগ্ৰাউণ্ডত আছে নেকি?) মই এই প্ৰস্তাবৰ সমর্থনেই কৰা নাই গতিকে বেকগ্ৰাউণ্ডত থকা প্ৰশ্নই নুঠে। আজি চৰকাৰৰ ভুলৰ বাবে এনে ধৰণৰ বিৰূপ দাবী উত্থাপন হৈছে। গতিকে সকলো জনগোষ্ঠী, ভাষাভাষী, বিভিন্ন ধৰ্ম্মালম্বী লোকৰ মাজত ভুল বুজাবুজি নোহোৱা কৰিবৰ বাবে এই বিষয়ত বিতং আলোচনা হোৱা দৰকাৰ। স্বায়ত্ব শাসন দিয়া মানে বিভিন্ন জনগোষ্ঠীৰ মাজত এখন পূর্ণাংগ ৰাজ্য গঠনৰ বাবে ভেটি স্থাপন কৰি দিয়া। কিন্তু পিচত এই স্বায়ত্ব শাসিত অঞ্চল বিলাকৰ পৰা পূর্ণাংগ ৰাজ্যৰ বাবে দাবী আহিব। [illegible]

মই চৰকাৰক অনুৰোধ কৰিছো আজি যিখন বিল আনিছে এই বিলখন এইটো চেচনত স্থগিত ৰাখি বিভিন্ন ভাষাভাষী জনগোষ্ঠীৰ মাজত আলোচনা কৰি আগন্তুক বিধান সভাত এই বিলখন আনক আৰু এটা আলোচনাৰ সুযোগ দিয়ক। এই খিনিকে কৈ এই বিলখনৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(Mr. Speaker vacated the Chair and Deputy Speaker occupied the Chair).

* **শ্রীশশ কমল সন্দিকৈ ঃ** উপাধ্যক্ষ মহোদয়, আগতে অধ্যক্ষ মহোদয়ে, এই বিষয়ত এটা ৰুলিং দিছে। এই বিষয়ত আমাৰ দলৰ যিটো 'ভিউ' মোৰ পূৰ্ব্ব বক্তা শ্রীনজমুল হক ডাঙৰীয়াই যিখিনি কৈছে তেনেধৰণৰ নহয়। আমাৰ জনজাতি লোক সকলৰ সামাজিক অর্থনৈতিক আৰু ৰাজনৈতিক উন্নয়ণৰ কাৰণে, আশা আকাংখ্যা পূৰণৰ কাৰণে স্বায়ত্ব শাসনৰ যি দাবী কৰিছে, সেই দাবীৰ প্রতি আমাৰ সহানুভূতি আছে, আমি সমর্থন জনাইছো! যুগ যুগ ধৰি সামন্তবাদ ব্যৱস্থাত থকা আমাৰ নানা ভাষাভাষী জনগোষ্ঠী আমাৰ ৰাজ্যখনত আছে। সকলোৰে ভাষা বেলেগ, কৃষ্টি বেলেগ বেলেগ, যিকিনহওঁক আজি অসমীয়া জাতিৰ এঁচা পুনৰমিলনৰ প্রচেষ্টা চলিচে, জাতি গঠনৰ প্রক্রিয়া চলিছে। তথাপি আমি জনগোষ্ঠী সকলৰ আশা আকাংখ্যাৰ প্রতি তৰল মন্তব্য কৰিব নালাগে।

* **শ্রীদেৱান জয়নাল আবেদিন ঃ** উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে আন সদস্যই কোৱা মন্তব্যক তৰল মন্তব্য বুলি কৈছে। এনেকৈ কোৱাৰ তেখেতৰ কোনো অধিকাৰ নাই।

* **শ্রীশশ কমল সন্দিকৈ ঃ** আপোনাৰ যি কব লগা আছে পিচত কব। তথাপি আজি এই স্বায়ত্ব শাসনৰ প্রতি বহুতৰ অভিযোগ আছে। মোৰ আগতে মাননীয় সদস্য শ্রীপ্রমোদ গগৈ ডাঙৰীয়াই এটা উদাহৰণ দি গৈছে। আজি বড়ো, মিছিং, লালুং আদিক যি স্বায়ত্ব শাসন দিছে তাৰ কোনো সীমা ৰেখা নাই। নানা জনে মন্তব্য দিছে, মিছিং জনগোষ্ঠীৰ মাজৰে বহুতে কৈছে যে কোনো সীমা নাই এইখন কেনেকুৱা স্বায়ত্ব শাসন। তেওঁলোকৰ সন্দেহ হৈছে যে আমি যি স্বায়ত্ব শাসন বিচাৰিছো সেই স্বায়ত্ব শাসন পাম নে নাপাম। অৱশ্যে কিছুমান মানুহ সন্তুষ্ট হৈছে। যিখন চুক্তি কৰা হ'ল সেই চুক্তি সম্পর্কে নানা বিতর্ক চলি আছে আৰু জনগোষ্ঠীৰ মাজত বিভাজনৰ সৃষ্টি হৈছে। গতিকে এই বিলাক চুক্তি কৰোতে আলাপ আলোচনা কৰি কৰা ভাল। কিন্তু যিদৰে গঠন কৰিলে তাৰ ফলত আজিও বিবাদ চলি আছে। সেইদৰে বিএ চি এলেকাত ফৰেষ্ট ভিলেজ দিয়া লৈ কৰা ঘোষণাৰ বাবে আবচুৰ উপৰিও চিফ কাউন্সিলাৰো অসন্তুষ্ট।

*** Speech not corrected**

উপাধ্যক্ষ মহোদয়, গতিকে যি পদ্ধতিত স্বায়ত্ত শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ বিচাৰিছে তাত ত্ৰুটী থাকি গৈছে আৰু সেই কাৰণে আমি আশা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বা চৰকাৰে এই ত্ৰুটী বিলাক মিটিং জনগোষ্ঠীৰ লগত আলোচনা কৰি তেওঁলোকৰ যি সকল নেতৃস্থানীয় লোক আছে সেই সকলৰ লগত আলোচনা কৰি আঁতৰোৱাৰ চেষ্টা কৰিব। ৰাভা কাউন্সিলৰ ক্ষেত্ৰত সেই একেই অৱস্থা হৈছে যি সকলে উদ্যোগ লৈছিল সেই সকলক কমিটিত অন্তর্ভূক্ত কৰা নাই। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই কৈছে। বড়োলেণ্ড স্বায়ত্ত শাসনৰ পৰিষদৰ সৃষ্টি হোৱাৰ পিচতো সম্প্ৰদায়ৰ মাজত গোষ্ঠীগত সংঘর্ষ শেষ হোৱা নাই। পঞ্জাৰ কমাণ্ডো নিয়োগ কৰিবলগীয়া হৈছে। মিটিং সকলোৰো চেতনা বৰ তীব্ৰ। বিভিন্ন জনগোষ্ঠীক 'স্বায়ত্বশাসন দিয়াৰ পৰা তেওঁলোক নিজেই শাসিত হোৱাৰ ঘোৰা আশা-আকাংক্ষা নিজেই পূৰণ কৰাৰ দ্বাৰা বিভিন্ন জনগোষ্ঠীৰ উন্নতি আৰু বিকাশৰ দ্বাৰা অসম ৰাজ্যখনৰ সর্বাঙ্গীন উন্নতি আৰু বিকাশ কামনা কৰিয়েই 'স্বায়ত্ত শাসনৰ মূল উদ্দেশ্যই আঘাট প্ৰাপ্ত হব। মই আশা কৰিছো চৰকাৰে নিশ্চয় এই ক্ষেত্ৰত সঠিক ভাবে ব্যৱস্থা লব। আমাৰ যি সংশোধনী আহিছিল সেই খিনি বোধহয় মই লগতে পঢ়ি দিব পাৰো। যদি মাননীয় উপাধ্যক্ষ মহোদয়ে অনুমতি দিয়ে তেনেহলে আমাৰ সংশোধনী খিনি উত্থাপন কৰিব বিচাৰিছো। ইতিমধ্যে অধ্যক্ষ মহোদয়ে অনুমতি দিছে গতিকে সময় বছোৱাৰ কাৰণে একেলগে উত্থাপন কৰিব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ ঃ মোভ কৰা বুলি কৈছে, আলোচনা কৰিলেই হব এতিয়া।

*** শ্ৰীশশকমল সন্দিকৈ ঃ** উপাধ্যক্ষ মহোদয়, ইয়াতে পৃষ্ঠা ৩ ৰ ক্লজ ৩ ত আছেঃ ইয়াত ৩৬ জনৰ ভিতৰত ১৬ জন হব লাগে বুলি সংশোধনী বিচৰিছো। লালুং কমিউনিটিৰ কাৰণে যিহেতু স্বায়ত্ত শাসন দিয়া হৈছে গতিকে তেওঁলোকৰ মেজৰিটি লব লাগিব। নহলে তেওঁলোকৰ কাৰণে লোৱা সিদ্ধান্ত মেজৰিটি ভেতি গ্ৰহণ কৰিব নোৱাৰিব। অর্থাৎ যাৰ কাৰণে শাক ভাত ৰন্ধা হ'ল তেওঁলোকেই খাব নোৱাৰা অৱস্থা হব। গতিকে ইয়াত পোন্ধৰ জনৰ ঠাইত ষোল জন হব লাগে। অর্থাৎ মেজৰিটি হব লাগে।

আকৌ পৃষ্ঠা ৭ ত ক্লজ ১৬ ত আছে ঃ

অফিচিয়েল গেজেটৰ সলনি হ'ব লাগে। কিয়নো অফিচিয়েল গেজেট হ'ল অফিচিয়েল মেমোৰাণ্ডাম। এই ক্ষেত্ৰত যাৰ কাৰণে স্বায়ত্ত শাসন দিয়া হৈছে তেওঁলোকৰ নিজৰ হাতত সিদ্ধান্ত দিয়া ভাল হ'ব। জেনেৰেল কাউন্সিল গঠিত হব আৰু তাৰ পৰামর্শ ভিত্তি যিটো সিদ্ধান্ত লব সেইটো অফিচিয়েল গেজেটৰ লগত 'অন দি ৰিক'মেন্দেশ্বন অব দি জেনেৰেল

*** Speech not corrected**

কাউন্সিল' এইটো ইনচার্ট হব লাগে। শেষত আৰু এটা সংশোধনী আছে। পেজ ৩২ চাবক্লজ ওৰানঃ

ইয়াত পাচজনৰ ঠাইত ছয় জন কৰিব লাগে বুলি সংশোধনী বিচাৰিছো। লালুং মেজৰিটি হলে তেওঁলোকৰ মেজৰিটিৰ দ্বাৰা সিদ্ধান্ত লৈ শাসন কৰিব পাৰিব। তেওঁলোকৰ মতামত বেছি কৰাৰ কাৰণেই ছয়জন কৰিব লাগে। আৰু অন্যান্য কমিউনিটিৰ পৰা চাৰিজন হব লাগে। সেই বুলি আমি সংশোধনী বিচাৰিছো। এইখিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্রীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত লালুং-তিৰা অট'নোমাচ বিলখন উত্থাপন কৰা হৈছে আৰু বিবেচনা কৰাৰ কাৰণে আলোচনা চলি আছে। মই আৰম্ভণীৰে পৰা আমাৰ দলৰ ফালৰ পৰা এই অট'নোমাচ কাউন্সিলৰ প্রস্তাৱটোত সমর্থন জনাইছো। অট'নোমাচ কাউন্সিল লালুং তিয়া জনগোষ্ঠীৰ কাৰণে দিয়া হৈছে। তেওঁলোকৰ সাময়িক ভাবে যিটো অসন্তুষ্টি আছিল সেইটো দূৰ হৈছে আৰু এই অট'নোমাচ কাউন্সিলৰ কাম কাজ আৰম্ভ হ'লেই তেওঁলোকৰ যিটো ফিলিং আছিল চেন্স অব ডিপ্রিভিস্বন সেইটো দূৰ হব আৰু তেনে অঞ্চলৰ লগতে গোটেই অসমৰ বাতাবৰণ শান্ত হব বুলি আশা কৰিছো। অসমত ইতিমধ্যে বড়োলেণ্ড অট'নোমাচ কাউন্সিল, ৰাভা অট'নোমাচ কাউন্সিল, লালুং-তিৰা অট'নোমাচন কাউন্সিল আৰু মিচিং অট'নোমাচ কাউন্সিল এই চাৰিটা হোৱাতো সেই সকল জনগোষ্ঠীৰ কাৰণে ভাল পদক্ষেপ। তেওঁলোকৰ সাংস্কৃতিক অর্থনৈতিক প্রটেকস্বনৰ কাৰণে যিটো কৰা হৈছে তাত আমি সমর্থন দিছো। কিন্তু ইয়াত কেইটামান সংশোধনী আনিব বিচাৰিছো। চাবচেন্সন ২, ক্লজ ৬, চাব লজ ২ ত ঃ "The members of the parliament and the members of the Legislative Assembly belonging to the Council area shall be Ex officio members of the Council."

মাননীয় উপাধ্যক্ষ মহোদয়, জেনেৰেল কেটাগৰিৰ বিধায়ক বা সাংসদৰ অট'নোমাচ কাউন্সিলৰ ভিতৰত এক্স অফিচিও মেম্বাৰ ৰাখিব লাগে। অকল এচ-চি, এচ-টি কমিউনিটিৰ বিধায়ক বা সাংসদ সকলকহে এক্স অফিচিও কৰি ৰাখিব নালাগে। জেনেৰেল বিধায়ক আৰু সাংসদকো ভিতৰত ৰাখিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, লালুং অট'নোমাচ কাউন্সিলত ৩০ জন সদস্যৰ ভিতৰত ১৫ জন জেনেৰেল। এই কাউন্সিলত এচ, চিৰ এম, পি থাকিব পাৰিলে জেনেৰেল কাষ্টৰ এম, এল, এ বা এম, পি কিয় থাকিব নোৱাৰিব। সেই কাৰণে মই ভাবিছো মই অনা এমেণ্ডমেণ্টটো কৰিব লাগে যে সকলো এম, এল, এ আৰু এম, পি এক্স-অফিচিও মেম্বাৰ

*** Speech not corrected**

হব লাগে। এক্স-অফিচিও মেম্বাৰ হলে সকলে বিলাক কাম-কাজ ভালকৈ চাব পাৰিব। মোৰ দ্বিতীয় এমেণ্টমেণ্টটো আছিল। — "The Members of Perliament and the Members of the Legislative Assembly, Assam belonging to Scheduled Tribes Reserved Constituencies of the Council Area shall be Ex-Officio Members of the General Council." আমি দেখিছো যে মিছিং অট'নোমাচ কাউঞ্চিল আৰু লালুং অট'নোমাচ কাউঞ্চিল আইডেণ্টিকেল। কাৰণ মিছিং অটোনমাচ কাউঞ্চিলত চিফ উক্সি উকুটিভ কাউঞ্চিলৰ থাকিব। লালুং অটোনমাচ কাউঞ্চিলত নাই। তাতো থাকিলে ভাল হয়। উপাধ্যক্ষ মহোদয়, মোৰ তৃতীয়টো এমেণ্ডমেণ্ট আছিল—In sub clause A(i) of Clause 6 after the word, 'One member be the Deputy Chief Exceutive Councilor who shall act as President of the General Council in absence of the Chief Executive Councilor shall be added." ইয়াত যি প্রভিজন ৰখা হৈছে Missing Autonomous District Council"..... এজন কাউঞ্চিলৰ ৫ বছৰৰ কাৰণে অট'নোমাচ কাউঞ্চিললৈ নিৰ্বাচিত হ'ব। ৫ বছৰ হৈ যোৱাৰ পিছত গভর্ণৰে টার্ম বঢ়াই দিব। সেইটোত আমি একমত নহয়। কাৰ্বি অট'নোমাচ কাউঞ্চিলত এক্সটেনচন দিয়া হৈছে। তাত নিৰ্বাচন পাতিবলৈ দাবী জনাইছিল। আনকি ৰুলিং পার্টিএও দাবী জনাইছিল। ৫ বছৰৰ কাৰণে নিৰ্বাচিত সদস্য সকলে ৫ বছৰৰ কাৰণেহে থাকিব লাগে। তাত যদি নিৰ্বাচনৰ পৰিবেশ নাথাকে তেতিয়াহলে অফিচাৰ সকলক চলাব দিব লাগে। মাননীয় মুখ্যমন্ত্রীয়ে কৈছে যে অট'নোমাচ কাউঞ্চিল এৰিয়াত পঞ্চায়তৰ ব্যৱস্থা আছে আৰু ৫ বছৰৰ পিচত অট'নোমাচ কাউঞ্চিল ভাঙি দিয়া হ'ব। এইটো চাব লাগে। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***Shri Parameswar Brahma :** Mr. Dy. Speaker, Sir. Now the Lalung Autonomons District Council Bill is under consideration. I would like to point out few suggestion only in this connection at the time of discussion on the Rabha Hasong Autonomous Bill I had suggested that they should have been given a continuous boundary. Now I am happy and extend my thanks to the Govt. for this step of providing autonomy to the plains tribal people who have been neglegted for a long time since and have been made to remain backward. Now as they have been given autonomy, they can now

*** Speech not corrected**

exercise their autonomous power for their self-development, their own administration but this is not the end. The thing is that this Lalung Autonomous District Council, the Missing Autonomous District Council and the Rabha Autonomous District Council And Tiwa Autonomous District Council should be as per the spirit according to the terms of reference and this should be implemented properly so that this purpose is meaningfully served. In the General Council of Lalung Autonomous District Council, there are altogether 36 seats. Out of this 15 is now reserved for Lalung Community and 3 for women. But I would like to say that there are other equally backward tribal community and in this I would like to add only one sentence, one Bodoland Autonomous Council there are 40 territorial constituences. Out of this 30 is reserved for Scheduled tribes but here in the Lalung Autonomous District Council out of 30 seats 15 are reserved for the the Lalung community only. I would suggest that instead of this provision it should have been reserved for Scheduled Tribes only. I would request the August House to consider this in view of the fact that this will minimise the misunderstanding and apprehensions among the tribal people. We should keep this in view that representation provision should be made as per the constitutional provision which has made reservation for only SC. and ST. and therefore, my amending words would be that out of 30 20 should be reserved for ST. only and this would be very very understandable and will pave the way for a congenial atmosphere among the tribal people. I hope this would remove the backwardness of the tribal people of the State who have been deliberately and intentionally made to remain backward and will help their upliftment.

* শ্রীকৰেন্দ্র বসুমতাৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি ১৯৯৫ চনৰ বাবে লালুং অট'নোমাচ কাউঞ্চিল বিল আহিব। লগত মিছিং অট'নোমান কাউঞ্চিল বিলো আহিছে। আমি

* **Speech not corrected**

জনজাতীয় সকলক স্বায়ত্বৰ শাসন দিয়াটোত আমাৰ দ্বিমত নাই। আমি সমর্থন জনাইছো। সেই হিচাবে যিটো অট'নোমাচ কাউঞ্চিল আহিছে' তাত ৰাজ্য চৰকাৰৰ সমর্থন এই কাৰণেই আছে যে তেওঁলোকে নিজৰ আত্ম নিয়ন্ত্রণৰ কাৰণে ভাষা-কৃষ্টি ৰক্ষা কৰাৰ কাৰণে কৰিছে। আমি এটা কথাত দ্বিমত সেইটো হৈছে এটা নির্ধাৰিত সীমা নাই। অট'নোমাচ কাউঞ্চিল বিলাকত নির্ধৰিত সীমা কৰি দিলে ভাল হয়। আমাৰ মাননীয় সদস্য/ শ্রীব্রহ্ম ডাঙৰীয়াই কৈছে যে লালুং টিৰা অট'নোমাচ কাউঞ্চিলত Chapter The General Council Page 3, Para-6, "out of 30 Seats 15 seats shall be reserved for Lalung community and out of 15 reserved seats, at least 3 seats shall be reserved to women. এইখিনিতে মই এটা কলেজৰ কথা ক'ব বিচাৰিছো লালুং এচ, চি ট্রাইবচ তেখেতসকল এইটোত থাকিব লাগে। যিহেতু অট'নোমাচ কাউঞ্চিল বিলাকত লালুং কমিউনিটি হিচাবে লিখা নাই। এচ, চি বা এচ, টি হিচাবেহে ভাৰতীয় সংবিধানত লিখা আছে। গতিকে মই এইখিনি আনিছো। বি এ চিএ এতিয়া নির্বাচনৰ কাৰণে প্রস্তুতি চলাইছে। আজি কিছুদিন আগতে ১১২ খন গাঁও দিয়া বুলি কৈছে। এই ক্ষেত্রত আন্দোলন গঢ়ি উঠিছে। বড়োলেণ্ড ১১৫ খন গাঁও বিচাৰিছিল। বড়ো ছাত্র সস্থাই মনা নাই। গতিকে এই সন্দর্ভত মাননীয় মুখ্য মন্ত্রীয়ে ১১২ খন গাঁওৰ উপৰিও ৫১৫ খন দিয়াৰ কাৰণে প্রতিশ্রুতি দিব লাগে। লালুং, টিৰা অট'নোমাচ কাউঞ্চিলত এটা কথা দেখা নাই। ইয়াত পঞ্চায়ত এক্টৰ কথা আছে। কিন্তু মিউনিচিপাল এক্ট দেখা নাই। ইয়াত মৰিগাঁও টাউন অন্তর্ভুক্ত হৈছে নে নাই? আমাৰ টংলা টাউন বি এ চিৰ পৰা বাদ পৰিছে। গতিকে মৰিগাঁওক লালুং টিৰা কাউঞ্চিলৰ অন্তর্ভুক্ত কৰিব লাগে। মাননীয় মুখ্য মন্ত্রী মহোদয়ক আহ্বান জনাইছো যি বিলাক সংগঠনক বেন কৰা হৈছে সেই বিলাক উঠাই ল'ব লাগে। শংকৰ ৰয় চৌধুৰীয়ে আর্মি জেনেৰেল সৰু সৰু গোষ্ঠী সকলক নিয়ন্ত্রণ কৰাৰ কাৰণে যি সকলে আন্দোলন চলাই আছে তেওঁলোকৰ লগত আলোচনা নকৰিলে এন্দ, ই ৰিজনৰ শান্তি নাহিব বুলি কৈছে। সেই কাৰণে কেন্দ্রীয় চৰকাৰৰ হস্তক্ষেপত আলফা আৰু বিএএচ. এফৰ লগত কোনো পূর্ব চর্ত নোহোৱাকৈ আমন্ত্রণ জনাই ৰাজনৈতিক আলোচনাত বহুৱাব লাগে। সেয়ে মই অনুৰোধ কৰিছো এই বেনটো উঠাই আলোচনা কৰাৰ ব্যৱস্থা কৰিবলৈ প্রতিশ্রুতি দিব লাগে।

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ভালেকেইজন মাননীয় সদস্যই ২ খন বিলৰ ওপৰত মন্তব্য প্রকাশ কৰিছে। আজি আমি ইয়াত ২ খন

*** Speech not corrected**

বিল টিৰা আৰু মিছিং সম্পৰ্কে আনিছো। প্ৰথমখন আছিল আমাৰ লালুং অট'নোমাচ কাউনঞ্চিল আৰু দ্বিতীয়খন হৈছে মিছিং সকলৰ কাৰণে। যিহেতু দুয়োখন বিলৰ ওপৰত মাননীয় সদস্যসকলে মন্তব্য আগবঢ়াইছে সেয়ে কথাখিনিৰ একেলগে উত্তৰ দিম। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই মিছিং আৰু অন্যান্য সম্পৰ্কে কিছু কথা আগবঢ়াইছে তাৰ কাৰণ কৃতজ্ঞতা প্ৰকাশ কৰিছো। আমাৰ ৰাজ্যখনৰ সংহতি ৰক্ষা কৰিবলৈ হ'লে জনজাতি সকলক স্বায়ত্ব শাসন দিব লাগিব। সেই উদ্দেশ্যে আমি লালুং মিছিং, ৰাভাক অট'নোমাচ কাউঞ্চিল দিয়া হৈছে। মাননীয় সদস্য গগৈ ডাঙৰীয়াই কৈছে যে বড়োলেণ্ড অট'নোমাচ কাউঞ্চিলৰ নিৰ্বাচন ৬ মাহৰ ভিতৰতে পাতিব লাগে। আমি নিৰ্বাচন পতাত আগ্ৰহী। কিন্তু আপোনালোকে জানে যে বড়োলেণ্ড অট'নোমাচ কাউনঞ্চিলত ২ হেজাৰ ৭৫ খন গাঁও দিয়া হৈছে। কিন্তু তেওঁলোক সন্তুষ্ট হোৱা নাই আৰু ৫১৫ খন গাঁও বিচাৰিছে। কিন্তু এইটো দিয়া আমাৰ সম্ভৱ নহয়। বি, এ, চি এৰিয়াত যি বিলাক গাঁও বৰো জনগোষ্ঠী ৫০ ভাগৰ বেছি সেইবিলাক গাঁও বড়োলেণ্ডৰ অন্তৰভূক্তি কৰা হৈছে। সেই গাঁওবিলাকত কম্পেকনেচ আনিবলৈ হ'লে কাষৰ গাঁওবোৰ আনিব লাগিব। কিছুমান গাঁৱত অনাবড়োৰ সংখ্যা বেছি। আমাৰ উদ্দেশ্য আছিল যে জনজাতি সকলক স্বায়ত্ব শাসন দিব লাগে আৰু তেওঁলোকে উন্নয়নৰ কাম নিজে নিজে কৰিব লাগিব। তেওঁলোকৰ ভাষা সংস্কৃতি বিকাশৰ কাৰণে আমি স্বায়ত্ব শাসন দিব লাগিব। যদি স্বায়ত্ব শাসন দিবলগীয়া হয়, সেই অঞ্চলত যদি অনাবড়োৰ সংখ্যা বেছি হয় তেতিয়া উন্নয়নৰ কাম কৰিব নোৱাৰিব। তেতিয়া বড়োলেণ্ড কাউঞ্চিল কৰা নকৰা একে কথা হ'ব। কিন্তু আপচু আৰু সেই সময়ৰ সংগঠন কেইটাই দাবী কৰি থকাৰ কাৰণে সেই সময়ত আমি যি কেইখন গাওঁ দিছো সেই কেইখন গাঁৱত বড়োৰ সংখ্যা ৫০ ভাগতকৈ বেছি। এটা বুজাপৰা হৈছিল। এইক্ষেত্ৰত আমি শান্তি ঘূৰাই আনিবলৈ আমি মান্তি হৈছো। তেওঁলোকে ৫১৫ খন গাঁও বিচাৰিছে যিকেইখন গাঁও বাদ দিলে বড়োলেণ্ড অট'নোমাচ কাউন্সিল কম্পেকনেচ হয়। আলোচনা বিলোচনাৰ কালত আপচু, বড়োলেণ্ড পিপলচ পার্টি আৰু বিএচি সদস্য সকলৰ লগতো আলোচনা কৰা হৈছে। তেখেতসকলৰ মতে এই খিনি দিছো।

উপাধ্যক্ষ ডাঙৰীয়া, অক্টোবৰ মাহতে নিৰ্বাচন যদি বিচৰা হয়, তাৰ ভিতৰত সীমা নিৰ্ধাৰণ হ'ব লাগিব। এই সম্পৰ্কে মই খবৰ পঠিয়াইছো, শ্ৰীপ্ৰেম সিং ব্ৰহ্মলৈ টেলিফোনো কৰিছে যে সীমা নিৰ্দ্ধাৰণ কৰি দিয়ক। এই সম্পৰ্কে মই বাৰে বাৰে কৈছো যে আলোচনা বিলোচনা কৰি ৪০ টা সমষ্টিৰ সৃষ্টি কৰিব লাগে। কিন্তু ৫১৫ খন গাঁওৰ দাবীত এই সম্পৰ্কে কিছু মন্তব্য হৈ আছে আমাৰ ফালৰ পৰা স্পষ্ট ভাৱে জনাইছো যে অক্টোবৰ মাহত নিৰ্বাচন পাতিব লাগে। নিৰ্বাচন অক্টোবৰ মাহত পতা নপতাটো তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিছে। ইটেৰিয়েন

কাউন্সিলত বহুতে কৈছে যে পক্ষপাতিত্বমূলক ভাবে সদস্য লোৱা লৈছে। চাৰিখন ডিষ্ট্রিক্ট কাউন্সিল হৈছে বড়ো, ৰাভা, টিৱা আৰু মিছিং, এই বিলাকৰ নাম দিবলৈ যাওঁতে আমি চৰকাৰে এটা নামো দিয়া নাই। বড়োলেণ্ড অটোন'মাচ কাউন্সিল নাম দিছে আবছুৱে, সেই সময়ত বিচুমতাৰী আছিল। সেই দৰে ৰাভা হাচেং কমিটি হৈছিল, তেওঁলোকৰ লালুং অট'নোমাচ ডিমাণ্ড কমিটিয়ে যি নাম দিছে সেইটোৱে হৈছে, চৰকাৰে এটাও নাম কোৱা নাই। যি সকল মানুহ জড়িত হৈ আছে তেওঁলোকে দিয়া মতেই আমি কাম কৰিছো। মিছিং ডিমাণ্ড কমিটি আৰু মিছিং বানে কেবাং আছে, তেওঁলোকৰ ফালৰ পৰাই নাম দিয়া হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াকে দায়িত্ব দিয়া হৈছিল। মিছিং বানে কেবং কমিটিৰ সদায় কাজিয়া হৈ থাকে তাৰ কিছু কিছু আনিছে আৰু কিছু আনিবলৈ বাকী আছে। তেনেকৈ ৰাভা অট'নোমাচ কাউন্সিলৰ কমিটি আছিল, সেই সমিতি খনকে দায়িত্ব দিয়া হৈছিল। সেই মতে তেওঁলোকে নাম দিছে। শ্ৰীগগৈ দেৱে কৈছে যে শ্ৰী শৰৎ ৰাভাক কিয় লোৱা হোৱা নাই, এই ক্ষেত্ৰত কব খুজিছো যে তেওঁলোক মোৰ ওচৰলৈ আহিছিল আৰু কৈছে যে 'তেখেত পাৰমেনেণ্ট লিডাৰ, নীলাচলত আছে'।

* **শ্ৰীপ্ৰমোদ গগৈ ঃ** উপাধ্যক্ষ মহোদয়, প্ৰথমতে তেওঁলোক নাছিল যদিও পিচত এগ্ৰি কৰিছে, নীলাচলৰ কথাটো কেনেকৈ আহিল?

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, তেওঁলোকৰ মতে কৈছো। এই চাৰিখন অট'নোমাচ কাউন্সিল গঠন কৰাৰ পিছত চৰকাৰে পৰামৰ্শও দিয়া নাই, নামো দিয়া নাই। তেওঁলোকৰ সংগ্ৰামৰ জৰিয়তে মিছিং, টিৱা, বড়োৱে হওঁক, যি কেইটা আন্দোলনকাৰী দল তেওঁলোকৰ মতে হৈছে, আমাৰ ফালৰ পৰা নাম দিয়া নাই। মাননীয় সদস্য সকলে বিশ্বাস ৰাখিব যে এই কাউন্সিল গঠনত আমাৰ কোনো বক্তব্য নাই, তেওঁলোকে দিয়া মতে কৰা হৈছে। মাননীয় সদস্য শ্ৰীগগৈ দেৱে আৰু এটা কথা কৈছে ৬ মাহৰ ভিতৰত নিৰ্বাচন হ'ব লাগে। নিৰ্বাচনৰ কথা মই বাৰে বাৰে কৈছো, মাননীয় সদস্য শ্ৰী পৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই অক্টোবৰত নিৰ্বাচন পাতিব লাগে বুলি কৈছে, আমি সাজু হৈ আছো। প্ৰেম সিং ব্ৰহ্ম ডাঙৰীয়াক জনাইছো, তেওঁ জনাইছে যে ডিষ্ট্রিক্ট কাউন্সিলৰ নিৰ্বাচন পতাত আমাৰ কিছু সমস্যা আছে। সেই কাৰণে পাতিব পৰা নাই। আমি স্পষ্ট ভাবে অক্টোবৰত নিৰ্বাচন পাতিব লাগে বুলি কৈছো। ৰাভা সকলকো আৰু টিৱা কাউন্সিলকো কৈছো যে নিৰ্বাচন পাতি দিয়ক। কিন্তু তেওঁলোকৰ ফালৰ পৰা কিছু সমস্যা অনুভৱ কৰিছে। সেয়ে নিৰ্ব্বাচন পাতিব পৰা নাই। বড়ো সকলক অক্টোবৰত আৰু কাৰ্বি সকলক ডিচেম্বৰত নিৰ্বাচন পাতিবলৈ আমাৰ

*** Speech not corrected**

